ফেব্ৰুৱাৰী 2008 ■ Rs.15 /-

চান্দমামা

1947
60
2007

PARLE
Ram and Shyam
যুঁম যুঁম যুঁম... পপিন্স!
HOUNDING KING CREEP
POPPINS
জয়লক্ষ্মী কলনিত ৰাম আৰু শ্যামে পোহনীয়া জন্তু ধৰি নিয়া দস্যুটোনো কোন তাক বিচাৰি ফুৰিছে।
আচৰিত কথা এই কলনিত বাৰু কোনে জন্তুবিলাক চোৰ কৰে।
MISSING
কলনিৰ অধিকাংশ ল'ৰাৰ দৰে, ৰাম আৰু শ্যামেও কলনিৰ প্ৰতিখন গাড়ীকে চিনি পায়। এনেতে এদিন সিহঁতে এখন ৰহস্যময় ভেন দেখা পালে...
এই অচিনাকী ভেৰখনে আকৌ ইয়াত কি কৰিছে?
পিছে পিছে গৈ চাওঁচোন!
এটা ঘৰৰ কাষত গৈ ভেনখন ৰ'লগৈ...
অ' কিং ক্ৰীপ আৰু তেওঁৰ গুণ্ডাবিলাকে আমাৰ কুকুৰবোৰ চুৰি কৰি নিয়ে।
চোৰাঁ সিহঁতে হাড় এডাল দেখুৱাই ফান্দ পাতিছে।
দুৰ্বৃত্তহঁত ব্যস্ত হৈ থাকোঁতেই, আমাৰ কণমানি নায়ক দুজনে মাৰ মাৰ পাছফালেদি গৈ দুৱাৰ খুলি কুকুৰবিলাক মুকলি কৰি দিলেগৈ।
আমি তোমালোকক বচাম।
যেই মূহূৰ্তত শ্যামে পপিন্স খাবলৈ আৰম্ভ কৰিলে, কুকুৰবিলাকৰ ৰং সলনি হৈ পৰিল আৰু সিহঁত চিনিব নোৱৰা হৈ পৰিল।
সহায় কৰা পপিন্স
পৰিস্থিতি এনেকৈ সলনি হৈ পৰিল যে গুণ্ডাবিলাকে ভয়াত পলাব ধৰিলে।
চকিত কৰি দিলে পপিন্সৰ জুতিয়ে।
PARLE
POPPINS
GOLI RAINBOW WALI

Here's a chance to ensure that your child is in great company. Every month.

Get India's Most Loved Magazine for Children at your doorstep.

Subscribe to Chandamama



Chandamama stories explore our traditions, folktales, mythology, history and science in an unforgettable narrative style which captures your child's imagination.
Generations of children have grown up reading Chandamama in their mother-tongue
Subscribe today and let your child's quest for knowledge stay alive forever.

Mail my issues of Chandamama ☐English ☐.................. Language ☐Junior Chandamama

Mr/Ms..

Address..

....

City.......................................State.......................................Pin.......................................

Telephone.......................................Email..

Enclosed Cheque/DD for Rupees..

Cheque/DD no..Favouring **Chandamama India Ltd** on

....bank. (Please add Rs 90 for non-Chennai cheques)

Please mail the subscription form to : (Allow 4 weeks for enrolment of your subscription)

CHANDAMAMA INDIA LTD, JVL Plaza, 6th Floor, 626 Anna Salai, Teynampet, Chennai 600 018.

Tel : 24334455 Telefax : 24322103 email : chandamama@chandamama.com

website : www.chandamama.com

চান্দমামা বৰ্ষ ৩২ ফেব্ৰুৱাৰী ২০০৮ সংখ্যা-২

বিশেষ আকৰ্ষণ

গুণশেখৰৰ কাহিনী (বেতাল কাহিনী)...১৯

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা--৫ ...৩৮

কেৰালাৰ এটা লোককাহিনী ...৫৫



ৰামায়ণ ... ৫৭

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ প্ৰাপ্তি ...০৭
★ বৈদ্যৰ নিযুক্তি ...১১
★ ভয়ংকৰ ঘাটী-২৮ ...১৩
★ আচৰিত বেমাৰ ...২৫
★ বিচিত্ৰ ভাৰত ...২৯
★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-৮ ...৩০
★ সংবাদ বিচিত্ৰা ...৩৪
★ মোৰ বেল্লোৰ... ক'কাৰে বেল্লুৰ ...৩৫
★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-২৬ ...৪২
★ চান্দমামা কুইজ-১ ...৪৪
★ বীৰবলৰ কাহিনী-৬ ...৪৫
★ জাতক কাহিনী ...৫৩
★ দাড়িৱালা ৰামসিংহ ...৬৩
★ অপৰাজেয় গৰুড়-২৩ ...৬৭
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান...৭১
★ বাতৰিৰ শিৰোণামাত শিশু...৭২
★ জানো আহাঁ নানা কথা ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

সম্পাদকীয়
বি.নাগি ৰেড্ডী
আৰু চক্ৰপানি

অমৰ বাণী

অধম ব্যক্তিয়ে বিঘিনি ঘটিব বুলি ভয় কৰি চেষ্টাই নকৰে। মধ্যম প্ৰকাৰৰ ব্যক্তিয়ে কাম আৰম্ভ কৰে ঠিকেই, কিন্তু বিঘিনি আহিলেই সেই কাম ত্যাগ কৰে, কিন্তু উত্তম ব্যক্তিয়ে অনেক বিঘিনি ঘটিলেও নিজৰ চেষ্টা এৰি নিদিয়ে।

শিশুসকলৰ বাবে আদৰ্শ কোন হ'ব?

শিশু, অভিভাৱক আৰু শিক্ষকসকলৰ বাবে ২০০৭ চনৰ শেষৰ অভিজ্ঞতা বৰ দুখজনক আছিল। হাৰিয়ানাৰ গুড়গাঁৱত থকা এখন স্কুলৰ দুজন ছাত্ৰই পুৰণি বিবাদৰ বাবে তেওঁলোকৰে এজন সহপাঠীক গুলীয়াই নিহত কৰা ঘটনাত তেওঁলোক আচৰিত আৰু মৰ্মাহত হৈছে। বাতৰিত প্ৰকাশ যে এই দুজন ছাত্ৰৰ এজনে দেউতাকৰ দায়িত্বত থকা এটা ৰিভলভাৰ নিজৰ হাতলৈ আনিব পাৰিছিল। ল'ৰাজনে সেইটো স্কুললৈ লৈ আহিছিল, তাৰে দুৰ্ভগীয়া ছাত্ৰজনৰ ওপৰত গুলী বৰ্ষণ কৰিছিল আৰু তাৰপাছত তেওঁ সেই আগ্নেয়াস্ত্ৰ তুলি দিছিল নিজৰ বন্ধুৰ হাতত যিজনে নিজেও অসহায় ছাত্ৰজনৰ ওপৰত তাৰে গুলীবৰ্ষণ কৰিছিল।

ইয়াৰ কিছুদিন পাছতেই অজ্ঞাত আততায়ীৰ গুলীত উত্তৰ প্ৰদেশৰ ফিৰোজাবাদৰ এখন স্কুলৰ অধ্যক্ষই প্ৰাণ দিবলগীয়া বাতৰিটো আহিছিল। ছাত্ৰসকলে অপৰাধীক তৎকালেই কৰায়ত্ব কৰিবলৈ দাবী তুলিছিল। এই আন্দোলন নিয়ন্ত্ৰণৰ বাহিৰ হৈ যাব পাৰে বুলি আশংকা কৰি পুলিচে কুমলীয়া বিক্ষোভকাৰীসকলৰ ওপৰত লাঠী চালনা কৰিছিল যাৰ ফলত তেওঁলোকৰ কেইজনমান আহত হৈছিল। এনে কঠোৰ শাস্তি ছাত্ৰসকলৰ প্ৰাপ্য নাছিল।

এই দুটা ঘটনাই শিশুসকলৰ মনত গা কৰি উঠা বিদ্ৰোহাত্মক মনোভাৱৰ পৰিচয় দিয়ে যাৰ ফলত তেওঁলোকে নিজৰ যুক্তি প্ৰতীয়মান কৰিবলৈ চূড়ান্ত বেয়া কাম কৰিবলৈয়ো কুণ্ঠাবোধ নকৰা হৈছে। যিখন দেশত আজি বহুদিন আগেয়ে ভগৱান বুদ্ধই অহিংসাৰ বাণী প্ৰচাৰ কৰিছিল, সেইখন দেশত এনেবোৰ ঘটনা ঘটাটো খুব দুখজনক কথা। এইখন দেশত সৌ সিদিনা মাত্ৰ এজন শান্তিৰ দূতে দেশক দাসত্বৰ শিকলিৰপৰা মুক্ত কৰিবলৈ সত্যাগ্ৰহ বা পৰোক্ষ প্ৰতিবাদৰ দৰে অমোঘ অস্ত্ৰ ব্যৱহাৰ কৰিছিল। সেইজন শান্তিৰ দূতক আমি ৰাষ্ট্ৰপিতাৰ মৰ্যাদা দি শ্ৰদ্ধা জ্ঞাপন কৰি আহিছো।

শিশুসকলে জ্যেষ্ঠসকল আৰু তেওঁলোকৰ আদৰ্শ লোকসকলক অনুসৰণ কৰাটো যে স্বাভাৱিক কথা তাক অনুভৱ কৰিব পৰাটো গুৰুত্বপূৰ্ণ। এইসকল লোকে শিশুসকলৰ বাবে নিজকে আদৰ্শ হিচাপে গঢ়ি তুলি শিশুসকলক ভৱিষ্যতে দেশৰ সু নাগৰিক হৈ উঠাত সহায় কৰিব লাগিব।

সম্পাদক: বিশ্বম

Visit us at : http://www.chandamama.com

চান্দমামা

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Artists: K.C. Sivasankaran (Sankar)
Gandhi Ayya, P. Mahesh
Layout Design: R. Sudha
Assistants: D. Revathy, B.A. Hemalata Malini
Research : R. Vaasugi

CIRCULATION TEAM :
Chennai : T N Ravi Shankar, *National Sales Manager*
Mobile +9199620 70014
email: ravishankar.tn@chandamama.com
Mumbai : Sanjay Thorat, *Business Development Manager*
Mobile +91 98210 17787
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email: sanjay.thorat@chandamama.com
New Delhi : Sushil Sharma, *Circulation Manager-North*
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore : P. Murali, *Asst. Circulation Manager -Karnataka*
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata : Ananth Prakash, *Circulation Manager-East*
Mobile +91 98351 82202
Advertisement : email : sales@chandamama.com
Online and Interactive : Surajit Agarwal
Mobile +91 99620 70015
email: surajit.agarwal@chandamama.com
Head Office : CHANDAMAMA INDIA LTD.,
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai, Teynampet
CHENNAI-600018, Phone +91 44 2432 2101/02,
Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

শুল্ক:

ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি 'চান্দমামা ইণ্ডিয়া লিমিটেডৰ' নামত ডিমাণ্ড ড্ৰাফ্‌ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

পুৰস্কৃত পত্ৰ:

চান্দমামা এনেকুৱা এখন মাহেকীয়া আলোচনী মোৰ মতে যিখনৰ ভাৰতত কোনো সমকক্ষ নাই। মোৰ দহ বছৰ বয়সৰ-পৰা ওঠৰ বছৰলৈকে মই *চান্দমামা* পঢ়ি আহিছো। *চান্দমামাৰ* বাহিৰেও মই বহুত ভাৰতীয় আলোচনী পঢ়িছো। কিন্তু *চান্দমামাৰ* দৰে আলোচনী এখনো দেখা নাই। *চান্দমামাত* আছে: বিশুদ্ধ জ্ঞান, উৎকৃষ্ট জ্ঞান, উৎকৃষ্ট বিষয়বস্তু, আকৰ্ষণীয় আৰু মৰ্মস্পৰ্শী দৃশ্য আৰু ঘটনাৱলী, শুদ্ধ ভাষা তথা সংসস্কৃত শব্দাৱলীৰ সংমিশ্ৰণ—যিবোৰ পূৰ্ণ ভাৰতীয়তাৰ পৰিচায়ক। ইয়াৰ পৌৰাণিক ৰূপেই ইয়াৰ মূল বৈশিষ্ট্য।

মোৰ মতে *চান্দমামাক* কেৱল "শিশু মানসিক-তাৰ আলোচনী "বুলিলে ভুল কৰা হ'ব। সেয়েহে এইবুলি কোৱাহে যুক্তিযুক্ত হ'ব যে *চান্দমামাৰ* পাঠ্য বিষয়বস্তুৱে বয়স্কজনকো পৰ্যাপ্ত জ্ঞান দিব পাৰে। আই সৰস্বতীৰ ওচৰত আলোচনীখনৰ দীৰ্ঘায়ু প্ৰাৰ্থনা কৰিছো। **- ড. উজ্জ্বল, পাটনা**

মই চাকৰি নোপোৱালৈকে অবিৰতভাৱে *চান্দমামা* পঢ়ি আছিলো। মোৰ ককা-আইতাই ইয়াত প্ৰকাশ পোৱা ধাৰাবাহিকবোৰ কাটি সুৰক্ষিত কৰি ৰাখিছিল। দুৰ্ভাগ্যবশতঃ সেইবোৰ হেৰাল। এতিয়া মই প্ৰকাশ হৈ থকা "ভয়ংকৰ ঘাটী" খুব সাৱধানে সুৰক্ষিত কৰি ৰাখিছো।

- শ্ৰী চৈতন্য, ঝান্সী

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

প্ৰাপ্তি

ভানুচন্দ্ৰই তেওঁৰ গুৰুকুলত বিজয়দশমীৰ দিনা নতুন বিদ্যাৰ্থী ভৰ্ত্তি কৰিছিল। সেইদিনা পুৰণি বিদ্যাৰ্থী আহি নিজৰ গুৰুৰ প্ৰতি কৃতজ্ঞতা ব্যক্ত কৰিছিল, যিসকলক তেওঁ জ্ঞানৰ জ্যোতি প্ৰদান কৰিছিল।

বিজয়দশমীৰ দিনা অহা পুৰণি বিদ্যাৰ্থী-সকলৰ ভিতৰত কিছুমানক উৎসাহী আৰু কিছুমানক নিৰুৎসাহী দেখা গৈছিল। গুৰুৱে এইটো দেখিলে আৰু তেওঁলোকক ক'লে, "জীৱন এটা বিজয়ৰপৰা আনটো বিজয়লৈ মাজৰ যাত্ৰা। সুযোগ জখলাৰ দৰে। এনে সুযোগ আহিলে তাৰ সদপ্ৰয়োগ কৰা সকলোৰে বাবে সম্ভৱ নহয়। সম্ভৱ হ'ব নে নহয় সেইটো নিৰ্ভৰ কৰিব মানুহজনৰ মনোভাৱৰ ওপৰত। মহান পুৰুষসকলে ইয়াকেই কয় প্ৰাপ্তি বুলি। সুযোগৰ অনুকূলে আমি নিজৰ মনোভাৱ পৰিৱৰ্তিত কৰিব পাৰিলে প্ৰগতি আৰু আনন্দ আমাৰ বাঁওহাতৰ খেল হৈ পৰিব। এনে অৱস্থাত আমি লাগিলে যি ঠাইতেই নাথাকো কিয়, হাতত যি কামেই নলওঁ কিয়, বিজয় আমাৰ হ'বই। এই কথাখিনি যাতে তোমালোকে আৰু ভালকৈ বুজি পোৱা তাৰ বাবে মই এটা কাহিনী ক'ব খুজিছো।" এইবুলি তেওঁ ক'বলৈ ধৰিলে: কৃষ্ণনগৰৰ কিছুমান ভক্তৰ হংসদ্বীপৰ সিপাৰে থকা প্ৰবাল দ্বীপৰ পৰমেশ্বৰী মন্দিৰ দৰ্শন কৰাৰ এটা দীৰ্ঘদিনীয়া ইচ্ছা আছিল। এদিন প্ৰয়োজনীয় খাদ্যবস্তু একগোট কৰি এখন নাৱত উঠি তেওঁলোকে যাত্ৰা আৰম্ভ কৰিলে। সেইদিনাৰ যাত্ৰাত বাটত তেওঁলোক কোনো ধৰণৰ অসুবিধাৰ সমুখীন নহ'ল।

সূৰ্যাস্তৰ আগে আগে হঠাতে আকাশ ক'লা মেঘে ছানি ধৰিলে আৰু ধাৰাসাৰ বৰষুণ হ'বলৈ ধৰিলে। মাজনিশালৈকে বৰষুণজাক ধুমুহা বৰষুণত পৰিণত হ'ল আৰু ভক্তসকলৰ হাহাকাৰৰ মাজত নাওখন লুটি খাই গ'ল।

পদ্মলতা

সেই নাৱত যাত্ৰা কৰা মাত্ৰ তিনিজন যাত্ৰীহে নিজৰ প্ৰাণ লৈ সমুদ্ৰৰ মাজত থকা এটা দ্বীপত উপস্থিত হ'লগৈ। তেওঁলোক আছিল পূজাৰী নাৰায়ণ, ক্ষুদ্ৰ ব্যৱসায়ী ভূষণ আৰু ভিখাৰী ৰমণ। জীৱন ৰক্ষা পৰাত তেওঁলোক সুখী হ'ল যদিও, এই নিৰ্জন দ্বীপত কেনেকৈ জীয়াই থাকিব পাৰি সেইটোহে তেওঁলোকে ভাবি উলিয়াব নোৱাৰিলে। তেওঁলোকে দেখিলে যে সেই দ্বীপ নাৰিকল, খেজুৰ আদি গছেৰে ভৰি আছে, আৰু তাত ফল যিমানখিনি আছে সেইখিনি খাই কিছু দিনলৈ তেওঁলোক জীয়াই থাকিব পাৰিব।

"এই ফলবোৰ খাই জীয়াই থাকিবতো পাৰিম, কিন্তু থাকিম ক'ত আৰু পিন্ধিম কি? জগতমাতাক দৰ্শন কৰিবলৈ ওলাই আহি আমাৰ এই দুৰ্যোগ হ'ল। আমাৰ মানুহে অনুমানেই কৰিব নোৱাৰিব আমি আছো ক'ত। আমি সাধাৰণ মানুহ, আমিনো কি কৰিব পাৰো। সকলো জগতমাতাৰ ইচ্ছা।" দীঘলীয়া উশাহ লৈ নাৰায়ণে ক'লে।

"ইমানবোৰ নাৰিকল, খেজুৰ মিছাতে নষ্ট হৈ আছে। এইবোৰৰ বেপাৰ কৰিলে লাখ টকাৰ উপাৰ্জন হ'ব। কিন্তু ক্ৰয় কৰা মানুহ এজনো নাই। ভালকৈ চাবাচোন সমুদ্ৰৰ ক'ৰবাত নাও দেখা পোৱা হৈছে নেকি।" ভূষণে আশাভৰা স্বৰেৰে ক'লে।

"পেট ভৰাই খাবলৈ ইয়াত বহুত পৰি আছে। মিছাতে বকি নাথাকিবা, পেট ভৰাই খোৱা আৰু আৰাম কৰা," ৰমণে সিহঁত দুয়োটাকে খঙেৰে কথাখিনি ক'লে।

লাহে লাহে দিন বাগৰাৰ লগে লগে ভূষণ আৰু নাৰায়ণৰ ঘৰলৈ মনত পৰিবলৈ ধৰিলে।

নাৰায়ণে এদিন সমুদ্ৰৰ পাৰত টহল দি থাকোতে তাত এটা শিলাখণ্ড পৰি থকা দেখিলে যিটো দৰাচলতে আছিল এক দেৱী মূৰ্তি। খুব সাৱধানে তেওঁ সেইটো তুলি আনি দ্বীপৰ মাজতে থকা টিলাত ভক্তিৰে সংস্থাপন কৰি পূজা কৰিবলৈ ধৰিলে।

শ্লোক আৰু মন্ত্ৰ উচ্চাৰণ কৰি তেওঁ পূজাত মগ্ন হৈ থাকোতে পাহৰিয়েই গ'ল যে তেওঁ আছে ক'ত আৰু প্ৰিয়জনৰপৰা কিমান দূৰত আছেহি।

ভূষণৰ মন তেতিয়াও বেপাৰৰ প্ৰতি আছিল, কিন্তু তেওঁ প্ৰতিদিনে অতি কমেও এবাৰ ভক্তিৰে সৈতে মূৰ্তিক প্ৰণাম কৰিছিল। "এই মূৰ্তিটো আমাৰ গাঁৱত থকাহেঁতেন যিসকল ভক্তই ইয়াত ভক্তিৰে মুদ্ৰা দিলেহেঁতেন সেইখিনিৰে মোৰ জীৱন আৰামেৰে চলি গ'লহেঁতেন। ইয়াততো এজনো মানুহ নাই

যি আহি দেৱীৰ চৰণত মুদ্ৰা দিবহি," ৰমেশে নিজকে নিজে কৈ আছিল।

কিন্তু মহিমা আৰু দিব্যশক্তিৰে ভৰপূৰ সেই মূৰ্ত্তিৰ তিনিওৰে ওপৰত দয়া উপজিল। এদিন ৰাতি সপোনতে নাৰায়ণে সেই দেৱীক দেখিলে। তেওঁ ক'লে, "নাৰায়ণ, যিগৰাকী দেৱীক তুমি পূজা কৰিছা তেওঁ ময়েই। সোনকালেই তোমালোক তিনিওৰে এই নিসঙ্গতা দূৰ কৰিম। বাৰু কোৱাচোন, সেই ঠাইত মোৰ এটা মন্দিৰ বনাবানে য'ত সদায়ে পূজা চলি থাকিব?"

"মা, এয়া আপুনি কি কৈছে? আজীৱন মই তোমাৰ সেৱা কৰি থাকিম। মোৰ পৰিয়ালৰ সৈতে মোক লগ লগাই দিয়া।" নাৰায়ণে ভক্তিপূৰ্বক মিনতি কৰিলে।

"তেন্তে ঠিক আছে। কাইলৈ পুৱাই মাছমৰীয়া চন্দ্ৰ এই দ্বীপলৈ আহিব। তেওঁৰ হতুৱাই পৰিয়াললৈ খবৰ পঠিয়াবা। এসপ্তাহৰ পাছত পুনৰ মোৰ দৰ্শন পাবা।" এইবুলি কৈ দেৱী অদৃশ্য হ'ল।

ভূষণ আৰু ৰমণে নাৰায়ণৰ কথাবোৰ বিশ্বাস নকৰিলে। কিন্তু পিছদিনা দুপৰীয়া মাছমৰীয়া চন্দ্ৰই বাট হেৰুৱাই সেই দ্বীপত প্ৰবেশ কৰিলে। এতিয়া তেওঁলোকে বিশ্বাস কৰিলে যে দেৱীয়ে কোৱা কথা সঁচাই আছিল। মাছমৰীয়াই তিনিওজনকে দেখি অতি আচৰিত হ'ল। টিলাত দেৱীৰ মূৰ্ত্তিক প্ৰণাম কৰি তেওঁ ঘূৰি গ'ল আৰু কৃষ্ণনগৰত থকা তেওঁলোকৰ পৰিয়ালবৰ্গক এই খবৰ দিলেগৈ।

নাৰায়ণ আৰু ভূষণৰ পত্নীদ্বয় আৰু তেওঁলোকৰ সন্তান তথা ৰমণৰ লগৰ ভিক্ষাৰী সেই দ্বীপলৈ আহিল। ধুমধামেৰে দেৱীৰ পূজা হ'বলৈ ধৰিলে।



প্ৰতিশ্ৰুতি অনুসাৰে দেৱীয়ে তেওঁলোক তিনিওকে সপোনত দেখা দিলে আৰু ক'লে, "তোমালোকৰ ভক্তিত মই সন্তুষ্ট হৈছো, কিন্তু এজনক এটাকৈহে বৰ দান কৰিম। কোৱা কি লাগে।"

"সদায় যাতে তোমাৰ সেৱা কৰি থাকিব পাৰো আৰু জীৱন সুখেৰে কটাব পাৰো, সেই বৰেই লাগে মোক," নাৰায়ণে ক'লে।

"মই তোমাৰ ওপৰতে আস্থা ৰাখি আহিছো। মোৰ বেপাৰত উন্নতি হওক, ধনৱন্ত হওঁ আৰু পত্নী তথা সন্তানৰ সৈতে যেন সুখেৰে জীৱন কটাব পাৰো। কৃষ্ণনগৰলৈ ঘূৰি গৈ মই তোমাৰ বাবে এটা মন্দিৰ নিৰ্মাণ কৰিম। সেই আশীৰ্বাদেই দিয়া মোক মাতৃ," ভূষণে ক'লে।

"মাতৃ, মোক এটা ৰূপৰ ভিক্ষাপাত্ৰ প্ৰদান কৰা। তোমাৰ নাম লৈ ভিক্ষা কৰি যাম," ৰমণে ক'লে।

"তথাস্তু" বুলি কৈ দেৱী অন্তৰ্ধান হ'ল। যিদিনা ভক্ত আহিছিল আৰু তেওঁলোকে যি দান দিছিল তাৰে নাৰায়ণৰ পেট ভৰিছিল। দেৱীৰ ধ্যান কৰি তেওঁ সদায় এটা সন্তুষ্টিৰ জীৱন পাৰ কৰিবলৈ ধৰিলে। ভূষণে দ্বীপত থকা নাৰিকল আৰু খেজুৰ ৰপ্তানি কৰিবলৈ ধৰিলে আৰু বহুত ধন উপাৰ্জন কৰিলে। সোনকালেই ভিতৰতে তেওঁ লাখপতি হ'ল।

"ৰূপৰ পাত্ৰ লৈ ভিক্ষা কৰি ফুৰিছা। তুমি দেখিছো ভীষণ এলেহুৱাও। এই দৰিদ্ৰতা তোমাৰ অসহায় অৱস্থাৰ চিন নহয়, ই কেৱল এক নাটকহে।" এইবুলি কৈ কোনেও ফুটাকড়ি এটা নিদিয়া ৰমণে সেই ঠাই এৰি আন ক'ৰবালৈ গুচি গ'ল।

এই কাহিনী শুনি সকলো শিষ্যই হাঁহিবলৈ ধৰিলে। তেতিয়া গুৰুৱে ক'লে, "দেখিলা, তিনিওজনে বৈভৱ বিচৰাহেঁতেন দেৱীয়ে নিশ্চয় দিলেহেঁতেন। কিন্তু সকলোৱে নিজৰ বুদ্ধি অনুসাৰে আশীৰ্বাদ প্ৰাপ্ত কৰিলে। নিজ নিজ বুদ্ধিৰ মতে প্ৰত্যেকেই বৰ বিচাৰিলে। আৰু সেইমতে তেওঁলোকৰ জীৱনলৈ বেলেগ বেলেগ পৰিৱৰ্তন আহিল। গতিকে জীৱনলৈ পৰিৱৰ্তন আনিবলৈ প্ৰথমে আমি আমাৰ বুদ্ধিলৈ পৰিৱৰ্তন আনিব লাগিব। তেতিয়াহে সুযোগৰ সদব্যৱহাৰ সম্ভৱ হয়। সেয়েহে প্ৰাৰম্ভতে মই কৈছিলো যে সুযোগৰ সদব্যৱহাৰ কৰিমনে নকৰিম সেইটো নিৰ্ভৰ কৰিব আমাৰ মনোভাৱৰ ওপৰত।"

বৈদ্যৰ নিযুক্তি

বৃদ্ধা ৰাজমাতা জয়শ্ৰী হঠাতে বেমাৰত পৰিল। তেওঁৰ আঁঠুত খুব বিষ হৈছিল। ৰাজবৈদ্যই পাৰ্যমানে চেষ্টা কৰিলে কিন্তু তেওঁ সেই বিষৰ চিকিৎসা কৰিব নোৱাৰিলে। উঠোতে বঠোতে আৰু খোজ কাঢ়োতে ৰাজমাতাৰ খুব কষ্ট হৈছিল। সেই বিষ সহ্য কৰি থকাটো তেওঁৰ পক্ষে লাহে লাহে অসম্ভৱ হৈ উঠিছিল। মাকৰ এই বেদনা দেখি ৰজা বীৰসিংহ বৰ চিন্তিত হৈ উঠিল। মহাৰাজৰ উদ্বিগ্নতা দেখি এদিন প্ৰধানমন্ত্ৰীয়ে ক'লে, মহাৰাজ, ৰাজমাতাৰ অসুস্থতাৰ বাবে যদি প্ৰাকৃতিক চিকিৎসা কৰোৱা হয় তেন্তে খুব সম্ভৱ তেওঁ সুস্থ হৈ উঠিব কিয়নো গাঁঠিৰ বিষৰ বাবে ঔষধতকৈ প্ৰাকৃতিক চিকিৎসা বেছি ফলদায়ক হোৱা দেখা যায়।"

মন্ত্ৰীৰ এই কথা শুনি ৰজাৰ মনত আশাৰ উদয় হ'ল। তেওঁ তৎক্ষণাৎ সমগ্ৰ দেশতে ঘোষণা কৰি দেশৰ চুকে কোণে থকা প্ৰকৃতি বৈদ্যসকলক মাতি পঠিয়ালে, তেওঁলোকৰ অভিজ্ঞতা আৰু যোগ্যতাৰ পৰীক্ষা কৰি উঠি প্ৰধানমন্ত্ৰীয়ে চাৰিজন বৈদ্যক ৰাজমাতাৰ চিকিৎসাৰ বাবে নিযুক্ত কৰিলে।

চাৰিজন বৈদ্যই লগলাগি ৰাজমাতাৰ চিকিৎসা আৰম্ভ কৰিলে। তেওঁৰ আহাৰ পদ্ধতিত পৰিৱৰ্ত্তন আনিলে। জংঘলৰপৰা আৰোগ্যলাভত সহায় কৰা পাত আনিলে আৰু সেইবোৰ এবিধ বিশেষ তেলৰ সৈতে মিলাই ৰাজমাতাৰ আঁঠুত বান্ধি দিয়া হ'ল।

ভাপ আৰু তেলধাৰা পদ্ধতিত চিকিৎসা চলোৱা হ'ল। তিনি সপ্তাহৰ ভিতৰতে ৰাজমাতাৰ আঁঠুৰ বিষ কমি আহিল। তেওঁ লাখুটি নোলেৱাকৈ চলা ফিৰা কৰিব পৰা হ'ল। আগতকৈ ৰাজমাতাক বহুত সুখী দেখা গ'ল।

মাকৰ অৱস্থাৰ উন্নতি ঘটা দেখি মহাৰাজ বৰ আনন্দিত হ'ল। যি চাৰিজন বৈদ্যই ৰাজমাতাৰ চিকিৎসা কৰিছিল, তাৰে এজন বৈদ্যক ৰাজসভাৰ প্ৰাকৃতিক চিকিৎসক পদত নিযুক্ত দিবলৈ ৰজাই সিদ্ধান্ত ল'লে। এতিয়া এই তিনিজনৰ কোনজনক এই পদত নিযুক্ত

মুৰলীধৰ

দিয়া হয় তাক লৈ ৰজাই এটা সিদ্ধান্তলৈ আহিব পৰা নাছিল কিয়নো চাৰিওজন চিকিৎসা পদ্ধতিত সমানে দক্ষ আছিল। এই বিষয়টো লৈ তেওঁ প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা কৰিলে।

"ইমান চিন্তিত হোৱাৰ কোনো প্ৰয়োজন নাই। চাৰিওজন বৈদ্য নিপুণ। এওঁলোকৰ ভিতৰত যিজনকে আপোনাৰ ভাল লাগে, তেওঁকেই আপুনি এই পদত নিযুক্ত দিব পাৰে।" প্ৰধানমন্ত্ৰীয়ে ৰজাক পৰামৰ্শ দিলে।

ৰজাই বহুত চিন্তা কৰি সেই চাৰিজন বৈদ্যৰ ভিতৰত সংগমেশ্বৰ শাস্ত্ৰীক এই পদত নিযুক্তিৰ বাবে বাচনি কৰিলে। বাকী তিনি-ওজন বৈদ্যক ভাল ভাল উপহাৰ দি বিদায় দিয়া হ'ল।

সেইদিনা বিয়লি ৰজাই মন্ত্ৰীৰ সৈতে উদ্যানত টহল দি আছিল। তেতিয়া তেওঁ বৈদ্যৰ নিযুক্তিৰ বিষয়টো লৈ প্ৰধানমন্ত্ৰীৰ সৈতে কথা পাতিলে। মন্ত্ৰীয়ে ক'লে, "মহাৰাজ, সেই চাৰিজন বৈদ্যৰ ভিতৰত সংগমেশ্বৰ শাস্ত্ৰী নিসন্দেহে অদ্ভুত বৈদ্য।"

"কি ভিত্তিত আপুনি এই কথা ইমান দৃঢ়তাৰে ক'ব পাৰিলে?" ৰজাই প্ৰধানমন্ত্ৰীক সুধিলে।

"মহাৰাজৰ স্বীকৃতি পাইছে, মহাৰাজে সন্মান দিছে, ইয়াৰদ্বাৰা ইয়াকে প্ৰমাণ হয় যে তেওঁ নিশ্চয় উত্তম বৈদ্য।" মন্ত্ৰীয়ে মিচিকিয়া হাঁহি মাৰি ক'লে।

মন্ত্ৰীৰ তোষামোদ কৰিব খোজা অভিপ্ৰায় দেখি মনে মনে হাঁহি মাৰি ৰজাই ক'লে, "চিকিৎসা পদ্ধতিত তেওঁলোক চাৰিজনেই দক্ষ বৈদ্য। কিন্তু যি দিনাৰেপৰা মাতৃৰ চিকিৎসা আৰম্ভ হৈছিল, সেই দিনাৰেপৰা সংগমেশ্বৰ শাস্ত্ৰীয়ে মাৰ হৃদয়ত এই বিশ্বাস দিবলৈ চেষ্টা কৰিছিল যে আঁঠুৰ বিষৰপৰা খুব সোনকালেই তেওঁ মুক্তি লাভ কৰিব। এই কথা স্বয়ং মায়ে মোক কৈছিল। যি বৈদ্যই ৰোগৰ সঠিক নিদান কৰিব পাৰে আৰু সঠিক ঔষধ দি তাক আৰোগ্য কৰিব পাৰে তেওঁৱেই আচল বৈদ্য।

কিন্তু ভাল চিকিৎসা পদ্ধতিৰ লগতে এইটোও প্ৰয়োজনীয় কথা যে ৰোগীৰ মনত বৈদ্যই আত্মবিশ্বাস গঢ়ি তুলিব লাগিব।

ইয়াৰদ্বাৰা ৰোগীয়ে ক্ষিপ্ৰতাৰে আৰোগ্য লাভ কৰিব পাৰে। নিপুণ বৈদ্য যদি নিপুণ মনোবৈজ্ঞানিকো হয় তেন্তে তেওঁৰ দক্ষতা দুগুণে বাঢ়ে। এই গুণ যিহেতু কেৱল সংগমেশ্বৰ শাস্ত্ৰীৰহে আছিল সেয়েহে তেওঁক মই এই পদত নিযুক্ত কৰিলো।"

ভয়ংকৰ ঘাটী

(২৪)

(ব্ৰহ্মদণ্ডী তান্ত্ৰিকে গম পালে যে কেশৰ আৰু তাৰ লগৰীয়াহঁত গুহাত লুকাই আছে। তৎক্ষণাৎ তেওঁ স্থূলকায়ক পাহাৰৰ ওচৰলৈ পঠিয়ালে। তেওঁ এইবুলি স্থূলকায়ক ক'বলৈ ক'লে যেন স্থূলকায়ে সকলোকে নিজৰ গোলমহে কৰি লৈছে। এই কথা শুনি কেশৰ আৰু তাৰ দুই লগৰীয়া গুহাৰপৰা বাহিৰলৈ ওলাই, স্থূলকায়ৰ ওচৰলৈ চুঁচৰি চুঁচৰি আগবাঢ়ি গ'ল। তাৰ পাছত...)

কেশৰ নিশব্দে চুঁচৰি চুঁচৰি গ'ল আৰু স্থূলকায় য'ত থিয় হৈ আছিল, তাতে ৰ'লগৈ। কেশৰে তেওঁৰ ভৰিৰ ওচৰত তৰোৱাল থৈ অনুচ্চ স্বৰত ক'লে, "স্থূলকায়! মই যি কওঁ, মন দি শুনা। যদি তুমি লৰচৰ কৰা, তেন্তে তোমাৰ দুয়োখন ভৰি কটা যাব পাৰে।"

এক মুহূৰ্ত্তৰ বাবে স্থূলকায় স্তব্ধ হৈ থিয় দি থাকিল। তাৰ পাছত তেওঁ থৰ্‌থৰকৈ কঁপিবলৈ ধৰিলে। প্ৰাণৰ ভয়ত তেওঁ এবাৰ চিঞৰিব খুজিলে, কিন্তু কেশৰে তেওঁৰ ভৰিত লগাই থোৱা তৰোৱালখনে মানুহটোক একেবাৰে কাবু কৰি পেলাইছিল।

"তুমি কোনহে ভাই? তুমি কেশৰ নহয়তো?" স্থূলকায়ে এনেকৈ সুধিলে যেন তেওঁ কিবা উৰাবাতৰি প্ৰথমবাৰলৈ শুনিছে।

"মই কেশৰ। মোৰ পাছত পোন্ধৰ জন মানুহ তৰোৱাল আৰু ধনু কাঢ় লৈ থিয় দি আছে। সঁচা কথা কোৱা, তান্ত্ৰিক আৰু গৰুড়ৰ মুখ

থকা মানুহটোক তুমি গোলাম কৰি লৈছা নেকি। নে তুমি এয়া নাটকাহে কৰিছা।” কেশৰে সুধিলে।

“এইবোৰ সকলো নাটক। মই নাটক কৰিছো ঠিকেই, কিন্তু পৰিচালনা কৰিছে সেই দুষ্ট তান্ত্ৰিকে। প্ৰাণৰ ভয়ত তেওঁ যিহকে কয় তাকে কৰিবলৈ মই সন্মতি দিছিলো। তেওঁ-ৰেই মোক এই কাম কৰিবলৈ কৈছিল। ইয়াৰ পাছত তেওঁ কি পৰিকল্পনা কৰিছে সেই কথা মই একো নাজানো। মই নিৰ্দোষ। মোক নামাৰিবা, কৃপা কৰি মোৰ একো অপকাৰ নকৰিবা। তোমাৰ কল্যাণ হ'ব।” ভয়তে স্থূলকায়ে ডাঙৰকৈ চিঞৰিলে।

স্থূলকায় মূৰ্ত্তিৰ দৰে থিয় হৈ থকা, তাৰ-পাছত ওঁঠ লৰাই কিবা শব্দ কৰা দেখি দূৰত থিয় হৈ থকা ব্ৰহ্মদণ্ডী আৰু গৰুড়মুখীয়া আচৰিত হ'ল।

“তেওঁ এইদৰে জঠৰ হৈ গৈছে কিয়? কোনো বিষাক্ত কীটে তেওঁক দংশন কৰা নাইতো?” গৰুড়মুখীয়াই ক'লে।

এই প্ৰশ্নৰ উত্তৰত নিজৰ মূৰ লৰাই ব্ৰহ্ম-দণ্ডীয়ে মনতে প্ৰসন্ন হৈ ক'লে, “নাই, মই ঠিক কথাটো তেনেকৈ নাভাবো। তেওঁ হ'ল আমি ৰাখি থোৱা বৰশীৰ দৰে, আৰু বৰশীত এতিয়া মাছ লাগিছে। গতিকে সন্দেহৰ কি কাৰণ থাকিব পাৰে? ইংগিত দি চোৱা যাওক, তেওঁনো কি উত্তৰ দিয়ে?” এইবুলি কৈ ব্ৰহ্ম-দণ্ডীয়ে নিজৰ মন্ত্ৰদণ্ড স্থূলকায়ক দেখুৱালে।

ব্ৰহ্মদণ্ডীক উত্তৰ দিবলৈ স্থূলকায়ে নিজৰ হাত ওপৰলৈ কৰিলে, কিন্তু তেতিয়া ভৰিত তৰোৱালৰ হেঁচা বৰ বেছি হোৱাত তেওঁ ঠাইতে বৈ গ'ল।

কেশৰে ওচৰলৈ আহি থকা জয়মল্লৰ ফালে ফালে মুখ ঘূৰাই ক'লে, “এওঁ নিজৰ মিত্ৰসকলক কিবা ক'ব খুজিছে যেন পাইছো।”

“তাত কোনো সন্দেহ নাই। কিন্তু জানানে আমাৰ কি বিপদ আহিবলগা আছে? সেই ব্ৰহ্মদণ্ডী আৰু গৰুড়মুখীয়া তাৰ লগৰ মানুহ-বোৰক লৈ আমাক ধৰিবলৈ উপস্থিত হ'বহি।” জয়মল্লই ক'লে।

কেশৰে তৰোৱালেৰে স্থূলকায়ৰ হাত স্পৰ্শ কৰি ক'লে, “সঁচা কথা কোৱা, নহ'লে তোমাৰ হাতো কটা যাব। কোৱা, ব্ৰহ্মদণ্ডী আৰু গৰুড়মুখীয়া কি কৰি আছে?”

“দুয়োজনে নিজৰ মাজতে কিবা এটা আলোচনা কৰিছে যেন পাইছো। জিতবৰ্মা আৰু শক্তিবৰ্মাই নিজৰ নিজৰ তৰোৱাল ধৰাইছে। মই কেৱল সিমান খিনিয়েই দেখিছো।” স্থূলকায়ে ক'লে।

স্থূলকায়ে কোৱা কথাখিনি অলপো অসত্য নাছিল। ব্ৰহ্মদণ্ডী আৰু গৰুড়ৰ মুখৰ দৰে মানুহটোৱে ইতিমধ্যে কিছুমান পাখিলগা মানুহক এই কথা জানিবলৈ পঠিয়াইছিল যে শত্ৰুৰ সংখ্যা আৰু শক্তি কিমান।

সিহঁতৰ কিছুমান ওখ ওখ গছৰ ওপৰত উঠি দেখিলে যে স্থূলকায় থিয় হৈ থকা পাথৰৰ পিছফালে কেশৱ, জয়মল্ল আৰু জংঘলী যুৱক গোমাংগ থিয় হৈ আছে।

"শত্ৰুৰ সংখ্যা মুঠেই তিনিজন। সেই তিনিটাকে বাওঁহাতেৰে সিপুৰী পোৱাবগৈ পৰা যাব।" এইবুলি ভাবি পাখিলগা মানুহবোৰে সিহঁতৰ চৰ্দাৰৰ ওচৰলৈ আহি কি দেখিলে তাক জনালেহি।

অনুচৰসকলৰ সংবাদ পাই গৰুড়মুখীয়াই কপালৰ বলিৰেখা কোঁচাই ক'লে, "ইয়াত মই ডাঙৰ প্ৰতাৰণাৰ গোন্ধ পাইছো। ব্ৰহ্মদণ্ডী, কেৱল তিনিটা মানুহহে ইমান সাহসেৰে আমাৰ মাজলৈ আহিব বুলি মোৰ মনে নধৰে। এইটো জানি বুজি বাঘৰ নেগুৰেৰে কাণ খজুৱাৰ দৰে কথা। কিন্তু সিহঁতে এনেকুৱা কাম নকৰে। নিশ্চয় এয়া সিহঁতৰ কিবা কৌশলহে।"

ব্ৰহ্মদণ্ডীয়ে ডাঙৰকৈ হাঁহি মাৰি ক'লে, "সিহঁতৰ বিষয়ে নজনাহেঁতেন,ময়ো তেনেকৈয়ে ভাবিলো-হেঁতেন। সিহঁতৰ এটা কেশৱ আৰু আনটো মোৰ পুৰণি শিষ্য জয়মল্ল, তৃতীয়টো কোনোবা জংঘলী হ'ব। সিহঁত তিনিওটা মহিষা নক্ষত্ৰৰ কালত জন্ম হৈছিল। এই সময়ত জন্ম হোৱা মানুহে না আগলৈ চায়, না পিছলৈ। সিহঁতে কেৱল নিৰ্ভয়ে নিজৰ ৰাস্তাত আগবাঢ়ি যায়। আৰু ধুমুহাৰ

দৰে আগবাঢ়ি যায় লাগিলে যমৰাজেই আহি সিহঁতৰ সমুখত থিয় নিদিয়কহি কিয়? এশ দুশ মানুহৰ বিৰুদ্ধে সিহঁত তিনিটাই যথেষ্ট। সেইকাৰণেই কৈছো যদি মই সিহঁতক নাজানিলোহেঁতেন তেন্তে মই আপোনাৰ সৈতে সহমত প্ৰকাশ কৰিলোহেঁতেন।"

"তেন্তে আমিনো কি কৰা উচিত?" গৰুড়মুখীয়াই সুধিলে।

"কৰিবলৈ আৰু কিটো আছে, সিহঁত তিনিওটাক কৰায়ত্ব কৰা হওক।" ব্ৰহ্মদণ্ডীয়ে তৎক্ষণাৎ পৰামৰ্শ দিলে।

"সিহঁতে বাণ, তৰোৱাল লৈ ঘূৰি ফুৰে। মই নাভাবো যে সিহঁতক ইমান সহজে কৰায়ত্ব কৰিব পৰা যাব। আমাৰ বহুতেই প্ৰাণ দিব লাগিব। প্ৰথমতে সেই স্থূলকায়ক সিহঁতে নিধন কৰিব।" গৰুড়মুখীয়াই ক'লে।

"তেওঁৰতো নৰভক্ষীহঁতৰ হাতত কেতি-

য়াই প্ৰাণ গ'লহেঁতেন। মইহে তেওঁক প্ৰাণ দি লৈ আনিলো। জানি লোৱা যে তাৰ আয়ুস আজি শেষ হৈছে। মই আৰু তুমি ভয়ংকৰ ঘাটীৰ ধন আৰু আধা ৰাজ্যৰ আনন্দ ল'বলৈ বহু বছৰ জীয়াই থাকিব লাগিব। আমি আমাৰ মানুহবোৰক সিহঁতক ধৰিবলৈ পঠিয়াব লাগিব।" ব্ৰহ্মদণ্ডী তান্ত্ৰিকে ক'লে।

"তাকে কৰা যাওক।" গৰুড়মুখীয়াই এফালে ঘূৰি নিজৰ অনুচৰসকলক কিবা সংকেত দিলে। গৰুড়মুখীয়াই সিহঁতৰ সৈতে কিছু সময় কথা পাতিলে, তাৰপাছত সিহঁতক যাবলৈ সংকেত দিলে।

মানুহবোৰ দুটা দলত বিভক্ত হ'ল। কিছুমান গছৰ ওপৰলৈ উঠি গ'ল। কিছুমান হাতত সাৰে ভৰিত সাৰে স্থূলকায় থিয় হৈ থকা পাথৰৰ ওচৰলৈ যাবলৈ ধৰিলে।

"জিত আৰু শক্তি, কেশৰক ধৰিবলৈ তোমালোকে ইহঁতক সহায় নকৰা নেকি?" গৰুড়মুখীয়াই সুধিলে।

এই প্ৰশ্ন শুনাৰ লগে লগে জিত আৰু শক্তিবাৰ্মাই নিজৰ নিজৰ তৰোৱাল খাপত ভৰাই থ'লে।

"সেই নীচহঁতক ধৰিবলৈ গৈ আমি আমাৰ হাত লেতেৰা নকৰো। আমাৰ কাম হ'ল ব্ৰহ্মদণ্ডীক সুৰক্ষা দিয়া। আমি যদি ইফালে সিফালে ঘূৰি ফুৰো তেন্তে ব্ৰহ্মদণ্ডীৰ প্ৰাণৰ আশংকা হ'ব পাৰে। আমিতো এওঁৰ কাষত থিয় হৈ এওঁৰ প্ৰাণ ৰক্ষা কৰি থাকো। ব্ৰহ্মপুৰৰ ৰজাই আমাক এই কামৰ বাবেহে পঠিয়াইছে, নহয়জানো ব্ৰহ্মদণ্ডী?" তান্ত্ৰিকক সিহঁতে সুধিলে।

ব্ৰহ্মদণ্ডীয়ে নিজৰ খঙটো দমাই ৰাখি ক'লে, "অঁ, অঁ," এইবুলি তান্ত্ৰিকে উন্মাদৰ দৰে মূৰ লৰাবলৈ ধৰিলে।

ইয়াৰ মাজতে, পাখিলগা মানুহবোৰে সিহঁতৰ ওপৰত আক্ৰমণ চলাবলৈ লোৱাৰ কথা জংঘলী গোমাংগই জয়মল্ল আৰু কেশৰক জনালে।

ডাঙৰ ডাঙৰ গছৰ ওপৰত সিহঁত গৈ থকা দেখি কেশৰে হাঁহিলে, "এই পক্ষীহঁতে, ওপৰৰপৰা জঁপিয়াই আমাক ধৰিব খুজিছে? বাৰু প্ৰথমে বাণ চলাওঁ আৰু সৌ দুটাক ধৰা যাওক। বাকীবোৰ নিজে নিজে পলাই যাব।" বাণ হাতত তুলি কেশৰে ক'লে।

তৎক্ষণাৎ জয়মল্ল আৰু গোমাংগয়ো নিজৰ নিজৰ বাণ ধনুত জুৰিলে। কেশৰে ধনুত বাণ জুৰি পাখিলগা মানুহৰ ওপৰত লক্ষ্য স্থিৰ কৰিলে, তাৰপাছত বাণ তললৈ কৰি জয়মল্লৰ ফালে মুখ কৰি ক'লে, "জয়মল্ল, আমি

লাগিলে ইহঁতৰ যিমানবোৰেই নামাৰো কিয়, আমাৰ একো লাভ নহয়। সেই ব্ৰহ্মদণ্ডীক প্ৰথমে মাৰিব লাগিব। তেওঁ মোক প্ৰথমে জীয়াই জীয়াই ধৰি মোৰপৰা কাম আদায় কৰিব, তাৰ পাছত মোক মাৰি পেলাব। তেওঁ আছে ক'ত? তেওঁও আমাৰ ওপৰত আক্ৰমণ চলাবলৈ আহি আছে নেকি? হেৰা স্থূলকায় ব্ৰহ্মদণ্ডী কোন-ফালে আহি আছে?" কেশৰে সুধিলে।

কঁপি কঁপি স্থূলকায়ে ক'লে, "তেওঁ অহা নাই। পক্ষীহঁতৰ চৰ্দাৰৰ সৈতে গছৰ তলত থিয় হৈ আমাৰ ফাললৈকে চাই আছে।"

"সেই দুষ্টই জানে আমাৰ কিমান শক্তি আছে। যি কি নহওক, এতিয়া আমি সময় নষ্ট কৰা অনুচিত। আমি দুই তিনিটা পাখিলগা মানুহক ধৰি, এইটো গুহালৈ গৈ, পুনৰ পাহাৰেদি গৈ লুকাই পৰিম।" এইবুলি কৈ জয়মল্লই এডাল বাণ ধনুত লগাই গছৰ ওপৰত উঠি থকা এটা পাখিলগা মানুহৰ ওপৰত এৰিলে।

কেশৰ আৰু তাৰ লগৰীয়াহঁতৰ দৃষ্টি, তেওঁৰপৰা আঁতৰি, পাখিলগা মানুহৰ ফালে ঢাল খাইছে বুলি নিশ্চিত হৈ স্থূলকায়ে পাথৰৰ ওপৰৰপৰা জাঁপ মাৰি ব্ৰহ্মদণ্ডী আৰু গৰুড়মুখীয়াৰ ফালে দৌৰিলে।

"সিহঁত মুঠতে তিনিটা আছে। ধৰা, সিহঁতক মাৰা।" এইদৰে চিঞৰি স্থূলকায় পলাই গ'ল।

"হাৰে, এতিয়া এই দুষ্ট আমাৰ হাতৰপৰা পলাল। তথাপি এবাৰ মাৰি চোৱা যাওক। কিজানি লাগেইবা।" এইবুলি কৈ গোমাংগই স্থূলকায়ৰ ওপৰত বাণ এৰিলে। কিন্তু সেই বাণ স্থূলকায়ৰ কাষেদি পাৰ হৈ গ'ল আৰু

যিজোপা গছৰ ওচৰত ব্ৰহ্মদণ্ডী আৰু গৰুড়-মুখীয়া থিয় হৈ আছিল, তাত গৈ লাগিলগৈ।

ব্ৰহ্মদণ্ডী জাঁপ মাৰি উঠিল। "হাৰে, এই দুষ্টহঁতে আমাৰ ওপৰতো বাণ মাৰিব লাগিছে। পলোৱা, পলোৱা।" তেওঁ পিছফালৰ গছবোৰৰ ফালে দৌৰি গ'ল।

গৰুড়মুখীয়া চৰ্দাৰ, জিত আৰু শক্তিও তেওঁৰ পিছে পিছে পলাল।

গোমাংগৰ লগতে কেশৰ আৰু জয়মল্লও উঠি থিয় হ'ল। ব্ৰহ্মদণ্ডী আৰু লগৰ কেইজন পলাই যোৱাৰ দৃশ্য সিহঁতে দেখিলে। সিহঁতে তেওঁলোকক খেদি যোৱা উচিত হ'ব নে নহয়, সেই কথা ভাবি থাকোতেই পাখিলগা মানুহ, যিখিনি বাকী আছিলগৈ সিহঁতও ওপৰেদি উৰিবলৈ ধৰিলে।

কেশৰ আৰু তাৰ লগৰীয়াহঁতে এটাৰ পাছত আনটোকৈ তলত জঁপিয়াই পৰা

পাখিলগা মানুহৰ ওপৰত বাণ এৰিলে। তাৰে কেইটামান বাণৰ আঘাত পাই আৰ্ত্তনাদ কৰি তলত বাগৰি পৰিল।

জয়মল্ল আৰু কেশৰ এতিয়া গুহালৈ যোৱাৰ কথা ভাবি থাকোতেই সিহঁতে পিছফালে ঘূৰি দেখিলে যে পাথৰবোৰৰ আঁৰৰপৰা আৰু এটা গোট চিঞৰ বাখৰ কৰি ওপৰলৈ উঠিছে। সিহঁতৰ প্ৰত্যেকৰে হাতত তীক্ষ্ণ আৰু দীঘল যাঠি আছিল।

"এতিয়া বাণেৰে কাম নচলিব। শক্ৰৱে আমাৰ গুহাৰ দ্বাৰ ঘেৰি লৈছে। যুদ্ধ কৰি কৰি আমি সিহঁতৰ মোকাবিলা কৰি বাহিৰ ওলাব লাগিব। আমি ইহঁতৰ হাতত পৰিব নালাগিব।" এইবুলি কৈ জয়মল্লই তৰোৱাল উলিয়াই পাখিলগা মানুহৰ মোকাবিলা কৰিবলৈ ধৰিলে।

কেশৰ, গোমাংগ আৰু জয়মল্লৰ তৰোৱালৰ আঘাত পাই এটা এটাকৈ পাখিলগা মানুহ তলত পৰিবলৈ ধৰিলে। হাতত সিহঁতে বান্ধি থোৱা পাখিয়ে সিহঁতক দ্বন্দ্বযুদ্ধত অসুবিধাৰ সৃষ্টি কৰিছিল। যেতিয়া সিহঁতে যাঠি ঘূৰাব খুজিলে, তেতিয়া পাখি এখনে আনখনৰ লগত খুন্দা খাই তললৈ সৰি পৰি থাকিল, অলপ সময়ৰ ভিতৰতে আটাইবোৰ পাখিলগা মানুহ হয় তৰোৱালৰ আঘাত পাই মৰা পৰিল বা আহত হৈ তলৰ মাটিত ছট-ফটাবলৈ ধৰিলে। গছৰ ওপৰত এতিয়া কোনো পাখিলগা মানুহক দেখা পোৱা নগৈছিল। জয়মল্লই আনন্দতে চিঞৰি দিলে।

"আমি বিজয়ী হৈছো কেশৰ। এতিয়া আমি আৰামেৰে গুহালৈ যাব পাৰো।" এইবুলি কৈ সি দুখোজ আগলৈ দিছেহে, আকৌ সিহঁতে স্তব্ধ হৈ যাবলগীয়া এটা পৰিস্থিতিৰ উদ্ভৱ হ'ল।

সিহঁতৰ এনে লাগিল, যেন মানুহৰ এখন প্ৰচীৰহে সমুখত আছে। নিজৰ অনুচৰহঁতৰ লগত গৰুড়মুখীয়া চৰ্দাৰো তাতে আছিল। জয়মল্লৰ লগতে কেশৰ আৰু জংঘলী গোমাংগই চাৰিওফালে চালে। দেখা গ'ল শ শ পাখিলগা মানুহে সিহঁতক ঘেৰি ধৰিছে। ব্ৰহ্মদণ্ডী ক'ত আছে? সিহঁতে ভাবিবলৈ ধৰিলে। হঠাতে ব্ৰহ্মদণ্ডীৰ ঘন্টাৰ দৰে কৰ্কশ মাত সিহঁতে শুনিবলৈ পালে, "তাক জীয়াই জীয়াই ধৰা, বাকী দুটাক টুকুৰা টুকুৰকৈ কাটি পেলোৱা।"

(আগলৈ)

গুণশেখৰৰ কাহিনী

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে গৈ থাকিল। তেতিয়া শৱ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, কি কাম কৰাৰ তীব্ৰ বাসনা লৈ তুমি এই ভয়ংকৰ নিশা ইমান কঠোৰ পৰিশ্ৰম কৰিছা? মই কিন্তু এনে বহুতো অসাৱধান ব্যক্তি দেখিছো, যাৰ নিজৰ কোনো ইচ্ছা নাথাকে, যাৰ কোনো লক্ষ্য নাথাকে, যি উদ্দেশ্যবিহীনভাৱে ইটো সিটো কাম কৰি থাকে। কিন্তু এনেকুৱা মানুহে কেতিয়াবা নিজৰ মন সলনি কৰি অদ্ভুত বিজয় লাভ কৰে। সেই সকল ব্যক্তিৰ হাতৰপৰা তেওঁ এই বিজয় কাঢ়ি আনে যিসকল ইয়াৰ বাবে যত্ন-পৰ হয়, তৎপৰ হয়, যিসকলৰ জীৱনৰ লক্ষ্যই হ'ল এই বিজয় প্ৰাপ্ত কৰা। মোৰ ভয় হৈছে কোনোবাই

ৰজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

তোমাৰপৰাও তোমাৰ লক্ষ্য কাঢ়ি ল'ব পাৰে আৰু তোমাৰ আশা নিৰাশালৈ পৰিৱৰ্তন কৰিব পাৰে বুলি। তোমাক সাৰধান কৰি দিবলৈকে মই তোমাক দুজন ভ্ৰাতৃৰ কাহিনী কম। তুমি মনোযোগেৰে শুনা আৰু এটা সিদ্ধান্ত লোৱা।" এইবুলি বেতালে নিজৰ কাহিনী আৰম্ভ কৰিলে।

বিৰাগদেশৰ ৰজা চন্দ্ৰশেখৰৰ দুজন যমজ সন্তান আছিল। ডাঙৰজনৰ নাম আছিল কুলশেখৰ আৰু সৰুজনৰ নাম আছিল গুণশেখৰ। বৰ মৰমেৰে দুয়োকে তুলি তালি ডাঙৰ দীঘল কৰা হৈছিল। দুয়ো সমান বয়সৰ আছিল যদিও দুয়োৰে ব্যৱহাৰ শৈলীত বহুত পাৰ্থক্য আছিল। ডাঙৰ সন্তান কুলশেখৰে শৈশৱৰেপৰা এনে আচৰণ কৰিছিল যেন তেওঁ ৰজাহে। সৰু সন্তান গুণশেখৰে দাস দাসী আৰু তেওঁলোকৰ সন্তানসকলকো সমান বুলি ধৰিছিল আৰু মৰম কৰিছিল। ককাক ৰাজশেখৰে দুয়োকে ৰাজবংশৰ সৈতে সম্পৰ্ক থকা বীৰত্বৰ কাহিনী শুনাইছিল আৰু সেইবোৰ শুনি গুণশেখৰে বৰ ভাল পাইছিল। কিন্তু কুলশেখৰে সেই কাহিনীবোৰ শুনি সন্তুষ্ট হোৱা নাছিল আৰু প্ৰায়েই কৈছিল যে মই হেনো তাতকৈ বীৰত্বৰ কাম কৰিম।

চন্দ্ৰশেখৰে প্ৰতি বছৰে দুই পুত্ৰৰ জন্মোৎসৱ বৰ ধুমধামেৰে আয়োজন কৰিছিল। তেওঁলোকৰ দশম জন্মদিৱসৰ দিনা ৰাজপৰিয়ালৰ সুপ্ৰসিদ্ধ কুলগুৰু শম্ভুনাথে পক্ষীৰাজ গৰুড়ৰ এটা পুতলা নিজৰ শিষ্যৰ হাতত উপহাৰ স্বৰূপে পঠিয়াইছিল। সেই পুতলাটো একেবাৰে জীৱন্ত যেন লাগিছিল। তাৰ পিঠিত ইমানখিনি ঠাই আছিল যে এজন মানুহ আৰামেৰে বহিব পাৰে। বহি লৈ ডিঙিৰ ওচৰত থকা চাবি ঘূৰালে যান্ত্ৰিক সেই পুতলাটো অলপ দূৰ আগলৈ যায় আৰু তাৰপাছত দহ ফুট উচ্চতালৈকে উৰি গৈ পুনৰ মাটিলৈ ঘূৰি আহে।

সেই পুতলাটো লৈ দুয়ো ভ্ৰাতৃ ৰাজউদ্যানলৈ গ'ল। এই পুতলাৰ আচৰিত ক্ষমতা চাবলৈ অন্তেষপুৰৰ স্ত্ৰীসকলো নিজৰ নিজৰ সন্তান লৈ উদ্যানলৈ আহিল। প্ৰথমে কুলশেখৰ পুতলাটোত বহিল আৰু অলপ সময়ত বতাহত ঘূৰি ফুৰিল। এগৰাকী দাসীৰ পুত্ৰ শ্বৰভেও সেই পুতলাত বহি চাবলৈ বাৰে বাৰে মাকক খাটনি ধৰিছিল। মাকে নিজৰ পুতেকক এইবুলি বুজাইছিল যে এগৰাকী দাসীৰ পুতেকে এনে আশা মনত পুহি ৰখা অনুচিত। গুণশেখৰে শ্বৰভৰ এই কথাবোৰ শুনাৰ পাছত শ্বৰভক ক'লে, "তুমিও মোৰ বয়সৰে ল'ৰা। তোমাৰ

এই ইচ্ছা মুঠেই অস্বাভাৱিক নহয়। দাদাই আহি মোক পুতলাটো দিয়াৰ পাছত তাত প্ৰথমে তুমিয়েই বহিবা আৰু উৰিবা।"

অসপ সয়মৰ পাছত কুলশেখৰে সেই যান্ত্ৰিক পুতলাটো ভায়েকক দিলে। তেতিয়া গুণশেখৰে শ্ৰৱভক তাৰ ওপৰত বহিবলৈ দিলে। কুলশেখৰে ইয়াত আপত্তি কৰিলে আৰু ক'লে যে ৰাজকুমাৰৰ পুতলাত দাসীৰ পুতেক বহা অনুচিত। মাক দেউতাক আৰু ককাকেও কুলশেখৰকে সমৰ্থন কৰিলে আৰু তেতিয়া গুণশেখৰে ক'লে, "শ্ৰৱভ ইয়াত বহা অনুচিত যদি মোৰো ইয়াত বহাৰ অধিকাৰ নাই। মই ইয়াত নবহোঁ। এই পুতলা বনোৱা গুৰু শম্ভুনাথৰ শিষ্য হম আৰু এনেকুৱা পুতলা নিৰ্মাণ কৰিম," এইবুলি কৈ গুণশেখৰ তৎক্ষণাৎ তাৰপৰা গুচি গ'ল।

শম্ভুনাথৰ নাম শুনিয়েই চন্দ্ৰশেখৰে ভাবিলে যে নিজৰ পুত্ৰক ৰাজোচিত বিদ্যা শিকাবলৈ তেওঁৱেই সবাতোকৈ উপযুক্ত ব্যক্তি হ'ব। তেও নিজৰ দুয়ো পুত্ৰকে গুৰু-কুলাশ্ৰমলৈ পঠিয়ালে। শম্ভুনাথে দুয়োকে আটাইবোৰ বিদ্যা শিকাবলৈ ধৰিলে। গুণশেখৰে ৰাজোচিত বিদ্যাসমূহৰ লগতে যান্ত্ৰিক পুতলা নিৰ্মাণ কলাও আয়ত্ব কৰিলে। এবছৰৰ ভিতৰতে তেওঁ নিজেই পক্ষীৰাজ গৰুড়ৰ এটা পুতলা সাজিলে। শ্ৰৱভক তালৈ মতাই আনিলে আৰু গৰুড় পক্ষীত বহি আকশত উৰাৰ ইচ্ছা পূৰণ কৰিলে। এই কথাত ককায়েকে আপত্তি কৰাত গুণশেখৰে ক'লে, "এইটো ৰাজকুমাৰৰ বাবে কোনোবাই তৈয়াৰ কৰা পুতলা নহয়। শ্ৰৱভৰ বাবে মই নিজেই এই পুতলা সাজিছো। গুণশেখৰৰ

কথা শুনি শম্ভুনাথে তেওঁক প্ৰশংসা কৰি ক'লে, "তুমি কোনো সাধাৰণ মানৱ নহয়। ভৱিষ্যতে তুমি মহান হ'বা।"

গুৰুকুলত কি কি ঘটি আছে, সেই সম্পৰ্কীয় সকলো খবৰ চন্দ্ৰশেখৰে পাই আছিল। দহ বছৰ বিদ্যাভ্যাস শেষ হোৱাৰ পাছত তেওঁ গুৰুকুললৈ গ'ল আৰু গুৰুক লগ ধৰি ক'লে, "কুলশেখৰৰ যি ৰাজলক্ষণ আছে, সেইখিনি গুণশেখৰৰ নাই। আপুনি এই কথাটো কেতিয়াবা মন কৰিছেনে?"

মিচিকিয়া হাঁহি মাৰি শম্ভুনাথে ক'লে, "কুলশেখৰ ভৱিষ্যতে দেশৰ ৰজা হ'ব। যিহেতু গুণশেখৰ ৰজা হোৱাৰ সম্ভৱনা নাই, সেয়েহে নিশ্চয় তেওঁ এনেকুৱা ব্যৱহাৰ কৰিছে।"

ৰাজধানীলৈ ঘূৰি অহাৰ পাছত চন্দ্ৰশেখৰে পিতাকক ক'লে, "যিহেতু গুণশেখৰৰ ৰজা হোৱাৰ অধিকাৰ নাই, সেয়েহে সম্ভৱ তেওঁ



নিজকে ইয়াৰ বাবে যোগ্য বুলি ভবা নাই। এইটো মোৰ বাবে অসহনীয় কথা। ৰাজ্যখন দুভাগত বিভক্ত কৰিলে দুয়ো ৰজা হোৱাৰ সুযোগ লাভ কৰিব।"

"এই ৰাজ্য আমি উত্তৰাধিকাৰী সূত্ৰে পাইছো। ইয়াৰ ওপৰত শাসন চলোৱাহে আমাৰ অধিকাৰ আছে। ইয়াক বিভাজিত কৰাৰ অধিকাৰ আমাৰ নাই। তুমি ইচ্ছা কৰিলে আন ৰাজ্য আক্ৰমণ কৰি গুণশেখৰক তাৰ ৰজা পাতিব পাৰা।" পিতাকে পৰামৰ্শ দিলে।

চন্দ্ৰশেখৰে পিতাকৰ পৰামৰ্শ ভাল পালে, তেওঁ প্ৰতিবেশী দেশ বিৰূপ আক্ৰমণ কৰাৰ প্ৰস্তুতি চলালে। এই কথা গম পাই গুণশেখৰে পিতাকক লগ ধৰি ক'লে, "বিৰূপ দেশৰ ৰজা আমাৰ শত্ৰু নহয়। যুদ্ধত দুয়োখন দেশৰে ক্ষতি হ'ব। মোৰ ৰজা হোৱাৰ কোনো আকাংখ্যা নাই। মোৰ বাবেই আপুনি এই অন্যায় কাৰ্যত লিপ্ত নহ'ব। চন্দ্ৰশেখৰে পুতেকৰ কথা মানি ল'লে আৰু যুদ্ধৰ প্ৰস্তুতি স্থগিত কৰিলে।

সেই সময়তে বিশাল দেশৰ ৰজা বীৰগুপ্তই তেওঁৰ একমাত্ৰ মৰমৰ কন্যা চন্দ্ৰকলাৰ স্বয়ম্বৰ ঘোষণা কৰিলে। কুলশেখৰে সেই স্বয়ম্বৰত ভাগ ল'ব খুজিলে, কিন্তু মাকে তেওঁক তালৈ যাবলৈ বাধা দিলে আৰু গুণশেখৰক যাবলৈ ক'লে। মাকে আশা কৰিছিল চন্দ্ৰকলাৰ সৈতে গুণশেখৰৰ বিবাহ সম্পন্ন হ'লে তেওঁ এদিন সেই দেশৰ ৰজা হ'ব। কিন্তু গুণশেখৰে মাকক ক'লে, "স্বয়ম্বৰত জয়লাভ কৰাটো মোৰ সামৰ্থৰ ওপৰত নিৰ্ভৰ নকৰে সেইটো নিৰ্ভৰ কৰিব চন্দ্ৰকলাৰ ইচ্ছা অনিচ্ছাৰ ওপৰত। মই এনেকুৱা কথা মুঠেই পছন্দ নকৰো।" এইবুলি কৈ তেওঁ যাবলৈ অস্বীকাৰ কৰিলে। কিন্তু এইবুলি কৈ কুলশেখৰ স্বয়ম্বৰলৈ যাবলৈ ওলাল যে "স্বয়ম্বৰ ৰাজোচিত প্ৰথা।"

সেই স্বয়ম্বৰত ভাগ ল'বলৈ দেশ বিদেশৰ পৰা ৰাজকুমাৰসকল আহিছিল। চন্দ্ৰকলাই বৰমাল্য লৈ স্বয়ম্বৰ মণ্ডপত উপস্থিত হোৱাৰ লগে লগে অকস্মাতে এজন যুৱক আগবাঢ়ি আহিল আৰু ক'বলৈ ধৰিলে, "মোৰ নাম মিত্ৰবিন্দ। মই এতিয়া, চন্দ্ৰকলাক মোৰ লগতে মহাপৰ্বতলৈ লৈ যাবলৈ ওলাইছো। আপোনালোকৰ মাজৰে কোনোবাই চন্দ্ৰকলাক লৈ যাব পাৰে যদি লৈ যাওক।" এইবুলি কৈ চন্দ্ৰকলাক লৈ তেওঁ স্বয়ম্বৰ সভাৰপৰা অদৃশ্য হৈ গ'ল।

ৰজা বীৰগুপ্ত অবাক হৈ গ'ল। তেওঁ সেই মুহূৰ্ততে ঘোষণা কৰিলে যে যি তেওঁৰ কন্যাক উদ্ধাৰ কৰি লৈ আনিব পাৰিব, তেওঁৰ লগতে মোৰ কন্যাৰ বিবাহ হ'ব আৰু তেওঁক মই মোৰ

গোটেই ৰাজ্য সমৰ্পণ কৰিম। এই ঘোষণা শুনাৰ লগে লগে তাত উপস্থিত সকলো ৰাজকুমাৰ মহাপৰ্বতলৈ যাবলৈ ওলাল। কিছু দিনৰ পাছত বিৰাগ দেশত এই খবৰ পোৱা গ'ল যে তালৈ যিমানবোৰ ৰাজকুমাৰ গৈছিল, তেওঁলোক সকলো মৰা পৰিছে। এইসকলৰ ভিতৰত কুলশেখৰো আছিল। মাক দেউতাক আৰু ককাকৰ হুকা বধা আওকাণ কৰি গুণশেখৰ তালৈ যাবলৈ ওলাল। তেওঁ প্ৰথমে গুৰুকুললৈ গ'ল, গুৰুক লগ ধৰিলে আৰু মিত্ৰবিন্দৰ বিষয়ে প্ৰয়োজনীয় কথাবোৰ জানি ল'লে। মিত্ৰবিন্দ বিশাল দেশৰ মন্ত্ৰীৰ পুতেক আছিল। চন্দ্ৰকলাক বিবাহ কৰি মহাৰাজ হোৱাৰ বাসনাৰে তেওঁ পোন্ধৰ বছৰৰ ভিতৰত কিছু মন্ত্ৰশক্তি শিকি ল'লে। মহাপৰ্বতত থাকি তেওঁ ৰুধিৰ ভৈৰৱীৰ উপাসনা কৰিবলৈ ধৰিলে। তেওঁৰ ইচ্ছা পূৰণ কৰিবলৈ ৰুধিৰভৈৰৱীয়ে এটা চৰ্ত দিলে। সেই চৰ্ত অনুসাৰে এশজন ৰাজকুমাৰক বলি দিব লাগিব। ইয়াৰ বাবে তেওঁ মন্ত্ৰী পুত্ৰক কিছু বিশিষ্ট শক্তিও প্ৰদান কৰিলে। ভূমিৰ ওপৰত কোনো সাধাৰণ মানুহ বা প্ৰাণীয়ে মিত্ৰবিন্দক মাৰিব নোৱাৰে। মনুষ্য নহৈয়ো যি মনুষ্য তেওঁহে ৰুধিৰ ভৈৰৱীৰ শূলেৰে মিত্ৰবিন্দক বধ কৰিব পাৰিব। গুৰুৰপৰা এই ৰহস্য জানি লৈ তেওঁৰ আশীৰ্বাদ পাই গুণশেখৰ মহা-পৰ্বতলৈ গ'ল।

তাত মিত্ৰবিন্দ আৰু চন্দ্ৰকলাক দেখা পোৱা গ'ল। গুণশেখৰে ৰুধিৰ ভৈৰৱীৰ মূৰ্ত্তিক প্ৰণাম কৰিলে, তেওঁৰ হাতৰপৰা শূল উলিয়াই ল'লে আৰু একেবাৰতে মিত্ৰবিন্দৰ শিৰচ্ছেদ কৰিলে। তাৰপাছত সেই মৃতদেহ ৰুধিৰ

ভৈৰৱীৰ চৰণত নিবেদন কৰিলে। তেতিয়া-লৈকে এশ বলিৰ বাবে আৰু এজনহে বাকী আছিল। মিত্ৰবিন্দৰ মৃত্যুত সেই এশ সম্পূৰ্ণ হ'ল। তৎক্ষণাৎ ৰুধিৰ ভৈৰৱী প্ৰত্যক্ষ হ'ল আৰু ক'লে, "তোমাৰ এই অদ্ভুত সাহস প্ৰশংসাৰ যোগ্য। কোৱা, কি বৰ লাগে?"

গুণশেখৰে হাতযোৰ কৰি ৰুধিৰভৈৰৱীক সেই এশ যুৱকৰ আটাইকৈ জীয়াই দিবলৈ অনুৰোধ কৰিলে যিসকলক বলি দিয়া হৈছিল। ভৈৰৱীয়ে সেই সকলোকে প্ৰাণ দান কৰি ক'লে, "গুণশেখৰ, সাধাৰণ মানুহ নহয়, কিন্তু এজন মানুহেই। সেই কাৰণেই তোমা-লোক সকলোৱে পুনৰ জীৱন লাভ কৰিলা। চন্দ্ৰকলাৰ সৈতে এওঁৰ বিবাহ হ'ব আৰু এওঁ বিশাল দেশৰ ৰজা হ'ব। তোমালোক সকলো সামন্ত ৰজা হৈ এওঁক চক্ৰবৰ্ত্তী বুলি মানি লৈ এওঁক সেৱা কৰিবা।"

বেতালে এই কাহিনীটো কৈ উঠি ৰজা বিক্ৰমাদিত্যক সুধিলে, “ৰাজন, প্ৰথমৰেপৰা গুণশেখৰৰ না ৰাজোচিত লক্ষণ আছিল না ৰজা হোৱাৰ তেওঁৰ আকাংখ্যা আছিল। তথাপি চন্দ্ৰকলাৰ সৈতে তেওঁৰ বিবাহ কৰোৱাই তেওঁক সম্ৰাট কৰাটো যুক্তিসংগত আছিলনে? আৰু তেওঁ নিজেওনো এই কথাটোত স্বীকৃতি দিলে কেনেকৈ? তেওঁ মনুষ্য নহৈয়ো এজন মহান মনুষ্য। এই কথাৰ গূঢ়াৰ্থ কি? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।”

বিক্ৰমাদিত্যই ক'লে, “গুণশেখৰৰ ৰাজোচিত গুণ নাছিল বুলি ক'লে ভুল কৰা হ'ব। তেওঁৰ ককায়েক কুলশেখৰ স্বয়ম্বৰত ভাগ ল'বলৈ আগতেই ওলাই আহিছিল। এনে অৱস্থাত ককায়েকৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেওঁৰ সমূলি ইচ্ছা নাছিল। তেওঁ বীৰগুপ্তৰ এই ঘোষণাৰ কথা শুনিছিল যে যি তেওঁৰ কন্যাক উদ্ধাৰ কৰিব, কন্যাক তেওঁলৈকে বিয়া দিব। এই কথা জানিও চন্দ্ৰকলাক বিয়া কৰিবলৈ অস্বীকাৰ কৰাটো অনুচিত কথা হ'ব। এতিয়া ৰাজলক্ষণৰ কথালৈ আহো। যাৰ এই লক্ষণ থাকে, তেওঁহে নায়ক হ'ব পাৰে। মানুহক সমান দৃষ্টিৰে চাব পৰা জনহে চক্ৰৱৰ্ত্তী হয়। দাসীৰ পুতেকৰ ইচ্ছা পূৰা কৰিবলৈ গুণশেখৰে যান্ত্ৰিক পুতলা নিৰ্মাণ বিদ্যা শিকিলে, কিয়নো তেওঁৰ অন্তৰে হাহাকাৰ কৰি উঠিছিল। কেৱল যুৱৰাণীক উদ্ধাৰ কৰাতেই নহয়। এশজন বীৰক পুনৰজীৱিত কৰিবলৈ, এজন দুষ্টৰ অত্যাচাৰ বন্ধ কৰিবলৈ গুণশেখৰে অভাৱনীয় সাহসৰ পৰিচয় দিছিল। সেয়েহে ৰুধিৰ ভৈৰৱীয়ে কৈছিল যে মনুষ্য হৈয়ো তেওঁ সাধাৰণ মনুষ্যৰ দৰে স্বাৰ্থ, লোভ আদিৰ চিকাৰ হোৱা নাছিল। তেওঁ প্ৰমাণ কৰি দেখুৱালে যে আশা মহান হ'লে কঠিন কামতো সফলতা লাভ কৰা অসম্ভৱ নহয়। আৰু ধীৰ স্থিৰ বীৰ গুণশেখৰে দেখুৱালে যে বিশাল জনস্বাৰ্থৰ সমুখত সংকীৰ্ণ স্বাৰ্থ বিফল হ'বলৈ বাধ্য। সেয়েহে তেওঁ চক্ৰৱৰ্ত্তী ৰজা হোৱাৰ সম্পূৰ্ণ যোগ্য।”

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ পুনৰ অদৃশ্য লৈ গ'ল আৰু সেই গছজোপাত ওলমি থাকিলগৈ।

আচৰিত বেমাৰ

সাৰঙ্গ নগৰত শেঠ আনন্দৰ গহনাৰ এখন ডাঙৰ দোকান আছিল। সেই দোকানখন তেওঁ ককাক আজুককাৰপৰা উত্তৰাধিকাৰী-সূত্ৰে লাভ কৰা নাছিল।

শৈশৱত তেওঁ নিজৰ মাক দেউতাকক হেৰুৱাইছিল। জীৱন নিৰ্বাহৰ বাবে তেওঁ এখন গহনাৰ দোকানত কামত সোমাইছিল। সততাৰে কাম কৰাৰ বাবে তেওঁ সেই দোকানখনৰ মালিকৰ বিশ্বাসভাজন হৈ উঠিছিল। দহ বছৰৰ ভিতৰতে তেওঁ নিজৰ মালিকৰ কথা কোৱাৰ পদ্ধতি, বেপাৰৰ দক্ষতা আৰু আন আন কৌশলবোৰ খুব সুন্দৰকৈ আয়ত্ব কৰি লৈছিল।

এদিন তেওঁ চাকৰি এৰি দিলে আৰু তেওঁ নিজে উপাৰ্জন কৰা ধনেৰে গহনাৰ এখন দোকান খুলিছিল। এই কামত তেওঁ সেই নগৰৰ সোণাৰীসকলৰপৰা সহায়ো লাভ কৰিছিল। বেপাৰ বাঢ়ি গৈছিল আৰু পাঁচ বছৰৰ ভিতৰ-তে সেই দোকানখন নগৰৰ ভিতৰতে বিখ্যাত হৈ উঠিছিল, সকলোৱে কৈছিল যে সেই দোকানত বিক্ৰী হোৱা গহনাই শ্ৰেষ্ঠ আৰু সেইবোৰত কোনো ভেজাল মিহলি কৰা নহয়।

এটা ধনী পৰিয়ালৰ কন্যা নাগাবলিৰ সৈতে তেওঁৰ বিবাহ হৈছিল। যৌতুকত কইনাই নিজৰ লগতে বহুত ধনও আনিছিল। সেই কাৰণে তেওঁ কাম কৰা মানুহবোৰৰ ওপৰত চকু ৰাখিবলৈ ল'লে। তেওঁ টকাৰে সোণৰ মুদ্ৰা কিনি সেইবোৰ লুকুৱাই থৈছিল।

নিজৰ স্বামীক খুব ভাল পাইছিল যদিও, নাগাবলিৰ দৃষ্টি যিহেতু ধনৰ ওপৰত কেন্দ্ৰীভূত আছিল সেয়েহে স্বামীক তেওঁ এখন্তেকো ঘৰত থাকিবলৈ নিদিছিল। ৰাতিপুৱাই স্বামীক উঠাই দিছিল আৰু স্নান, পূজা কৰাই তেওঁক দোকানলৈ পঠিয়াই দিছিল। দুপৰীয়া ভোজনৰ বাবেও তেওঁ স্বামীক ঘৰলৈ আহিবলৈ দিয়া নাছিল, বৰঞ্চ তেওঁ দোকানলৈকে আহাৰ পঠিয়াই দিছিল। তেওঁ বাৰে বাৰে স্বামীক কৈছিল, "এই যুগত কাকো বিশ্বাস কৰিব নোৱাৰি, সকলো চোৰ। সকলো সময়তে

ৰামেশ্বৰ শাস্ত্ৰী



সাৱধানে থকা উচিত। আমি যদি কিবা বিপদত পৰো তেন্তে আমাক সহায় কৰিব কোনে? কাম কৰা মানুহৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব, নহ'লে তেওঁলোকে আমাক প্ৰতাৰণা কৰিব।"

বেপাৰৰ প্ৰতি পত্নীৰ আগ্ৰহ দেখি প্ৰথমতে আনন্দ সুখী হৈছিল, কিন্তু সময় পাৰ হোৱাৰ লগে লগে পত্নীৰ কথাবোৰ তেওঁ সহ্য কৰিব নোৱৰা হ'ল। কিন্তু নিজৰ মনৰ কথা তেওঁ পত্নীক ক'ব নোৱাৰিলে। কেইদিনমানৰ পাছত তেওঁৰ আনন্দ একেবাৰে নাইকিয়া হ'ল আৰু এটা অকথ্য দুখে তেওঁক ঘেৰি ধৰিলে। এই বিষয়ে তেওঁ এবাৰ পত্নীকো ক'লে যদিও পত্নীয়ে সেই কথালৈ কাণষাৰ নকৰি তেওঁক ক'লে, "এইটো কেনেকুৱা আচৰিত বেমাৰ। গোটেই চহৰতে আপোনাৰ ডাঙৰ ব্যৱসায়ী বুলি খ্যাতি আছে, তথাপি এই উদ্বিগ্নতা কিয় । বাদ দিয়ক, সেইবোৰ অদৰ্কাৰী কথা, আপুনি দেখোন মোক কথা দিছিল যে নগৰত এখন আৰু দোকান খুলিব, যাৰ গৰাকী হম মই। কিয় পাহৰিলে নেকি?" নাগাবলিয়ে জানি শুনি কথা সলোৱাৰ উদ্দেশ্যে ক'লে।

আনন্দই তাৰ কোনো উত্তৰ নিদিলে। তেওঁ মনে মনে থাকিল।

এদিন সেইখন নগৰলৈ এজন সাধু আহিল। তেওঁ ভক্তসকলৰ সমস্যাবোৰ সমাধান কৰিছিল আৰু প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিছিল। এদিন আবেলি আনন্দই সাধুক দৰ্শন কৰিবলৈ গ'ল। সকলো ভক্ত যোৱাৰ পাছত আনন্দই সাধুক নিজৰ দুখৰ কাহিনী শুনাই ক'লে, "জীৱন নিৰ্বাহৰ বাবে যেতিয়া মই কাম কৰিছিলো তেতিয়া মই সুখী আছিলো। এতিয়া মোৰ সম্পত্তি নধৰা হৈছে, কিন্তু সেইবোৰ মোক আনন্দ দিব পৰা নাই।" দুখেৰে শেঠ আনন্দই কথাখিনি ক'লে।

সাধুৱে মনোযোগেৰে সকলো কথা শুনিলে আৰু ক'লে, "যিয়েই নহওক, জীৱনত ডাঙৰ মানুহ হওঁ, এইটো উৎসাহ সেই সময়ত তোমাৰ খুব বেছি আছিল। সেয়াই আছিল তোমাৰ আনন্দৰ উৎস। এতিয়া তোমাৰ কোনো লক্ষ্য নাই। আনক সহায় কৰিবলৈ চেষ্টা কৰা। তোমাৰ দোকানত কাম কৰা মানুহখিনিৰপৰাই তোমাৰ সেই প্ৰচেষ্টা আৰম্ভ হওক। আনৰ বাবে জীয়াই থাকিব পাৰিলে তাতকৈ আৰু বেছি আনন্দৰ কথা আন একোৱেই হ'ব নোৱাৰে। তেতিয়া তুমি নিজেই জীৱনৰ মাধুৰ্য উপলব্ধি কৰিব পাৰিবা।"

"মোৰ পত্নীয়ে এই কথাত কদাপি সন্মতি নিদিয়ে। তেওঁৰ মনত ধনৰ ভূত লম্ভিছে।" আনন্দই ক'লে।

"তুমি তোমাৰ পত্নীক বুজাব লাগিব যে জীৱনত ততোকৈয়ো বেছি মূল্যৱান বিষয় আছে। এনেকুৱা অভিজ্ঞতা লাভ কৰিবলৈ তেওঁক বাধ্য কৰিব লাগিব।

তুমি হ'লা বুদ্ধিমান ব্যৱসায়ী। তোমাৰ বাবে ই কোনো কঠিন আৰু অসম্ভৱ কাম নহয়। এই কথাটো খুব দকৈ চিন্তা কৰা আৰু ইয়াৰ বাবে এটা পথ বিচাৰি লোৱা।" সাধুৱে ক'লে।

"হয়, মই তাকেই কৰিম স্বামী" এইবুলি কৈ আনন্দই বিদায় ল'লে। সাধুৱে তেওঁক নিৰ্মালি দি আশীৰ্বাদ প্ৰদান কৰিলে।

সেই ৰাতি আনন্দ কেৱল পালেঙতে শুই থাকিল। তেওঁ পালেঙৰপৰা নুঠিলেই। ভয় খাই নাগাবলিয়ে বৈদ্যক মতাই আনিলে। বৈদ্যই পৰীক্ষা কৰিলে, কিন্তু কি হৈছে ধৰিব নোৱাৰিলে। ডাঙৰ ডাঙৰ বৈদ্যসকলৰদ্বাৰা পৰীক্ষা কৰোৱা হ'ল, কিন্তু কোনো লাভ নহ'ল। আনন্দৰ খোৱা বোৱাও কমি আহিল। স্বামী দুৰ্বল হৈ অহাত নাগাবলিয়ে বৰ ভয় খালে। তেওঁ শ্ৰদ্ধাৰে পূজা অৰ্চনা কৰিবলৈ ধৰিলে। নগৰৰ প্ৰতিটো মন্দিৰলৈ গৈ স্বামীৰ সুস্বাস্থ্যৰ বাবে তেওঁ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তথাপি আনন্দৰ অৱস্থাত কোনো পৰিৱৰ্তন নঘটিল। এই অৱস্থাৰ স্বামীক এৰি তেওঁ দোকানলৈ যোৱাটোও বন্ধ কৰি দিলে।

কেইদিনমানৰ পাছত নাগাবলিৰ খুৰাক তেওঁলোকক দেখা কৰিবলৈ আহিল। তেওঁ পৰামৰ্শ দিলে যে স্বামীক লৈ নাগাবলি তীৰ্থযাত্ৰাত গ'লেহে স্বামীৰ কল্যাণ হ'ব।

অসুস্থ স্বামীক লৈ তীৰ্থযাত্ৰাত যাবলৈ প্ৰথমতে নাগাবলিয়ে থেৰোগেৰো কৰিছিল। কিন্তু খুৰাকৰ কথা বিশ্বাস কৰি তেওঁ এজন ভৃত্য লৈ স্বামীৰ সৈতে তীৰ্থযাত্ৰাত ওলাল। তীৰ্থযাত্ৰাত যোৱাৰ আগতে তেওঁলোকে



দোকানৰ দায়িত্ব দোকানৰ কৰ্মচাৰীসকলৰ হাতত ন্যস্ত কৰিলে।

তিনি মাহ ধৰি চলা তীৰ্থযাত্ৰাত তেওঁলোকে বাহিৰৰ পৃথিৱী দেখিলে, বিভিন্ন ধৰণৰ মানুহ লগ পালে। মন্দিৰৰ ধৰ্ম আলোচনাত ভাগ ল'লে। স্বামীৰ স্বাস্থ্যৰ উন্নতি ঘটিল, লগতে তেওঁৰ মনটোও লাহে লাহে ভাল হৈ আহিল। ঘৰলৈ ঘূৰি আহি যেতিয়া তেওঁ দেখিলে যে গহনাৰ ব্যৱসায় আগতকৈয়ো ভালকৈ চলি আছে, তেতিয়া তেওঁ খুব সুখী হ'ল।

এদিন নাগাবলিয়ে স্বামীক ক'লে, "আমাৰ দোকানত কাম কৰা নৰসিংহই সময়মতে আমাৰ দোকানখন বৰ ভালকৈ চম্ভালিলে। আমাৰ তীৰ্থযাত্ৰাৰ সময়ত আমাৰ কৰ্মচাৰী-সকলে দোকানখন বৰ ভালকৈ চলালে।" স্বামীলৈ গাখীৰ এগিলাচ আগবঢ়াই দি নাগাবলিয়ে ক'লে।

কথা শুনি শেঠ আনন্দ বৰ আচৰিত হ'ল আৰু তেওঁৰ অপাৰ আনন্দ হ'ল। পত্নীৰ দৃষ্টিভংগীত হঠাতে এনে উদাৰতা দেখি তেওঁ অভাৱনীয় সন্তুষ্টি লাভ কৰিলে। তেওঁ অনুভৱ কৰিলে যে যি কাম তেওঁ নিজে কৰিব নোৱাৰিলে, তীৰ্থযাত্ৰাৰদ্বাৰা সেই কামেই সম্ভৱ হ'ল।

"আমাৰ হাতত কিমান যে ধন আছে। এতিয়া আমাক লাগে ভাল নাম, দয়া গুণ। মইতো ভাবিছিলো এইটো কেনে আচৰিত বেমাৰ। কিন্তু ই বেমাৰ নহয়েই। ধনৰ প্ৰতি মোহ নামৰ এই আচৰিত বেমাৰ মোৰহে আছে, আপোনাৰ নহয়।" পত্নীৰ কথা শুনি আনন্দৰ চকু উজ্জ্বলি উঠিল। তেওঁৰ মনৰ উদ্বিগ্নতা দূৰ হ'ল।

"আমি ভালে থাকিব লাগে, সুখেৰে থাকিব লাগে। লগতে তেওঁলোককো সুখেৰে ৰখা উচিত, যিসকলে আমাৰ বাবে কাম কৰে।" আনন্দই হাঁহি হাঁহি ক'লে।

বহুত দিনৰ মূৰত স্বামীৰ মুখত হাঁহি দেখি নাগাবলিৰ দুগালেদি আনন্দৰ অশ্ৰু বাগৰি আহিল।

তথাপি আনন্দই ঠিক কৰিলে যে তেওঁৰ বেমাৰৰ ৰহস্য ভেদ হ'বলৈ দিয়া নাযাব আৰু পত্নীক এইটোও জানিবলৈ দিয়া নহ'ব যে ইমানদিনে তেওঁ কিয় ভোকত আছিল, কিয় দুৰ্বল হৈ গৈছিল আৰু কিয় তেওঁ অসুস্থতাৰ নাটক কৰিবলগীয়া হৈছিল।

স্বৰ্ণ মন্দিৰ



তোমালোকে শিখ ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰতম তীৰ্থস্থল পঞ্জাবৰ অমৃতসৰৰ স্বৰ্ণ মন্দিৰৰ নাম নিশ্চয় শুনিছা। এতিয়া দক্ষিণ ভাৰততো এটা স্বৰ্ণ মন্দিৰ আছে। বিষ্ণুৰ পত্নী লক্ষ্মীৰ নামত উৎসৰ্গিত তামিলনাডুৰ ভেল্লোৰৰ ওচৰৰ শ্ৰীপুৰমত থকা এই মন্দিৰটোৰ কেৱল গৰ্ভগৃহৰ চাৰিওফালে থকা পথটোৰ বাহিৰে কেউফালে সোণৰ প্ৰলেপ আছে। যোৱা ২৪ আগষ্টত মন্দিৰটো ভক্তসকলৰ বাবে মুকলি কৰি দিয়া হয়। এই জাকজমকীয়া প্ৰলেপৰ বাবে ডেৰ টন সোণ ব্যৱহাৰ কৰা হৈছিল।

ঐতিহাসিক ৰেল দলঙ

ৰামেশ্বৰম দ্বীপৰ সৈতে মূল ভূমিক সংলগ্ন কৰা পাক প্ৰণালীৰ ওপৰেদি যোৱা বিখ্যাত পামবান ৰেল দলঙখন পুনৰ যাতায়তৰ বাবে মুকলি কৰি দিয়া হৈছে। ১৯১০ চনত এটা মিটাৰগজ লাইনৰ সৈতে এই দলঙখন নিৰ্মাণ কৰা হৈছিল। এতিয়া এটা ব্ৰডগজ লাইন থকা ২,০৬৫ মিটাৰ দীঘল এই দলঙৰ ওপৰেদি আগতকৈ ডাঙৰ ডবাবোৰে অধিক যাত্ৰী কঢ়িয়াই নিব পাৰিব।

এই দলঙখনত ১৪৬টা খুটা বা স্পান আছে। এই দলঙৰ মূল আকৰ্ষণ হ'ল দলঙৰ একাংশ জাহাজ পাৰ হৈ যাব পৰাকৈ "উঠাই দিব পৰা যায়।" দলঙৰ এই অংশটোৰ নাম দলঙখনৰ আৰ্হি তৈয়াৰ কৰা অভিযন্তা স্কেৰজাৰৰ নামেৰে নামকৰণ কৰা হৈছে। এই দলঙখন বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ ইউনেস্ক'ই প্ৰয়োজনীয় তথ্য আহৰণৰ কাম আৰম্ভ কৰিছে।

মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-৮

নিসন্দেহে ৰাস্কিন বণ্ড শিশুসকলৰ বাবে অগ্ৰণী লেখক। দুঃসাহসিক অভিযান, প্ৰকৃতি, ৰহস্য, ভ্ৰমণ আৰু চিকাৰ আদি বিষয়ৰ ওপৰত তেওঁ কাহিনী লিখিছে। তেওঁ নিজৰ প্ৰথম উপন্যাসখন লিখিছিল মাত্ৰ ১৭ বছৰ বয়সত, কিন্তু এইখন কিতাপে তেওঁলৈ কঢ়িয়াই আনিছিল সন্মানজনক জন লেৱেলিন ৰিজ বঁটা। তেওঁ সাহিত্য অকাডেমি বঁটা আৰু আইবিবিৱাইৰ ১৯৭৮ চনৰ এণ্ডাৰচন বঁটাও লাভ কৰিছে। তেওঁ ১৯৯৯ চনত পদ্মশ্ৰী সন্মান লাভ কৰে। বহু বছৰ ধৰি তেওঁ চান্দমামাৰ সম্পাদকীয় উপদেষ্টা হৈ আহিছে।

চন্দ্ৰত থকা সেই শহাপহু

বহুত দিনৰ আগৰ কথা। তেতিয়া জীৱ জন্তুবোৰে কথা ক'ব পাৰিছিল। এখন হাবিত চাৰিটা জ্ঞানী জন্তু বাস কৰিছিল-এটা সহাপহু, এটা শিয়াল, এটা উদ আৰু এটা বান্দৰ।

সিহঁত বৰ ভাল বন্ধু আছিল। প্ৰতিদিনা বিয়লি সিহঁতে হাবিত বহি দিনটোৰ ঘটনা-বোৰ লৈ পৰ্যালোচনা চলাইছিল, ইটোৱে সিটোক উপদেশ দিছিল আৰু ভাল কামৰ প্ৰস্তাৱ লৈছিল। এই চাৰিওটাৰ ভিতৰত সবাতোকৈ জ্ঞানী আৰু সৎ আছিল শহাপহু। সি মানৱ পুৰুষ আৰু মহিলাৰ শ্ৰেষ্ঠতাত বিশ্বাস কৰিছিল, আৰু তাৰ বন্ধুসকলক মানুহৰ ভাল গুণ আৰু প্ৰজ্ঞাৰ বিষয়ে কৈছিল।

এদিন গধূলি আকাশত আনদিনাৰ দৰে চন্দ্ৰ উদয় হ'ল। সেই সময়ত চন্দ্ৰৰ গাত কোনো দাগ নাছিল। চন্দ্ৰটোৰ ফালে শহাপহুৱে খুব একান্তমনে চলে। কিবা এটা ভাবি সি ক'লে, "কাইলৈ ভাল মানুহবোৰ উপবাসে থাকিব। কিয়নো মই ধৰিব পাৰিছো এইটো মাহৰ মাজৰ দিন হ'ব। সূৰ্যাস্তৰ আগলৈকে তেওঁলোকে একো নাখাব, আৰু দিনটো তেওঁলোকে তেওঁলোকৰ ওচৰলৈ অহা যিকোনো ভিক্ষাৰী বা পুণ্যাত্মাক দান দিব। আমিও একেটা কামকে কৰিবলৈ অংগীকাৰ কৰো আঁহা। সেই কাম কৰিলে আমি মৰ্যাদা আৰু প্ৰজ্ঞাত মানুহৰ সমকক্ষ হ'ব পাৰিম।" বাকীবোৰে সন্মতি দিলে আৰু তাৰপাছত সিহঁত ঘৰাঘৰি গ'লগৈ।

পাছদিনা উদটোৱে টোপনিৰপৰা উঠি এঙামুৰি দিলে আৰু পুৱাৰ আহৰ গ্ৰহণ কৰিবলৈ সাজু হ'ল। হঠাতে আগদিনা কৰা অঙ্গীকাৰৰ কথা তাৰ মনত পৰিল।

"মই যদি মোৰ কথা ৰাখো, আবেলিলৈকে মই যে কিমান ভোকাতুৰ হৈ উঠিম।" সি ভাবিলে। "মই নিশ্চিত কৰিব লাগিব যে উপবাস ভঙাৰ পাছত মোৰ ওচৰত যাতে খাবলৈ যথেষ্ট বস্তু থাকে।"

সি নৈৰ ফালে ওলাই গ'ল।

পুৱাই এজন মাছমৰীয়াই বহুত মাছ ধৰিছিল আৰু পিছত আহি লৈ যাম বুলি ভাবি মাছমৰীয়াই মাছখিনি বালিৰ এঠাইত পুতি থৈ গৈছিল। উদে মাছখিনিৰ গোন্ধ পালে।

সি নিজকে ক'লে, "আজি গধূলি বৰভোজ হ'ব। কিন্তু আজি যিহেতু এটা পবিত্ৰ দিন, মই চুৰ কৰা উচিত নহ'ব।" সি ডাঙৰকৈ চিঞৰিলে, "এই মাছখিনিৰ কোনোবা গৰাকী আছে নেকি?"

কোনো উত্তৰ নাহিল। উদে মাছখিনি ঘৰলৈ আনি গধূলি খাম বুলি একাষৰীয়াকৈ থ'লে। তাৰপাছত সি আগফালৰ দুৱাৰখন বন্ধ কৰি দিনৰ দিনটো শুই থাকিল। দান বিচাৰি কোনো ভিক্ষাৰী বা পুণ্যাত্মাই তাক আমনি নকৰিলে।

ৰাতিপুৱা শুই উঠি বান্দৰ আৰু শিয়ালেও একে কথাই চিন্তা কৰিলে। নিজৰ অঙ্গীকাৰৰ কথা সিহঁতৰ মনত পৰিল যদিও গধূলিলৈ পাবেমানে খাদ্য গোটাই ৰখাটো উচিত হ'ব বুলি ভাবিলে। এঘৰৰ পিছ চোতালত শিয়ালে অলপ গেলা মাংস পালে।

"আহ, সময় যোৱাৰ লগে লগে এইখিনি আৰু সোৱাদ হ'ব," এইবুলি ভাবি শিয়ালে গধূলি খোৱা যাব বুলি মাংসখিনি ঘৰলৈ লৈ আহিল। বান্দৰে আকৌ এজোপা আমগছত উঠি এসোপামান আম ছিঙি আনিলে। উদৰ দৰে শিয়াল আৰু বান্দৰেও দিনৰ দিনটো শুই থাকিবলৈ ঠিক কৰিলে।

শহাপহুৱে পুৱতি নিশাতে সাৰ পালে। তাৰ দীঘল কাণ দুখন জোকাৰি সি গাঁতৰপৰা বাহিৰ ওলাল আৰু নিয়ৰ পৰি থকা কোমল ঘাঁহবোৰ শুঙি চালে।

সি ভাবিলে, "গধূলি হোৱাৰ লগে লগে মোক লগা ঘাঁহখিনি খাব পাৰিম। কিন্তু যদি কোনোবা ভিক্ষাৰী বা পুণ্যাত্মা মোৰ ওচৰলৈ আহে মইনো তেওঁক দিম কি? মইতো তেওঁক

ঘাঁহ দিব নোৱাৰিম, আৰু দিবলৈ মোৰ আৰু বস্তু একোৱেই নাই। মই নিজকে আগবঢ়াই দিব লাগিব। বেছিভাগ মানুহেই মৃগপহুৰ মাংস খাই ভাল পায়। আমাৰ মাংস হেনো বৰ সোৱাদলগা।" মনত খেলোৱা বুদ্ধিটোৰ বাবে সি বৰ সকাহ পালে।

সেই সময়ত ওচৰৰে এটুকুৰা ডাৱৰত ভগৱানে বিশ্ৰাম কৰি আছিল। শহাপহুৰে ডাঙৰ ডাঙৰকৈ কোৱা কথাখিনি ভগৱানে শুনিলে।

"মই ইয়াৰ পৰীক্ষা লম। এটা শহাপহু ইমান সৎ আৰু পৰোপকাৰী হ'ব পাৰে বুলি মোৰ বিশ্বাস নহয়!" ভগৱানে ভাবিলে।

গধূলিৰ আগে আগে ভগৱান ডাৱৰৰপৰা নামি আহিল। তেওঁ এজন বৃদ্ধ পূজাৰীৰ ৰূপ ল'লে, তেওঁ আহি শহাপহুৰ গাঁতটোৰ ওচৰতে বহিলহি। শহাপশুটো দিনটোৰ ব্যস্ততাৰ অন্তত গাঁতৰ ওচৰলৈ অহাত তেওঁ ক'লে, "শুভ সন্ধ্যা, কণমানি শহা, তুমি মোক কিবা এটা খাবলৈ দিব পাৰানে? মই গোটেই দিনটো উপবাসে আছো, আৰু এতিয়া মোৰ ইমান ভোক লাগিছে যে মই আনকি প্ৰাৰ্থনাও কৰিব নোৱাৰো।"

নিজৰ প্ৰতিজ্ঞাৰ কথা মনত পেলাই শহাই ক'লে, "মানুহে বাৰু শহাৰ মাংস খাই খুব ভাল পাই বুলি মই শুনা কথাটো সঁচা নেকি?"

"একেবাৰে সঁচা," পূজাৰীজনে ক'লে।

শহাই ক'লে, "যদি কথা সেইটোৱেই, মোৰ আপোনাক দিবলৈ আন একোৱেই নাই, আপুনি মোৰ মাংসৰে এসাজ খাব পাৰে।"

"কিন্তু মই এজন পবিত্ৰ মানুহ, তাতে আজি পবিত্ৰ দিন, আৰু আজি মোৰ নিজ হাতেৰে কোনো জীৱকে বধ কৰিব নোৱাৰিম।"

"তেন্তে অলপ শুকান খৰি গোটাওক আৰু একুৰা জুই ধৰক। মই নিজে জুইৰ লেলিহান শিখাত জঁপিয়াই পৰিম আৰু মোৰ মাংস যেতিয়া সিজিব, আপুনি মোক খাব

চান্দমামা ভাৰত কুইজ-১১ (ডিচেম্বৰ ২০০৭)ৰ উত্তৰসমূহ

১.ভীমবাঈ চকপাল; ২.কস্তুৰবা আৰু মোহনদাস গান্ধী-১৮৬৯; ৩.ৰবীন্দ্ৰনাথ ঠাকুৰ; ৪. কমলাদেৱী চট্টোপাধ্যায়; ৫.বিৱোবা ভাবে।

চান্দমামা ভাৰত কুইজ-১১ (ডিচেম্বৰ ২০০৭)

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৱিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। পাঠকসকলৰ সুবিধাৰ্থে, কুইজ ১১ৰ উত্তৰবোৰ বেলেগে দিয়া হৈছে। চান্দমামা ভাৰত কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

পাৰিব।" ভগৱানে শহাৰ কথা শুনি আচৰিত হ'ল। তথাপি তেওঁ কথাখিনি বিশ্বাস কৰিবলৈ টান পালে। তেওঁ একুৰা জুইৰ ব্যৱস্থা কৰিলে। শহাটোৱে অলপো থেৰো-গেৰো নকৰাকৈ জুইত জঁপিয়াই পৰিল।

অলপ সময়ৰ পাছত শহাটোৱে ক'লে, "এয়া কি হৈছে? মোৰ চাৰিওফালে জুই। কিন্তু মোৰ নোম এডালো জ্বলি যোৱা নাই। বৰঞ, মোৰ ঠাণ্ডাহে লাগিছে!"

শহাপশুৱে কথা কৈ থাকোতেই জুইকুৰা নুমাই গ'ল আৰু সি নিজকে অলপ শীতল ঘাঁহৰ ওপৰত বহি থকা অৱস্থাত আৱিষ্কাৰ কৰিলে। আৰু সেই বৃদ্ধ পূজাৰীজনৰ ঠাইত থিয় হৈ আছে উজ্জ্বল জ্যোতিৰে জ্যোতিষ্মান স্বয়ঙ ভগৱান।

"হে কণমানি শহা, ময়েই ভগৱান, তোমাৰ প্ৰতিজ্ঞাৰ কথা শুনি মই তোমাক পৰীক্ষা ল'ব খুজিলো। এনে অতুলনীয় পৰোপকাৰৰ মনোভাৱ অমৰ হৈ থকা উচিত। গোটেই পৃথিৱীয়ে ইয়াৰ কথা জানিবই লাগিব।"

ভগৱানে তেওঁৰ প্ৰশস্ত হাতেৰে পৰ্বতৰ ওপৰৰপৰা কিবা যাদুকৰী সামগ্ৰী আনিলে। সেই বস্তুখিনি তেওঁ কিছু সময়ৰ আগতে উদয় হোৱা চন্দ্ৰৰ গালৈ ছটিয়াই দিলে। আৰু লগে লগে চন্দ্ৰপৃষ্ঠত এটা শহাপশুৰ ৰেখাচিত্ৰ দেখিবলৈ পোৱা গ'ল।

তাৰপাছত শহাটোক এটুকুৰা মিঠা ঘাঁহনিৰ ওপৰত বহুৱাই থৈ ভগৱানে ক'লে, 'হে কণমানি শহা, চিৰদিনৰ বাবে তুমি তলৰ পৃথিৱীলৈ চাই থাকি মানুহক মনত পেলাই থাকিবা, সেই শাশ্বত সত্যৰ কথা: আনক দিয়া, ভগৱানে তোমাক দিব।"

(এক বৌদ্ধ কিংবদন্তিৰ আলম লৈ)



সংবাদ বিচিত্ৰা

বুদ্ধই আকৰ্ষণ কৰিব অলিম্পিকৰ পৰ্যটক

চীনে ২০০৮ চনৰ অলিম্পিক গেম্‌চৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে সেই দেশৰ চিচুৱান প্ৰদেশত থকা বুদ্ধৰ সৰ্বোচ্চ প্ৰতিমূৰ্ত্তিটোও সজাই পৰাই তুলিবলৈ প্ৰচেষ্টা চলাইছে। বতৰ আৰু এচিড বৰষুণে কৰা ক্ষতিৰ বাবে প্ৰতিমূৰ্ত্তিটোত মেৰামতি কাৰ্য চলোৱাৰ খুবেই বেছি প্ৰয়োজন আছিল। এই মূৰ্ত্তিটোৰ নিৰ্মাণ কাৰ্য, টাঙ বংশৰ শাসনৰ কালছোৱাত ৭১৩ চনৰপৰা আৰম্ভ হৈ শেষ হ'বলৈ প্ৰায় ৯০ বছৰ লাগিছিল। লেশ্বান পৰ্বতত এই মূৰ্ত্তিটো আছে। মূৰ্ত্তিটোৰ পৰিষ্কাৰ কাৰ্য আৰু মেৰামতি ২০০১ চনত কৰা হৈছিল যদিও ইয়াৰ নাকটো ক'লা হৈ গৈছে আৰু গোটেই গাতে শেলুৱৈ ধৰিছে আৰু ক'লা দাগ পৰিছে। এই প্ৰতিমূৰ্ত্তি ইউনেস্ক'ৰ বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। লেশ্বানৰ প্ৰশাসনে যোৱা দহ বছৰত মূৰ্ত্তিটোৰ চাৰিওফালে সুন্দৰ প্ৰাকৃতিক শোভাৰ এলেকাৰ কালি ১৭ বৰ্গ কিলোমিটাৰলৈ বঢ়াই তুলিছে।

এশ বছৰৰ পাছত উৰিল ত্ৰিৰঙ্গ পতাকা

জাৰ্মানীৰ ষ্টুটগাৰ্টত আন্তঃৰাষ্ট্ৰীয় সমাজবাদী কংগ্ৰেছত ভাগ ল'বলৈ যোৱা ভাৰতৰ মেডাম ভিকাজী কামাই ১৯০৭ চনৰ ২২ আগষ্টত এখন ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰি তাত উপস্থিত সকলো লোককে স্বাধীন ভাৰতৰ পতাকা স্বৰূপে সেইখনক অভিবাদন জনাবলৈ আহ্বান জনাইছিল। এই মহীয়সী নাৰীগৰাকীৰ ১৯৩৬ চনত মৃত্যুৰ পাছত, পতাকাখন পুণেৰ লোকমান্য তিলক সংগ্ৰহালয়ত সযতনে থৈ দিয়া হৈছিল। এই পতাকাখন উলিয়াই আনি ২০০৭ চনৰ ২২ আগষ্ট তাৰিখে, এশ বছৰৰ পাছত, পুণেৰ বাল গংগাধৰ প্ৰেক্ষাগৃহত পুনৰ উত্তোলন কৰা হৈছিল। এই ত্ৰিৰঙ্গ পতাকাত আছিল আঠখন প্ৰদেশক প্ৰতিনিধিত্ব কৰা আঠজোপা পদুম আৰু হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত থকা একতাৰ প্ৰতীকধৰ্মী সূৰ্য আৰু চন্দ্ৰ।

মোৰ বেল্লোৰ... ক'কাৰে বেল্লুৰ...

তলৰ চিঞৰবোৰ আমি গোটেই জাকটো আবেলি ঘূৰি আহি একে সময়তে কথা পাতি-বলৈ লৈ কৰা হুলস্থূলতকৈয়ো বহুত বেছি হৈছে!

এতিয়ালৈকে মই এই চিঞৰ বাখৰৰ সৈতে অভ্যস্ত হ'ব লাগিছিল। কিয়নো এই ঋতুত এইটো তেনেই সাধাৰণ কথা।

আমাৰ ক'ল'নীত মতা মাইকীৰ ইটোৱে সিটোক আকৰ্ষণ কৰিবলৈ কৰা চিঞৰ বাখৰ আৰু তলৰ গাঁৱত বিয়াৰ বেণ্ড! আজি আমাৰ গছজোপাৰ তলতে এখন বিয়া হৈছে। মোৰ কণমানি পোৱালিকেইটা অস্থিৰ হৈ উঠিছে। পৃথিৱীলৈ অহাৰ প্ৰথম দিনটোতেই কিযে এক হুলস্থূলীয়া স্বাগতম।

তোমালোকে ইতিমধ্যে নিশ্চয় ধৰিব পাৰিছা যে মই এটা চৰাই। এজনী বৰ মৰমিয়াল ছোৱালী আৰু মোৰ আটাইতকৈ মৰমৰ বান্ধৱী মালুৱে কোৱা শুনিছো মানুহে হেনো আমাক স্পট বিল্ড্ পেলিকান বুলি কয়। এই সন্দৰ গাঁওখনতেই আমি থাকো ক'কাৰে বেল্লুৰ। গাঁওখন মাইচ'ৰৰ ওচৰতে কাৰণ মালু সঘনাই মাইচ'ৰলৈ গৈ থাকে।

প্ৰতি বছৰে ছমাহ সময় আমি ইয়াত কটাওঁ। ইয়াতেই পোৱালি জন্ম দিও, ডাঙৰ দীঘল কৰো আৰু তাৰপাছত পাছৰ ছমাহৰ বাবে আমাৰ গ্ৰীষ্ম চাৰণক্ষেত্ৰলৈ গুচি যাওঁগৈ। গ্ৰীষ্মকালীন ঘৰৰপৰা ইয়ালৈ আমি কৰা যাত্ৰা বৰ বিপদসংকুল, কিন্তু এবাৰ আমি ক'কাৰে বেল্লুৰ আহি পোৱাৰ লগে লগে আমি নিৰাপদ অনুভৱ কৰো।

এই ঠাইত বহুত ডাঙৰ ডাঙৰ তেতেলি আৰু নীম গাছ আছে। সেইবোৰত আমি বাহ সাজি ভাল পাওঁ। আমি আহি পোৱাৰ লগে লগে গাঁওবাসী আনন্দত মতলীয়া হয়। তেওঁলোকে আমাক সৌভাগ্যৰ বাৰ্তাবাহক বুলি জ্ঞান কৰে। আমি থকা গছবোৰ তেওঁলোকে কাকো কাটিবলৈ নিদিয়ে বা আমাক কোনো অপকাৰ কৰিবলৈ নিদিয়ে। কেতিয়াবা আনকি আমি বাহ সজা গছবোৰৰপৰা তেওঁলোকে তেতেলিও সংগ্ৰহ নকৰে। ইয়াৰ ফলত নিশ্চয় দুখীয়া গাঁওবাসীসকলৰ বহুত লোকচান হয় কিন্তু তেওঁলোকে আমৰ পোৱালিবোৰক অপকাৰ কৰিব নোখোজে।

তেওঁলোকে আমাৰ বিষ্ঠাও ব্যৱহাৰ কৰে। আমাৰ বিষ্ঠাক তেওঁলোকে গোৱান' বোলে আৰু সেইবোৰ হেনো তেওঁলোকৰ খেতি পথাৰৰ বাবে উত্তম সাৰ। মই বাৰু কৈছিলো নেকি যে ইয়াত আমি বৰ নিৰাপদ বুলি? মহি বহি থকা ডালটোৰ সমুখৰ ডালটোতে বহি থকা কাউৰীটোৰে গোটেই ৰাতিপুৱাটো মোৰ পোৱালিবোৰ চাই আছে। মই এটা মুহূৰ্ত্তৰ বাবেও যদি ইয়াৰপৰা লৰচৰ কৰো, তেন্তে মোৰ পোৱালিবোৰ সেই কাউৰীটোৰ ভোজ হ'ব। কালি মোৰ এটা প্ৰতিবেশী চৰাইৰ ঘৰত যি ঘটিছিল সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। সিহঁতৰ পোৱালিবোৰ আমাৰ কেইটাতকৈ কিছু ডাঙৰ আছিল। আৰু বাঢ়ি অহা আন যিকোনো পোৱালিৰ দৰে সিহঁতৰো খুব ভোক লাগিছিল। এটা ভোকাতুৰ ডাঙৰ পৰিয়ালৰ বাবে এজন অভিভাৱকেনো পৰ্যাপ্ত খাদ্য আনে কেনেকৈ?

কালি দুয়োজন অভিভাৱকে পোৱালি-কেইটা অকলে এৰি থৈ মাছ ধৰিবলৈ গৈছিল। চোঁ মাৰি আহিল এটা দুষ্ট কাউৰী আৰু সি লৈ গ'ল তাৰে এটা পোৱালি। গোটেই বাহটো জোকাৰ খাই উঠিল আৰু বাকীকেইটা পোৱালি তলত পৰি গ'ল। তলত ৰৈ থকা লুভীয়া কুকুৰ কেইটামানে চকুৰ পচাৰতে সিহঁতক জুতি লগাই খালে। পৰিয়াল-টোলৈ আন্ধাৰ নামি আহিল।

বহু বছৰৰ আগতে ঘটা এনেকুৱা এটা ঘটনাই মোক মোৰ মানৰ বান্ধৱী মালুৰ ওচৰ চপাই আনিছিল। মই বাৰু তোমালোকক কৈছোনে যে আজি আমাৰ গছজোপাৰ তলতে তাইৰে বিয়া হৈছে।

অ' পাহৰিছোৱেই, বহু বছৰৰ আগতে এটা কাউৰীয়ে মোক আক্ৰমণ কৰোতে মোৰ কি দশা হৈছিল সেই কথা কৈছো শুনা। মই ইমানেই সৰু আছিলো যে মই আনকি উৰিবও নোৱাৰিছিলো। মই মাটিলৈ সৰি পৰিলো। মোৰ বৰ ভয় লাগিছিল।

মুখ মেলি লুভীয়া দৃষ্টিৰে মোৰ ফাললৈ অহা কুকুৰবোৰ মোৰ চকুত পৰিছিল। মোৰ হৃদযন্ত্ৰ প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছিল। তেনেতে কোনোবাই মোক মাটিৰপৰা তুলি লৈছিল।

তোমালোকে স্পটবিল্‌ড্‌ পেলিকান শব্দদুটা উচ্চাৰণ কৰিবলৈ লগা সময়তকৈ কম

সময়ৰ ভিতৰতে মই দুটা মৰমলগা, অশ্ৰুসিক্ত চকুলৈ থৰলাগি চাই আছিলো। তেওঁৰেই আছিল মালু! সেইদিনা মালুৱেই মোক কুকুৰৰ মুখৰপৰা ৰক্ষা কৰিছিল।

মালুৱে মোক লৈ গৈছিল মনু নামৰ এজন সবল সুঠাম ডেকাৰ ওচৰলৈ। কেইদিনমান আগতে তেওঁ গাঁওখনলৈ আহিছিল, চৰাই আৰু মানুহৰ মাজত থকা এই অনন্য সম্পৰ্কৰ কথা জানিবলৈ। মোৰ ঘাবোৰ ধুই দিয়াত আৰু মোক খাবলৈ দিয়াত তেওঁ মালুক সহায় কৰিছিল। মই ইমানেই দুৰ্বল আছিলো যে চকু দুটাও মেলিব নোৱাৰিছিলো। মই সেয়েহে সেইবোৰ আঁতৰাই পঠিয়াইছিলো।"

তেওঁ কৈছিল ক'কাৰে বেল্লুৰ হেনো এখন বিশেষ গাঁও, "কিন্তু ভাৰতত এনে বহুতো গাঁও আছে যি তেওঁলোকৰ গছত বাহ পাতি বহা চৰাইবোৰৰ যত্ন লয়।"

মালুৱে তেওঁক সুধিছিল, "এনেকুৱা পোৱালিৰ বাবে আমি কি কৰিব পাৰো?" অলপ সময় মৌন হৈ থাকি মনুৱে কৈছিল, "তোমালোকে এখন অনাথ আশ্ৰম আৰু হস্পিটেল আৰম্ভ নকৰা কিয়?"

এতিয়া এই গাঁৱত আমাৰ বাবে এখন অনাথ আশ্ৰম আৰু হস্পিটেল আছে। ডেকা গাভৰুৱে ইয়াক পৰিচালনা কৰে। আজি মালু বিয়া হৈ দূৰলৈ যাবলৈ ওলাইছে, কিন্তু মই জানো এই অনাথ আশ্ৰম চলি থাকিব।

মই এতিয়া গৈ চাবই লাগিব মালুকনো কইনাৰ ৰূপত কেনে লাগিছে। কালি তাই মোক চাবলৈ আহিছিল। আমি ইটোৱে সিটোৰ মুখলৈ চাইছিলো আৰু আমাৰ চকুৱেদি চকুপানী ওলাই আহিছিল। তাই কৈছিল তাই হেনো বহু দূৰলৈ যাবলৈ ওলাইছে... বহুত দূৰ, আগ্ৰালৈ আৰু তাই কেতিয়া ইয়ালৈ আহিব সেই কথা হেনো তাই নিজেই নাজানে। মোৰ যে কিমান কথা তাইক ক'বলৈ মন গৈছিল, কিন্তু মই জানো তাই মোৰ কথা বুজি নাপাব।

মই ক'ব খুজিছিলো, কেতিয়াবা তাই আমাক ওপৰেদি উৰি যোৱা দেখিব পাৰে।

অ' অলপ ৰ'বাচোন... মালুৱে কি কৈছিল, আগ্ৰা? হু... ইয়াৰপৰা আমি সেইখন ঠাইলৈকে নাযাম জানো... ভাৰতপুৰ নামৰ সেই সুন্দৰ জলাহভূমিৰ ওচৰতে এই আগ্ৰা নহয় জানো?

আচলতে, আমাৰ পোৱালিবোৰ ডাঙৰ হ'লে আমি এই ভাৰতপুৰলৈকে যাম।

মই মালুক ক'বই লাগিব... মই তাইক ক'বই লাগিব যে আমি আকৌ লগ হ'ম... খুব সোনকালে।

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা-৫

মৃত্যুৰ দুৱাৰডলিৰপৰা

এদিন ঔৰংজেৱে মহাৰাজ জছৱন্ত সিংহৰ সৈতে উদ্যানত টহল দি থাকোতে ক'লে, "ইমান ভয়ংকৰ বাঘ ইয়াৰ আগতে আপুনি ক'ৰবাত দেখিছেনে?" এইবুলি কৈ তেওঁ এটা পিঞ্জৰা দেখুৱালে য'ত এটা বাঘ আছিল।

"আমাৰ জন্মভূমিৰ সৰু সৰু ল'ৰায়ো এনে বাঘৰ লগত খেলা কৰে।" এইবুলি কৈ তেওঁ অলপ দূৰত থিয় হৈ থকা নিজৰ পুত্ৰ পৃথ্বীসিংহক মাতি বাঘটোৰ লগত যুদ্ধ কৰিবলৈ ক'লে। যোল্ল বছৰীয়া যুৱক পৃথ্বীসিংহই বৰ সাহসেৰে পিঞ্জৰাত সোমাই বাঘটোৰ ওপৰত জঁপিয়াই পৰিল। অলপ সময়লৈকে তেওঁ বাঘটোৰ লগত যুদ্ধ কৰি থাকিল আৰু শেষত কঁকালৰপৰা খঞ্জৰ উলিয়াই বাঘটোৰ বুকুত ভৰাই দিলে।

ঔৰংজেৱ অবাক হ'ল। এনেকুৱা কিবা এটা হ'ব পাৰে বুলি তেওঁ ভাবিবও পৰা নাছিল। তেওঁ নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে। ঔৰংজেৱে পেটে পেটে বৰ ভয় খালে। পুতেকেই ইমান সাহসী যেতিয়া পিতাকতো আৰু সাহসী হ'ব নিশ্চয়! এই চিন্তাই তেওঁক উদ্বিগ্ন কৰি তুলিলে।

জছৱন্ত সিং, মাৰৱাড়ৰ (এতিয়াৰ যোধপুৰ) ৰজা আছিল। ৰাজ্যখন ৰাজস্থানৰ থৰ মৰুভূমিৰ লগতে লগা আছিল। মাৰৱাড়ৰ অৰ্থ হ'ল মৰণ ভূমি। মানুহৰ বসতিৰ বাবে এই ঠাই বৰ অসুবিধাজনক আছিল। ইয়াত পানীৰ বৰ অভাৱ আছিল। ইয়াত বালিময় মাটিৰ ৰূপেই সলনি কৰি দিয়া বতাহ আহিছিল। বেছিভাগ সময়তে ইয়াত দুৰ্ভিক্ষৰ সৃষ্টি হৈছিল। তথাপি ইয়াৰ বীৰ শাসকসকলে নিজৰ মাতৃভূমিৰ ৰক্ষাৰ বাবে বহুত যুদ্ধত লিপ্ত হৈছিল, কিয়নো তেওঁলোকে মাতৃভূমিক নিজৰ প্ৰাণতকৈয়ো বেছি ভাল পাইছিল।

মাৰৱাড়ৰ শাসক জছৱন্ত সিংহ অসাধাৰণ পৰাক্ৰমী আছিল। কিন্তু কেতিয়াবা নিজ স্বাৰ্থৰ বাবে তেওঁ পৰম মিত্ৰকো হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। এই কথাৰ বাবে তেওঁৰ বদনামো আছিল। তেওঁ ঔৰংজেৱৰ বাবে বিপদ হৈ উঠিছিল। সেই ৰাজপুত ৰজাক বধ কৰিবলৈ ঔৰংজেৱে বহুত প্ৰচেষ্টা চলাইছিল, কিন্তু তেওঁ বিফল হৈছিল। এবাৰ শেষ মুহূৰ্ত্তত তেওঁক প্ৰতাৰণা কৰি জছৱন্ত সিংহ সুৰক্ষিত স্থানলৈ পলাই গৈছিল। মৃত্যুৰ মুখৰপৰা তেওঁ বাচি আহিছিল।

মাৰৱাড়ৰ ৰজাক মাৰিবলৈ মোগল বাদশ্বাহে বহুত ষড়যন্ত্ৰ কৰিছিল। সেইবোৰ ষড়যন্ত্ৰ বিফল কৰি আহিছিল ৰজাৰ বিশ্বস্ত মুকুন্দ দাসে। তেওঁ কুম্পাৱত বংশৰ নায়ক আছিল, ঔৰঙজেৱে এবাৰ এটা বাৰ্তা পঠিয়াইছিল যদিও তেওঁ কেৰেপেই কৰা নাছিল, যাৰ বাবে বাদশ্বাহৰ তেওঁৰ ওপৰত খঙ উঠিছিল। প্ৰতিশোধ ল'বলৈ বাদশ্বাহে এটা ভাল সুযোগ পালে। শাস্তি দিয়াৰ অজুহাতত তেওঁক ভোকাতুৰ বাঘৰ পিঞ্জৰাত সোমাই যুদ্ধ কৰিবলৈ কোৱা হ'ল।

মুকুন্দ দাসে নিৰ্ভয় হৈ তাত প্ৰবেশ কৰিলে। বাঘে যেতিয়া তেওঁলৈ থৰ লাগি চাইছিল তেতিয়া তেওঁ কৈছিল, "হেৰা' বাঘ, এই জছৱন্ত বাঘৰ মুখামুখি হৈ চাচোন, ভালকৈ এসেকা দিম।" আৰু ক্ৰোধান্বিত চকুৰে তালৈ চাই থাকিল। আগন্তুকৰ বিচিত্ৰ ব্যৱহাৰ দেখি সচকিত বাঘ মূৰ তললৈ কৰি পিছ হুহকি গ'ল। "মোৰ মুখামুখি হোৱাৰ সাহস তাৰ নাই। যি শত্ৰুৰ মুখামুখি নহয়, তেওঁৰ সৈতে যুদ্ধ কৰাটো ৰাজপুত নীতিৰ পৰিপন্থী। এনে কাম কৰা ৰাজপুত বীৰ বুলি কোৱাৰ যোগ্য নহয়।" এইবুলি কৈ মুকুন্দ দাস বাহিৰ ওলাই আহিল।

তেওঁৰ সাহস দেখি সচকিত ঔৰঙজেৱে তেওঁক মূল্যৱান উপহাৰ দিলে আৰু আদৰ সৎকাৰ কৰি পঠিয়াই দিলে। তেতিয়াৰেপৰা মুকুন্দ দাসৰ নাম নাহাৰখান (বাঘ ৰজা) ৰখা হ'ল। এনে অদ্বিতীয় বীৰ জছৱন্ত সিংহৰ ৰক্ষা কৱচ আছিল, সেয়েহে ঔৰঙজেৱে তেওঁক মাৰিব পৰা নাছিল। অনেক চেষ্টা কৰিও তেওঁ সফল হ'ব পৰা নাছিল। তেওঁৰ আটাইবোৰ ষড়যন্ত্ৰ ব্যৰ্থ হৈছিল। সেই কাৰণে তেওঁ বন্ধুত্বৰ হাত আগবঢ়ালে। জছৱন্ত সিংহক নিজৰ সেনাবাহিনীৰ সেনাপতি পাতি বিদ্ৰোহীসকলক দমন কৰিবলৈ কাবুললৈ পঠিয়ালে।

সেয়া যিহেতু বাদশ্বাহৰ হুকুম আছিল সেয়েহে, জছৱন্ত সিংহই না কৰিব নোৱাৰিলে। ৰাজ্যৰ শাসনভাৰ তেওঁৰ বৰ পুত্ৰ পৃথ্বীসিংহৰ হাতত ন্যস্ত কৰি নিজৰ পৰিয়ালৰ কেইজনমান সদস্য আৰু বিশ্বাসভাজন মিত্ৰ লগত লৈ তেওঁ কাবুললৈ গ'ল। সোনকালেই তেওঁক সেই প্ৰান্তৰ গৱৰ্ণৰ ঘোষণা কৰা হ'ল।

ঔৰঙজেৱে এবাৰ মাৰৱাড়ৰ যুৱৰাজ পৃথ্বীসিংহক নিজৰ ৰাজসভালৈ মাতিলে। কেইবছৰমান আগতে এইজন যুৱকেই ভয়ংকৰ বাঘ এটাৰ ওপৰত জঁপিয়াই পৰি তাক হত্যা কৰিছিল। সেই সাহসী কামৰ বাবে বাদশ্বাহে তেওঁক এতিয়া প্ৰশংসা কৰিলে। আদেশ পোৱাৰ লগে লগে দুজন সৈনিকে এটা আকৰ্ষণীয় চোলা লৈ আহিল আৰু পৃথ্বীসিংহৰ গাত পিন্ধাই দিলে। পৃথ্বীসিংহ বৰ আনন্দ মনেৰে তাৰপৰা ওলাই গ'ল। কিন্তু

তেওঁৰ আনন্দ ক্ষণস্থায়ী প্ৰমাণিত হ'ল। অলপ সময়ৰ পাছত তেওঁৰ গোটেই শৰীৰ ফোঁহাৰে ভৰি গ'ল আৰু এঘন্টাৰ ভিতৰতে তেওঁৰ মৃত্যু হ'ল। ঔৰঙজেৱে পোনপটীয়াকৈ তেওঁৰ মুখামুখি হ'বলৈ সাহস কৰা নাছিল। সেয়েহে তেওঁ চোলাটোত বিষ সানি পৃথ্বীসিংহক হত্যা কৰিলে।

পুতেকৰ মৃত্যুৰ বাতৰি শুনি জছৱন্ত সিংহ বৰ উদ্বিগ্ন হৈ উঠিল। তেওঁৰ আৰু দুজন পুত্ৰৰ কাবুলতে মৃত্যু হৈছিল। কোনো উত্তৰাধিকাৰী নোহোৱাকৈ ১৬৭২ চনত তেওঁৰ নিজস্থানৰপৰা বহু দূৰত মৃত্যু ঘটে। শত্ৰুক সমূলে নাশ কৰাৰ পাছত ঔৰঙজেৱ বহুত আনন্দিত হ'ল আৰু মাৰুৱাড় নিজৰ অধীনলৈ আনিলে। তেওঁ তাৰ মন্দিৰবোৰ ধ্বংস কৰিলে। ৰাজভৱনৰ কোষাগাৰ লুণ্ঠন কৰিলে।

কিন্তু খুব সোনকালেই বাদশ্বাহে এটা আচৰিত খবৰ পালে, যিটো শুনি তেওঁ উদ্বিগ্ন হৈ উঠিল। জছৱন্ত সিংহৰ লগত কাবুললৈ যোৱা দুজন লোক ঘূৰি আহিছে। তাৰ ভিতৰত জছৱন্ত সিংহৰ গৰ্ভৱতী পত্নীও আছিল, যি কেইদিনমানৰ ভিতৰতে এটি পুত্ৰ সন্তান জন্ম দিলে। শিশু অজিত সিংহক ৰাজপুতসকলে নিজৰ ৰজা মানিবলৈ ধৰিলে আৰু শিশুটিক মাক দেউতাকৰ সৈতে স্বস্থলৈ লৈ আহিছিল। ঔৰঙজেৱে এই বিষয়ে খুব চিন্তা কৰিলে আৰু তেওঁক হত্যা কৰিবলৈ এটা নতুন ষড়যন্ত্ৰ ৰচিলে। শিশু অজিত সিংহৰ সৈতে গৃহভূমিলৈ ঘূৰি অহা ৰাজপুতসকলক ধুমধামেৰে স্বাগতম জনাবলৈ আয়োজন কৰিলে আৰু তেওঁলোকক দিল্লী দৰবাৰলৈ আহিবলৈ আমন্ত্ৰণ দিলে। তেওঁ সেই ৰাজপুত যোদ্ধাসকলক এইবুলি ক'লে যে যদি যুৱৰাজ অজিত সিংহক লালন পালন কৰাৰ দায়িত্ব তেওঁক দিয়া হয় তেন্তে তেওঁ মাৰৱাড় ৰাজ্য তেওঁলোকৰ হাতত গতাই দিব আৰু ইয়াত তেওঁৰ কোনো আপত্তি নাথাকিব। ৰাজপুতসকলে এই প্ৰস্তাৱ অস্বীকাৰ কৰিলে। ঔৰঙজেৱে তেওঁলোক আটাইকে বন্দী কৰিলে আৰু যুৱৰাজক মোগল সেনাৰ হাতত গতাই দিলে।

এতিয়া ৰাজপুত যোদ্ধাসকল বিপদত পৰিল। ৰাজ্যত একমাত্ৰ উত্তৰাধিকাৰী যুৱৰাজ অজিত সিংহক উদ্ধাৰ কৰাটোৱেই তেওঁলোকৰ একমাত্ৰ লক্ষ্য হৈ পৰিল। গোৱাকায় নামৰ এগৰাকী ধাইয়ে, ছদ্মবেশত ওলাই মুকুন্দ দাসৰ সহায়ত শিশু যুৱৰাজক পলোৱাই অনাত সফল হ'ল। মোগল সৈনিকে বাতে সন্দ



দহ কৰিব নোৱাৰে, তাৰবাবে তেওঁ নিজৰ পুতেকক সেই ঠাইত থৈ গুচি আহিল।

ৰাজপুত যোদ্ধা দুৰ্গাদাস ৰাঠোড় তৎক্ষণাৎ যুদ্ধৰ বাবে সাজু হ'ল। তাৰ আগতে ৰাজ-পৰিয়ালৰ সকলো স্ত্ৰী সেই কোঠাত সমৱেত হ'ল, য'ত বৃহৎ মাত্ৰাত বাৰুদ আছিল। তাত তেওঁ অগ্নি সংযোগ কৰিলে যাৰ বাবে ৰাজমাতাৰ বাহিৰে সকলোৱে অগ্নিত আহুতি দিবলগীয়া হ'ল।

জ্বলন্ত ভৱনৰপৰা বাহিৰ ওলাই আহি দুৰ্গাদাস ৰাঠোড়ে নিজৰ অনুচৰসকলক লগত লৈ মোগল সেনাৰ মুখামুখি হ'ল। শিশু যুৱৰাজক লৈ কিছুমান লোক পলাই গৈছিল, সেই কথাৰ উমান পাই কিছুমান মোগল সেনাই সেই লোকসকলক খেদি গ'ল, পিছে ৰাজপুতসকলে তেওঁলোকক আগবাঢ়িবলৈ নিদিলে আৰু সেইখিনি সময়ৰ ভিতৰতে গোৱাদায় শিশু যুৱৰাজক লৈ পলাল। তিনিশ ৰাজপুত বীৰে মোগল সেনাৰ লগত যুদ্ধ কৰিলে, তাৰে ভিতৰত এতিয়া কেৱল সাত জন ৰাজপুতহে জীয়াই থাকিলগৈ। শত্ৰু সেনা ক্ষিপ্ৰতাৰে আগবাঢ়ি গ'ল। ৰাজপুত-সকলে ভাবি উলিয়াব নোৱাৰিলে ৰাজমাতাক কেনেকৈ ৰক্ষা কৰিব পৰা যায়, দুৰ্গাদাসে নিজৰ তৰোৱাল ৰাজমাতাৰ হাতত তুলি দিলে। ৰাজমাতাই বিচাৰিছিল কোনো পৰিস্থিতিতে তেওঁ যাতে শত্ৰুৰ হাতত নপৰে। যেতিয়া আন কোনো উপায় নাথাকিল, তেতিয়া ৰাজমাতাই নিজৰ তৰোৱাল বুকুত বহুৱাই আত্মহত্যা কৰিলে। দুৰ্গাদাস, অৱশিষ্ট অনুচৰ-হঁতক লৈ তাৰপৰা পলাই সাৰিল।

ইফালে যুৱৰাজক বহুত দূৰৰ এটা পৰ্বতলৈ লৈ যোৱা হ'ল য'ত যুৱৰাজৰ যথাযথ সুৰক্ষাৰ ব্যৱস্থা হ'ল। যুৱৰাজ অজিত বিশ্বাসভাজন ৰাজপুতৰ মাজত ডাঙৰ দীঘল হ'বলৈ ধৰিলে। সোনকালেই ৰাজপুতসকলৰ মাজত এই খবৰ বিয়পি পৰিল যুৱৰাজ ক'ত ডাঙৰ দীঘল হৈ আছে। যেতিয়া যুৱৰাজৰ আঠ বছৰ বয়স হ'ল, তেতিয়া কেইজনমান নেতা তালৈ গ'ল আৰু তেওঁক লগ ধৰিলে। সকলোৱে লগ লাগি এইবুলি দৃঢ় সিদ্ধান্ত ল'লে যে মোগলৰ দাসত্বৰ শিকলিৰপৰা আমি নিজকে মুক্ত কৰিব লাগিব আৰু ইয়াৰ বাবে যুদ্ধৰ প্ৰস্তুতি চলোৱা উচিত। কম সময়ৰ ভিতৰতে তেওঁলোকে অনেক এলেকা নিজৰ অধীনলৈ আনিলে।

ঔৰঙজেৱ বৃদ্ধ হৈ আহিছিল। তেওঁ দেখিলে যে ৰাজপুত যোদ্ধাসকল বলৱন্ত হৈ আহিছে। বাদশ্বাহ ঔৰঙজেৱৰ ১৭০৭ চনত মৃত্যু হয়। অজিত সিংহ দুৰ্গাদাস আদিয়ে আক্ৰমণকাৰী-হঁতৰ কবলৰপৰা মাতৃভূমিক উদ্ধাৰ কৰিলে। যুৱৰাজ অজিত সিংহ মাৰুৱাড়ৰ ৰজা হ'ল।

(এ.কে.ডি.)

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৬

মেঘে গৰজিলে বৰষুণ দিবই

খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত এথেন্সত বাস কৰা খ্যাতনামা গ্ৰীক দাৰ্শনিক চক্ৰেটিচে তেওঁৰ গোটেই জীৱন উৎসৰ্গা কৰিছিল তেওঁ বাস কৰা চহৰখনৰ তৰুণ লোকসকলক শিক্ষা দিয়াৰ কামত, যাতে তেওঁলোকে সাধাৰণ জ্ঞান আৰু প্ৰজ্ঞা লাভ কৰিব পাৰে। তেওঁৰ কথা শুনাটো যিকোনো লোকৰ পক্ষেই ৰোমাঞ্চকৰ অভিজ্ঞতা আছিল। তেওঁৰ শিক্ষাদানৰ পদ্ধতিও অতুলনীয় আছিল।

প্ৰখ্যাত বাগ্মী বক্তা আৰু চিন্তাবিদ চিচেৰ'ৱে তেওঁৰ বিষয়ে কৈছিল, "তেওঁ সৰগৰপৰা পৃথিৱীলৈ দৰ্শন নমাই আনিছিল। "চিচেৰ'ৱে কোৱা এই কথাৰ অৰ্থ হ'ল, চক্ৰেটিচে দৰ্শনশাস্ত্ৰ এনেদৰে উপস্থাপন কৰিছিল যে তেওঁৰ শ্ৰোতাসকলে ইয়াক নিজৰ ব্যৱহাৰিক জীৱনৰ সৈতে মিলাই চাব পাৰে; তেওঁলোকৰ বাবে দৰ্শনশাস্ত্ৰ গধুৰ চিন্তাৰ একোটা বিষয়েই হৈ নাথাকে।

ক্ষমতাত থকা লোকসকলে এই মহান দাৰ্শনিকজনক চকুপাৰি দেখিব নোৱাৰিছিল। দৰাচলতে, দিনক দিনে তেওঁৰ প্ৰতি তেওঁলোকৰ ভয় বাঢ়ি আহিছিল। সাধাৰণ মানুহক সন্ত্ৰস্ত কৰি ৰাখিব পৰা বহুতো অন্ধ-বিশ্বাসৰ সহায় লৈ ৰাজনীতিবিদ আৰু পুৰোহিত সকলে নিজৰ প্ৰভুত্ব অব্যাহত ৰাখিছিল। কোনো নিয়ম বা আইন, যিমানেই নিষ্ঠুৰ বা স্বেচ্ছাচাৰী নহওক কিয়, তেওঁলোকে সেইবোৰ প্ৰত্যাহ্বান জনাব খোজা নাছিল। চক্ৰেটিচৰদ্বাৰা প্ৰভাৱান্বিত হৈ মানুহে তেওঁলোকৰ সমস্যাবোৰ নতুন দৃষ্টিৰে চালি জাৰি চাবলৈ শিকিছিল। তেওঁলোকে শাসকৰ কাৰ্যাৱলীৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰিছিল। এথেন্সৰ আকাশে বতাহে চিন্তাৰ এক নতুন ঢৌ দেখা গৈছিল।

শেষত শাসকসকলে দেশৰ তৰুণ নাগৰিকসকলক বিভ্ৰান্ত কৰা বুলি চক্ৰেটিচৰ বিৰুদ্ধে অভিযোগ আনিলে।

তেওঁক মৃত্যুদণ্ডৰে দণ্ডিত কৰা হ'ল। তেওঁক হেমলক নামৰ বিষাক্ত পানীয় পান কৰিবলৈ দিয়া হৈছিল। যেতিয়া তেওঁৰ চাৰিওকাষে বহি থকা শিষ্যসকল উচুপি উঠিছিল, তেতিয়া চক্ৰেটিচে তেওঁলোকক কৈছিল, "তোমা-লোক সোনকালেই মহানগৰীলৈ যাবা আৰু মই যাম এখন অজ্ঞাত ঠাইলৈ। কিন্তু মোক কোনে ক'ব পাৰিব কোনখন ঠাই উন্নততৰ-তোমালোক যাবলগীয়া ঠাইখন নে মই যাবলগীয়াখন!"

ইয়াত আমি গুৰুত্ব দিয়া কথাটো হৈছে চক্ৰেটিচৰ শান্ত সমাহিত আৰু স্থিতপ্ৰজ্ঞ গুণ। এদিন তেওঁ তেওঁৰ ঘৰৰ সমুখত এদল তৰুণ লোকৰ লগত বহি তেওঁলোকৰ প্ৰশ্নবোৰৰ উত্তৰ দি আছিল আৰু শিকাইছিল কেনেকৈ তেওঁলোকে নিজে নিজে চিন্তা কৰিব পাৰে। ঘন্টাৰ পাছত ঘন্টা পাৰ হৈ গ'ল। তেওঁৰ পত্নীয়ে তেওঁক বহুতবাৰ মাতিলে। পত্নীয়ে কৰি থকা কিবা ঘৰুৱা কামত চক্ৰেটিচৰ সহায়ৰ প্ৰয়োজন হৈছিল। কিন্তু সন্তগৰাকী তেওঁৰ আলোচনাত ইমানেই নিমগ্ন আছিল যে পত্নীয়ে তেওঁক মতাটো তেওঁ শুনিছিল যদিও আৰু কেবাবাৰো তেওঁ উঠিব খুজিছিল যদিও, তৰুণ শ্ৰোতাসকলে উত্থাপন কৰা সমস্যাৰ সমাধানত তেওঁ ইমানেই অভিভূত হৈছিল যে আলোচনা চলি থাকিল।

ইফালে পত্নীৰ চিঞৰ বাঢ়ি এটা সময়ত গাজনিৰ ৰূপ ল'লে। শেষত পত্নীয়ে খঙত একোনাই হৈ এবাল্টি পানী আনি চক্ৰেটিচৰ মূৰতে ঢালি দিলেহি। তেওঁৰ কেউকাষে থকা তৰুণ শ্ৰোতাসকল আচৰিত হ'ল আৰু তেওঁলোকৰ খুব খং উঠিছিল, কিন্তু চক্ৰেটিচে মিচিকিয়া হাঁহি এটা মাৰি তেওঁলোকক ক'লে, "মোৰ ল'ৰাহঁত, এটা জনপ্ৰিয় ধাৰণাও কেনেকৈ ভুল হ'ব পাৰে, এই ঘটনা তাৰেই প্ৰমাণ। তোমালোকে শুনিছা যে মেঘে বেছিকৈ গৰজিলে বৰষুণ নিদিয়ে। কিন্তু এতিয়া তোমালোকৰ কি অভিজ্ঞতা হ'ল। বেছিকৈ গৰজা মেঘে সঁচাকৈ বৰষুণ আনিব পাৰে। গতিকে আজি ইমানকে শিকি তোমালোক ঘৰাঘৰি যোৱাগৈ।"

শ্ৰোতাসকল হাঁহিত বাগৰি পৰিল। আকৌ তেওঁ আলোচনা আৰম্ভ কৰিলে। এইবাৰ লাজত মূৰ তললৈ কৰি তেওঁৰ পত্নীও বহি ল'লে।

চান্দমামা কুইজ-১

Co-sponsored by
Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি পঠিওৱাজনক দিয়া হ'ব* নগদ ২৫০ টকাৰ পুৰস্কাৰ।

নতুন বছৰৰপৰা, আমি কুইজৰ এটা নতুন শৃংখলা আৰম্ভ কৰিছো। এই মাহৰ বিষয় হ'ল ধৰ্মীয় আৰু বুৰঞ্জীমূলক প্ৰখ্যাত ঠাইবোৰ।

*এটাতকৈ বেছি আটাইবোৰ শুদ্ধ উত্তৰৰ প্ৰৱিষ্টি থাকিলে, এনে প্ৰতিগৰাকী সফল প্ৰতিযোগীক দিয়া হ'ব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা, ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পৰ্ণ ঠিকনা উল্লেখ কৰিবা; ৩.লেফাফাৰ ওপৰত লিখা **চান্দমামা কুইজ-১**; ৪.ফেব্ৰুৱাৰী ২৮, ২০০৭ ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব এপ্ৰিল ৩০, ২০০৮ সংখ্যাত।

১. পেলনীয়া সামগ্ৰীৰে ভৰপূৰ বাগিচাখন ক'ত আছে? মনত ৰাখিবা, সেইবোৰৰপৰা সুন্দৰ সামগ্ৰী তৈয়াৰ কৰা হৈছে।

২. এইটো আচলতে এটা মন্দিৰ নহয়, কিন্তু ধৰ্মীয় ভ্ৰাতৃত্বৰ নিদৰ্শন স্বৰূপে এটা মন্দিৰৰ স্থাপত্যত আছে এটা মন্দিৰ, গীৰ্জা আৰু এটা মচজিদৰ স্থাপত্যৰ সংমিশ্ৰণ। এই মন্দিৰ ক'ত আছে?

৩. এই জপনাখন ১৭০ ফুট ওখ আৰু মূল প্ৰবেশদ্বাৰ লৈকে ইয়াত মুঠতে ১২০টা পদক্ষেপ আছে। দাক্ষিণাত্য জয়ৰ স্মৃতিত এজন মুচলিম শাসকে এই জপনাখন সজাইছিল। এইখন চাবলৈ তুমি ক'লৈ যাব লাগিব?

৪. ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয় উদ্যানখন, এজন চিকাৰীৰ নামেৰে নামকৰণ কৰা হৈছে।যিজন পিছলৈ প্ৰকৃতি সংৰক্ষণবিদ হৈ উঠিছিল। তেওঁ কোন আছিল, আৰু এই উদ্যানখন ক'ত আছে?

৫. এটা ৫০০ বছৰীয়া পুৰণি মন্দিৰৰ ওচৰতে থকা এটা পুখুৰী ইয়াত থকা কাছবোৰৰ বাবে বিখ্যাত। এই কাছবোৰক শ্ৰদ্ধাৰে পূজা কৰা হয়। সিহঁতৰ নামেৰেই মন্দিৰটো নামকৰণ কৰ্য়া হৈছে। এই পুখুৰীটো আৰু এই মন্দিৰটোৰ নাম কি?

ফেঁচাৰ ভাষা

আকবৰক দেখিয়েই বীৰবলে গম পালে বাদশ্বাহে কি ভাবি আছে। অশ্বাৰোহীৰ পোছাক পিন্ধি থকা বাদশ্বাহে অস্ত্ৰাগাৰত থকা তৰোৱাল আৰু যাঠি খুব মনোযোগেৰে চাই আছিল। বীৰবলে মূৰ দোঁৱাই চালাম কৰিলে। সেই-সময়ত আকবৰৰ দৃষ্টি যিহেতু অস্ত্ৰৰ ওপৰত কেন্দ্ৰীভূত আছিল সেয়েহে অলপ সময়ৰ পাছত তেওঁ ক'লে, "বাহ, কিমান সুন্দৰ অস্ত্ৰ!" মনতে গুণগুণাই তেওঁ কথাখিনি ক'লে।

আকবৰে চিকাৰ কৰি বৰ ভাল পাইছিল। হৰিণাৰ মূৰেৰে ৰাজভৱন সজাই তেওঁ বৰ সন্তুষ্টি লাভ কৰিছিল। কিন্তু বীৰবলে স্বাধীনভাৱে জংঘলত ঘূৰি ফুৰা বন্য মৃগবোৰ চিকাৰ কৰা কথাটো সমূলি ভাল নাপাইছিল। তেওঁ নিজে চিকাৰ ক্ৰিয়াত ভাগ লোৱা নাছিল। তেওঁ অৱশ্যে এই কথা লৈ সদায় চিন্তা কৰিছিল যে বাদশ্বাহৰ চিকাৰৰ প্ৰতি থকা আসক্তি কেনেকৈ কম কৰিব পৰা যায়, ইয়াৰ বাবে তেওঁ এটা সুযোগৰ অপেক্ষাত আছিল।

"বীৰবল, মই কি কৰিবলৈ ওলাইছো তুমি জানানে বাৰু?" আকবৰে সুধিলে। বীৰবলে মিচিকিয়া হাঁহি মাৰি ক'লে, "আনৰ মনত কি চলি আছে সেই কথা জনাৰ বিদ্যাত মই অনভিজ্ঞ মহাৰাজ।"

"তুমি যে সেই বিদ্যাত বেছ পাৰদৰ্শী সেই কথা মই খুব ভালকৈ জানো। দেখিছা, ভাল ৰ'দ আৰু লগতে শীতল বতাহো ব'লি আছে। আজিৰ দিনটো চিকাৰৰ বাবে বৰ অনুকূল। কোৱা তোমাৰ অভিপ্ৰায় কি?" আকবৰে সুধিলে। "প্ৰভুৰ সুখেই আমাৰো সুখ," বীৰবলে বিনয়েৰে ক'লে।

"মই জানো যে চিকাৰৰ প্ৰতি তোমাৰ প্ৰচণ্ড ঘৃণা আছে। তুমি বৰ টেঙৰ মানুহ। সঠিক সময়ত আচৰিত কথা কোৱাৰ দক্ষতাত তুমি অতুলনীয়। কিন্তু এটা কথা মই নাজানো যে তুমি শাৰীৰিকভাৱে বলৱান

বাদশ্বাহ গৈ ওখ ওখ গছৰে ভৰা সমতল ভূমি পালেগৈ। দেখা গ'ল এটা বাঘ তেওঁৰ ফাললৈকে আহি আছে। বাঘটোৰ চকু ৰঙা হৈ আছিল। বাদ্যৰ ধ্বনিয়ে তাক ক্ৰোধান্বিত কৰি তুলিছিল। অস্ত্ৰ শস্ত্ৰ লৈ মানুহে যেতিয়া বাঘটোক ঘেৰি ধৰিলে তেতিয়া বাঘটো এক মুহূৰ্ত্তৰ বাবে ৰৈ গ'ল। পিছলৈ ঘূৰি যাবলৈ ৰাস্তা নাই। সকলো দিশতে প্ৰতিধ্বনিত হোৱাকৈ সি গুজৰি উঠিল। হাতোৰা মেলি, তীক্ষ্ণ দাঁত নিকটাই সি আকবৰৰ ফালে চোঁচা ল'লে।

আকবৰে যাঠী ওপৰলৈ উঠালে আৰু তাৰ মুখখন লক্ষ্য কৰি যাঠীপাত জোৰেৰে মাৰি পঠিয়ালে। যাঠী গৈ বাঘৰ মুখৰ ভিতৰত সোমোৱাত বাঘটো মাটিত বাগৰি পৰিল। তাৰ মুখৰপৰা ধাৰাসাৰে তেজ ব'বলৈ ধৰিলে। বাদশ্বাহ ঘোঁৰাৰপৰা নামিল আৰু খাপৰপৰা তৰোৱাল উলিয়াই বাঘটোৰ ফালে আগবাঢ়ি গ'ল। কিন্তু তৰোৱাল চলোৱাৰ প্ৰয়োজন নহ'ল, বাঘটো ছটফটাই মৰি থাকিল। ৰজাই বিজয় উৎসাহত নিজৰ হাত ওপৰলৈ কৰিলে। গোটেই দলটোৱে আনন্দতে চিঞৰি উঠিল, "আল্লাহো আকবৰ।"

আবেলিলৈকে বাদশ্বাহে আৰু এটা বাঘ মাৰিলে। সকলো লোক আৰাম কৰিবলৈ এটা সৰোবৰৰ পাৰলৈ গ'ল। আহাৰ গ্ৰহণ কৰি

হয়নে নহয়। তুমি যদি মোৰ সৈতে চিকাৰত ওলোৱা তেন্তে সেই কথাও মই জানিব পাৰিম।" আকবৰে মিচিকিয়া হাঁহি মাৰি ক'লে।

মূৰ দোঁৱাই বীৰবলে ক'লে, "বাদশ্বাহৰ আদেশ পালন কৰা হ'ব।"

বীৰবলক লগত লৈ আকবৰে পৰিয়াল আৰু সেনাসহিতে চিকাৰ কৰিবলৈ ঘোঁৰাৰ ওপৰত উঠি ওলাই গ'ল। নগৰ পাৰ হোৱাৰ এঘন্টা পাছত তেওঁলোক গৈ জংঘলত প্ৰবেশ কৰিলে।

জংঘলত বাদশ্বাহৰ সৈনিকসকলে বিভিন্ন ধৰণৰ শব্দ প্ৰতিধ্বনিত কৰিলে আৰু বাদ্য বজালে যাৰ ফলত বন্য মৃগবোৰে ভয়তে নিজৰ ঠাইৰপৰা পলাই গ'ল। গোটেই জংঘল মুখৰিত হৈ উঠিল। চৰাইবোৰ উৰি গ'ল, জোপোহাত লুকাই থকা শহা, হৰিণ আদি সাধু প্ৰাণীবোৰ ভয়তে ইফালে সিফালে পলাই যাবলৈ ধৰিলে। ৰাজ পৰিয়ালৰ লোকসকলে সেইবোৰ খেদি গ'ল।

উঠি আকবৰে ক'লে, "ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য মোৰ বৰ ভাল লাগিছে। ইয়াতে অলপ সময় আৰু থাকিম।" তাৰ পাছত তেওঁ পৰিয়ালৰ লোকসকলক তাৰপৰা যাবলৈ আদেশ দিলে। তেওঁ বীৰবলক সুধিলে, "তুমি মোৰ লগত থাকিব পাৰানে?" বীৰবলে মূৰ দোঁৱাই চালাম কৰি ক'লে, "হয়, নিশ্চয় থাকিম।"

দুয়ো এজোপা গছৰ তলত বহিল। সূৰ্যাস্তৰ সময় হৈছিল আৰু লাহে লাহে অন্ধকাৰ নামি আহিছিল। মাজে সময়ে চৰাইৰ কলৰৱ শুনা গৈছিল। ঠাইখনৰ পৰিৱেশ প্ৰশান্ত আৰু গম্ভীৰ আছিল। কিছুসময়ৰ পাছত ফেঁচাবোৰে এটাৰ পাছত আনটোকৈ চিঞৰিবলৈ ধৰিলে। আকবৰে কাণ থিয় কৰি ক'লে, "মই ফেঁচাৰ কথা বুজি নাপাওঁ। মই নাজানো সিহঁতে নিজৰ মাজতে কি কথা পাতিছে। আমাক লৈয়েই কিবা ধেমালি কৰা নাইতো!"

"মই সিহঁতৰ ভাষা বুজি পাওঁ প্ৰভু। সিহঁতে নিজৰ মাজতে কি কথা পাতিছে মই বাৰু কওঁ নেকি?" বীৰবলে সুধিলে।

"তেন্তে পলম কিহৰ? সিহঁতৰ ভাষা জানাই যদি কোৱা আকৌ," আকবৰে ক'লে।

"প্ৰভু, সিহঁতে নিজৰ মাজতে যৌতুকৰ কথা লৈ আলোচনা কৰিছে। দৰাৰ বাপেকে যৌতুকত এনে চল্লিছখন জংঘল বিচাৰিছে য'ত জন্তু নাথাকেই। কইনাৰ বাপেক ফেঁচাটোৱে কৈছে সি হেনো এনেকুৱা বিছখন জংঘলহে দিব পাৰে।" বীৰবলে ক'লে।

"তেতিয়া আন এটা ফেঁচাই চিঞৰিলে। তাৰপাছত ছোৱালীৰ বাপেক ফেঁচাই ক'লে যে দৰাপক্ষ আৰু ছসপ্তাহ ৰ'লে আৰু বিছখন জংঘল দিব পৰা যাব য'ত জন্তু নাথাকে।" বীৰবলে বুজাই দিলে।

"এইটো কেনেকৈ সম্ভৱ? এটা মাত্ৰ ফেঁচাই বিছখন জংঘলৰপৰা আটাইবোৰ জন্তু কেনেকৈ খেদি পঠিয়াব?" আকবৰে সুধিলে।

"আপুনি সহায় কৰিব বুলি আশা কৰিয়েই কইনাৰ বাপেকে এন প্ৰতিশ্ৰুতি দিছে," বীৰবলে ক'লে।

"তুমি কি ক'ব খুজিছা?" বাদশ্বাহ গৰজি উঠিল।

"প্ৰভু, আপুনি যেতিয়া এবাৰ চিকাৰলৈ আহে তেতিয়া দুই তিনিখন জংঘল খালী হৈ যায়। কইনাৰ বাপেকে সেইবুলি কৈছে। অহা

ছমাহৰ ভিতৰত হেনো আপুনি কমেও বিছবাৰ চিকাৰ কৰিবলৈ ইয়ালৈ আহিব। এই আশা লৈয়েই কইনাৰ বাপেকে এই প্ৰতিশ্ৰুতি দিছে।" বীৰবলে ক'লে।

বীৰবলৰ কথা শুনি আকবৰ অলপ সময় মৌন হৈ থাকিল আৰু তাৰপাছত ক'লে, "তুমি বৰ ভাল কথা ক'লা বীৰবল। তুমি মোৰ চকু খুলি দিলা। জীৱ জন্তু, গছ গছনি নাথাকিলে জংঘলেই নাথাকিব, বন্য মৃগ চিকাৰ কৰি মই যে ডাঙৰ ভুল কৰিছো সেইটো মই বুজি পালো। তোমাক কথা দিছো চিকাৰ কৰিবলৈ মই আৰু জংঘললৈ নাহো," আকবৰে চিন্তা কৰি কথাখিনি ক'লে।

বীৰবলৰ বিশ্বাসেই নহ'ল। তেওঁ ভাবিবই পৰা নাছিল ইমান সোনকালে বাদশ্বাহৰ ইমান ডাঙৰ পৰিৱৰ্ত্তন আহিব। কিন্তু বীৰবল মৌন হৈ থাকিল।

"ফেঁচাই এতিয়া কি কৈছে?" আকবৰে হাঁহি মাৰি সুধিলে।

"কইনাৰ বাপেকে কৈছে বাদশ্বাহ যিহেতু আৰু চিকাৰ কৰিবলৈ নাহে সেয়েহে তুমি যি জংঘল বিচাৰিছা, সেয়া দিব পৰা নাযাব।" বীৰবলে ক'লে, "হৈছে, হৈছে, মই বুজি পাইছো," এইবুলি কৈ বাদশ্বাহ হাঁহিত বাগৰি পৰিল।

ভাৰতৰ বিষয়ে জানি লোৱা

তলত দিয়া কথাবোৰৰ পৰা মহান লোক-সকলক চিনাক্ত কৰিবলৈ চেষ্টা কৰা।

১. স্বাধীনতাৰ আগতে ভাৰতীয় ত্ৰিৰঙ্গ পতাকা বিদেশৰ মাটিত প্ৰথমবাৰৰ বাবে উত্তোলন কৰা হয়।

২. তেওঁ অক্সফ'ৰ্ডত শিক্ষাদান কৰিছিল, তেওঁ ছোভিয়েট ইউনিয়নত ভাৰতৰ ৰাষ্ট্ৰদূত আছিল আৰু পিছলৈ দেশৰ প্ৰথমজন নাগৰিক হৈছিল।

৩. নোবেল বঁটা বিজেতা, যি এখন বিশ্ববিদ্যালয় স্থাপন কৰিছিল।

৪. কেন্দ্ৰীয় কেবিনেটত এজন বিত্ত মন্ত্ৰী যি পিছলৈ ভাৰতৰ ৰাষ্ট্ৰপতি হৈছিল।

৫. স্বাধীনতাৰ আগতে এখন ভাৰতীয় প্ৰদেশৰ মুখ্যমন্ত্ৰী যি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত পৌৰোহিত্য কৰা একমাত্ৰ ভাৰতীয় আছিল।

(উত্তৰ ৭৪ পৃষ্ঠাত)

কেৰালাৰ এটা লোককাহিনী

বুদ্ধিমতী নাৰী

শিৱমৰ জন্ম হৈছিল এটা সম্ভ্ৰান্ত পৰিয়ালত। তেওঁ মাক দেউতাকৰ দ্বিতীয় পুত্ৰ আছিল। ককায়েক শংকৰনতকৈ দহ বছৰে সৰু আছিল। অলপ দিনৰ পিছতে সিহঁতৰ মাক টান নৰিয়াত পৰিলে আৰু সোনকালেই তেওঁৰ অন্তিম সময় চাপি আহিল। মৃত্যুৰ সময়ত তেওঁ বৰপুত্ৰ শংকৰনক ওচৰলৈ মাতি আনি ক'লে, "মোৰ অহিবনে, আনকি যদি তোমাৰ পিতাৰাৰো যদি কিবা হয়, তুমি শিৱনৰ চোৱা চিতা কৰিব লাগিব।" এইবুলি তেওঁ চকু মুদিলে।

শংকৰন যেতিয়া ডাঙৰ হৈ আহিল, দেউতাকে তাক বিয়া পাতিবলৈ ক'লে, যাতে ঘৰখন চম্ভলিবলৈ এজনী মানুহ হয়। এখন সম্ভ্ৰান্ত ঘৰৰ পাৰ্বতী নামৰ ছোৱালীৰ লগত শংকৰনৰ বিয়া ঠিক হ'ল। সোনকালেই পাৰ্বতী এজনী মৰমিয়াল পত্নী, শংকৰনৰ দেউতাকৰ বাবে এজনী মৰমিয়াল কন্যা আৰু চেমনীয়া শিৱনৰ বাবে চেনেহৰ মাক হৈ পৰিল।

পাৰ্বতীয়ে ল'ৰাটোৰ বিশেষ যত্ন ল'বলৈ ধৰিলে। সদায় ৰাতিপুৱা তেওঁ তাক স্কুললৈ পঠিয়াই আৰু আবেলি স্কুলৰপৰা অহাৰ পিছত সি ভালপোৱা বস্তু যত্নেৰে ৰান্ধি খুৱায়। সি বিচৰা সকলোকে তেওঁ দিয়লৈ যত্ন কৰে আৰু শংকৰন বা তাৰ দেউতাকক এই বিষয়ে কোনো অভিযোগ কৰাৰ সুযোগ দিয়া নাছিল। লাহে লাহে শিৱন এটা সুদৰ্শন ডেকা হৈ পৰিল।

পঢ়া শুনা শেষ হোৱাৰ পিছত, পাৰ্বতীয়ে শিৱনক কাম কৰিবলৈ দিব নুখুজিলে। শহুৰেকে ৰজাক বা অন্য মন্ত্ৰীবৰ্গক লগ কৰিবলৈ ৰাজধানীলৈ গৈ থাকিব লাগিছিল; শংকৰনে ঘৰৰ মাটি বাৰীৰ তদাৰকী কৰাতেই বেছিভাগ সময় ব্যস্ত থাকিব লগা হৈছিল। পাৰ্বতীয়ে সেইবাবে ঘৰখনত আৰু এজনী মাইকী মানুহ নোহোৱাটো বৰকৈ অনুভৱ কৰিছিল। সেয়ে পাৰ্বতীয়ে শিৱনে বিয়া কৰোৱাটো বিচাৰিছিল।

জানে যে সিও এখন সম্ভ্ৰান্ত ঘৰৰ ল'ৰা। কিন্তু, তাই তথাপিও, পোনছাটেই শিৱনৰ বিবাহ প্ৰস্তাৱ গ্ৰহণ নকৰিলে।

গৌৰীয়ে ক'লে, "মই যদি আপোনাৰ এটা পৰীক্ষা লওঁ, আপুনি বেয়া নাপায়তো?" গৌৰীক বিয়া কৰাবলৈ শিৱনে একপ্ৰকাৰ সিদ্ধান্ত কৰিয়ে পেলাইছিল। সেয়ে সি মান্তি হ'ল। তেতিয়া গৌৰী ভিতৰলৈ গ'ল আৰু এটা পাত্ৰ উলিয়াই আনিলে। "ইয়াত সৰিয়হ আৰু শিমলুৰ গুটি আছে। আপুনি অনুগ্ৰহ কৰি সেইখিনি বেলেগ বেলেগ কৰি কাইলৈ শিমলু গুটিখিনি লৈ আহিব।" শিৱনে পাত্ৰটো হাতত লৈ ঘৰলৈ ঘূৰি আহিল। ভিতৰি সি ভাবিলে, "এইটোতো এটা নিচেই সৰু পৰীক্ষা।"

ঘৰৰ দুৱাৰমুখতে তাক বৌৱেকে দেখিলে, "কি হ'ল শিৱন? গৌৰীক লগ নাপালা নেকি? এই পাত্ৰটোত কি আছে?"

শিৱনে তেতিয়া গৌৰীক লগ পোৱাৰ গোটেই ঘটনাটো বিৱৰি ক'লে, "বৌ, তেওঁ মোক বিয়া কৰাবলৈ সন্মত হৈছে। কিন্তু মোৰ এটা পৰীক্ষা ল'ব খুজিছে। সেয়ে সৰিয়হ আৰু শিমলুৰ গুটি থকা এই পাত্ৰটো মোক দিছে। দুয়োবিধ গুটি বেলেগ কৰি কাইলৈ শিমলুৰ গুটিখিনি তেওঁৰ ওচৰলৈ লৈ যাব লাগিব। আজি গোটেই ৰাতিও যদি উজাগৰে থাকোঁ, তেতিয়াও যে এইটো কাম কৰিব পাৰিম মোৰ বিশ্বাস নহয়। মই কি কৰোঁ?"

পাৰ্বতীয়ে তৎক্ষণাৎ গম পালে যে গৌৰী এজনী অতি বুদ্ধিয়ক ছোৱালী। তেওঁ কেৱল হাঁহিলে আৰু শিৱনক ক'লে, "চিন্তা

এদিনাখন, যেতিয়া তেওঁ শিৱনৰ লগত এই বিষয়ে কথা পাতিলে, শিৱনে বৌৱেকক নিজৰ সন্মতি জনালে। এদিন মন্দিৰত সি গৌৰীক লগ পালে। গৌৰীক দেখাৰ লগে লগে শিৱন তাইৰ প্ৰতি আকৰ্ষিত হ'ল। পাৰ্বতীয়েও এদিন ছোৱালীজনী দেখিলে। তেওঁ গম পালে যে ছোৱালীজনীও এখন সম্ভ্ৰান্ত ঘৰৰে ছোৱালী আৰু শিৱনৰ বাবে অতিকে উপযুক্ত হ'ব। পাৰ্বতীয়ে শিৱনক ক'লে যে সি গৌৰীক লগ কৰি বিবাহ প্ৰস্তাৱ দিয়া উচিত।

পিছদিনাখন শিৱন গৌৰীৰ ঘৰলৈ গ'ল। যেতিয়া সি তাইৰ আগত নিজৰ মনৰ কথা ব্যক্ত কৰিলে, গৌৰী আচৰিত নহ'ল। তায়ো শিৱনক আগতে দেখিছে আৰু এইটোও

নকৰিবা শিৱন, কাইলৈৰ ভিতৰত এই কাম হৈ যাব।"

পাৰ্বতীয়ে পাত্ৰটো পিছফালৰ চোতাললৈ নিলে। লগুৱা এটাক মাতি গছ এজোপাৰ পৰা এটা পৰুৱাৰ বাঁহ আনিবলৈ ক'লে। পৰুৱাই সাধাৰণতে গছৰ পাতেৰে বাঁহ সাজে। লগুৱাটোৱে বাঁহ এটা বিচাৰি আনি দিলেহি।

পিছদিনা পুৱালৈ পৰুৱাবোৰে সৰিয়হৰ গুটিবোৰ খাই শেষ কৰিলে। পাত্ৰটোত কেৱল শিমলুৰ গুটিবোৰহে থাকিলগৈ যিবোৰ পৰুৱাই সাধাৰণতে নাখায়। পাৰ্বতীয়ে শিৱনক মাতিলে আৰু তাক পাত্ৰটো দিলে। সি অনুভৱ কৰিলে যে তাৰ বৌয়েক গৌৰীতকৈয়ো বুদ্ধিমতী।

শিৱনে গৌৰীক পাত্ৰটো দিলেগৈ। তাই হাঁহিলে, ভিতৰলৈ গ'ল আৰু খালী পাত্ৰটো পুনৰ উলিয়াই আনিলে। "ইয়াত কাইলৈ নিয়ৰ ভৰাই লৈ আহিব।"

ঘৰলৈ আহি থাকোঁতে শিৱন অলপ নিৰুৎসাহ হ'ল। "সৰিয়হ আৰু শিমলুৰ গুটি পৃথক কৰাটো সহজেই আছিল। কিন্তু কাইলৈৰ ভিতৰতে ইমানবোৰ নিয়ৰ ক'ৰপৰা গোটাম? নিশ্চয়, বৌৱে এটা উপায় দিব পাৰিব।"

শিৱনে পাত্ৰটো লৈ ঘূৰি অহা দেখি পাৰ্বতী আচৰিত হ'ল। তাক বিবুদ্ধিত পৰা যেন দেখা গৈছিল। "এইবাৰ আকৌ কি হ'ল শিৱণ?"

সি সকলো ক'লে। "একো চিন্তা নকৰিবা। আমি কিবা এটা কৰিম।" শিৱনে কিন্তু হুমুনিয়াহ কাঢ়িলে

পাৰ্বতীয়ে সেই অঞ্চলৰ ধোবাবোৰক মতাই পঠালে। তেওঁ সিহঁতক ক'লে, "মোক তোমালোকে অলপ সহায় কৰা। তোমা-লোকৰ হাতত থকা গোটেই কাপোৰবোৰ বাহিৰত মেলি দিয়া। কাপোৰবোৰত ৰাতি নিয়ৰ পৰি থাকিব। সেইখিনি এটা পাত্ৰত চেপি উলিয়াই মোৰ ওচৰলৈ লৈ আহিবা। বুজিছানে? ধোবাবোৰে মূৰ দুপিয়াই গুছি গ'ল। পিছদিনা সিহঁত সকলো হাতত নিয়ৰৰ পাত্ৰ লৈ আহিল। পাৰ্বতীয়ে সেইখিনি গৌৰীয়ে পঠোৱা পাত্ৰটোক বাকি দিলে।

পিছদিনা, শিৱনে পাত্ৰটো গৌৰীৰ হাতত দি ক'লে, "গৌৰী, তুমি নিশ্চয় সুখী।"

গৌৰীয়ে কেৱল মিচিকিয়া হাঁহিলে। পাত্ৰটোলৈ চাই সেই স্ফটিকৰ দৰে স্বচ্ছ পানীখিনি দেখিলে। তাই ক'লে, "ধন্যবাদ,

কিন্তু মই তোমাৰ আৰু এটা পৰীক্ষা ল'ব খোজো। তুমি মোলৈ এশটা বেলগছৰ কুমলীয়া পাত আনি দিয়া। পাতবোৰ সজীৱ হৈ থাকিব লাগিব। কিন্তু সেইবোৰ হাতেৰে ছিঙিব নোৱাৰিবা বা কটাৰীৰেও কাটিব নোৱাৰিবা।"

ঘৰলৈ ঘূৰি আহোঁতে, শিৱনে ভাবি থাকিল কেনেকৈনো হাত বা কটাৰী ব্যৱহাৰ নকৰাকৈ গছৰ পাত ছিঙিব পাৰি?" অসম্ভৱ? তাৰ চিন্তিত মুখখন দেখি পাৰ্বতীয়ে গম পালে যে দেওৰেক এইবাৰ নিশ্চয় কিবা নতুন সমস্যাত পৰিছে বা নিশ্চয় নতুন পৰীক্ষা আহিছে। "এইবাৰ বা কি নতুন সাঁথৰ লৈ আহিছা" তেওঁ শিৱনক সুধিলে।

সকলো কথা শুনাৰ পিছত তেওঁ ক'লে,

"মই তাইক সন্তুষ্ট কৰাৰ এটা উপায় বিচাৰি উলিয়াম। কিন্তু কাইলৈ মই তোমাৰ লগতে গৈ তাইক সুধিম যে আৰু পৰীক্ষা ল'ব নেকি? পাৰ্বতী বুদ্ধিমতী তিৰোতা। তেওঁৰ মনত পৰিল যে তেওঁলোকৰ এটা পোহনীয়া ভাটৌ চৰাই আছে। পাৰ্বতীয়ে চৰাইটো পিছফালৰ চোতাললৈ লৈ গ'ল আৰু বেলগছজোপাত এৰি দিলে। ভাটৌটোৱে এটা এটাকৈ পাতবোৰ ছিঙি গ'ল আৰু তললৈ পেলাই গ'ল। পাৰ্বতীয়ে পাতবোৰৰ মাজৰ পৰা কুমলীয়া পাতবোৰ বাছি ল'লে। যেতিয়া এশটাতাকৈও বেছি কুমলীয়া পাত ওলাল তেতিয়া তেওঁ ভাটৌটোক তাৰ সঁজাত পুনৰ ভৰাই থ'লে।

পিছদিনাখন, পাৰ্বতী আৰু শিৱন গৌৰীৰ ঘৰলৈ ওলাল। যেতিয়া গৌৰীয়ে পাৰ্বতীক দেখিলে তাই লজ্জিত হ'ল, আৰু শিৱনক এনেকৈ পৰীক্ষা লোৱাৰ বাবে ক্ষমা খোজাৰ সুৰত ক'লে, "বৌদেও মোক ভুল নুবুজিব। আপোনাৰ দেওৰেকে এই পৰীক্ষাবোৰত বিফল হোৱাহেঁতেন মই তেওঁকেই বিয়া কৰালোহেঁতেন।কিয়নো মই আজিলৈকে তেওঁৰ নিচিনা মানুহ লগ পোৱা নাই। অনুগ্ৰহ কৰি মোক ক্ষমা কৰক।"

পাৰ্বতীয়ে গৌৰীক সাবটি ধৰিলে আৰু ক'লে, "গৌৰী, তুমি ভাবা নেকি যে মই শিৱনক তোমাৰ বাহিৰে বেলেগ ছোৱালী বিয়া কৰাবলৈ দিম।"

এইদৰে বুদ্ধিমতী পাৰ্বতীয়ে শিৱন আৰু গৌৰীৰ বিয়া পাতি দিলে। সকলোৱে তেওঁৰ বুদ্ধিৰ শলাগ ল'লে।



মহাশক্তিৰ গুপুত কথা

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া চিত্ৰকূট পৰ্বতপ্ৰান্তত নব্বৈ হাজাৰ হাঁহ বাস কৰিছিল আৰু বোধিসত্ত্বয়ো তেতিয়া এটি হাঁহৰূপে জন্মগ্ৰহণ কৰিছিল। এই হাঁহটোৰ আছিল অনেক ধৰণৰ গুণ আৰু সাধাৰণ হাঁহৰ তুলনাত এই হাঁহটোৱে দ্ৰুতগতিৰে উৰিব পাৰিছিল। নিজৰ গুণ আৰু ক্ষমতাৰ গুণত এই হাঁহটিয়ে নব্বৈ হাজাৰ হাঁহৰ উৰ্ধত স্থান লাভ কৰিলে। আন হাঁহবিলাকে এই হাঁহটিৰ নাম দিলে 'ৰাজহাঁহ'। ইয়াৰ অৰ্থ আছিল এই হাঁহ অৰ্থাৎ ৰাজহাঁহটো আছিল অধিক গুণসম্পন্ন।

এদিন এই ৰাজহাঁহটিয়ে তাৰ অন্যান্য লগৰীয়াক লৈ মনৰ আনন্দৰে সৰোবৰত বিহাৰ কৰি থকাৰ পাছত কাশীৰ আকাশত উমলিবলৈ ধৰিলে। ইমানবোৰ হাঁহ একে-লগে আকাশৰ বুকুত উৰি থকাৰ ফলত গোটেই আকাশখনে এক অনিৰ্বচনীয় ৰূপ ধাৰণ কৰিলে। কাশীৰ ৰজা ব্ৰহ্মদত্তই আকাশলৈ চাই অবাক হৈ বহুতোপৰলৈকে ৰ' লাগি ৰৈ থাকিল তাত। আকাশত উৰি উমলি থকা অসংখ্য হাঁহৰ মাজত এটা হাঁহ আছিল সঁচাকৈয়ে জাকতজিলিকা। আকাশত থকা অসংখ্য নক্ষত্ৰৰ মাজত চন্দ্ৰক বহুত বেছি উজ্জ্বল যেন লগাৰ দেখুউৱাৰ দৰে এই হাঁহটোকো অসংখ্য হাঁহৰ মাজত উজ্জ্বল দেখুৱাইছিল।

এই ৰাজহাঁহটোৰ দেহৰ গঠন আৰু উৰণৰ গতিলৈ লক্ষ্য কৰি ৰজা ব্ৰহ্মদত্তই প্ৰয়োজনীয় আয়োজন কৰি তাক যথাযোগ্য সমাদৰৰে আহ্বান জনালে।

ৰজাৰপৰা আহ্বান পাই ৰাজহাঁহটিয়েও সঁহাৰি জনালে। ৰাজহাঁহটিয়ে তাৰ লগৰীয়াহঁতক লৈ নামি আহিল আৰু ৰজাৰ

'জাতক কাহিনী'

আলহী হৈ কিছুদিনলৈ তাত থাকিল। ৰজা ব্ৰহ্মদত্তৰ সৈতে এই ৰাজহাঁহটিৰ এক সুগভীৰ বন্ধুত্বৰ সৃষ্টি হ'ল। এই বন্ধুত্ব ইমানেই গভীৰতালৈ শিপালে যে এই ৰাজহাঁহটি কেতিয়াবা ক'ৰাবলৈ গ'লে তাৰপৰা নোভতালৈকে ৰজাই হাঁহটোলৈ বাট চাইছিল।

এবাৰ--চিত্ৰকূট পৰ্বত প্ৰান্তত দুটা সৰু হাঁহে এই ৰাজহাঁহটোক ক'লেহি, "হে ৰজা, আমি দুয়ো সূৰ্য্যৰ সৈতে পৰিক্ৰমাৰ এক প্ৰতিযোগিতা কৰিবলৈ বিচাৰোঁ। কিয়নো সূৰ্য্যতকৈ আমাৰ হাঁহবিলাকৰ গতিবেগ কণমাত্ৰও কম নহয় বুলি আমাৰ দৃঢ় ধাৰণা হৈছে।"

সিহঁতৰ কথা শুনি ৰাজহাঁহে ক'লে, "বাছাহঁত, কাৰ সৈতে প্ৰতিযোগিতা কৰিবা? সূৰ্য্যৰ ক্ষমতা আৰু গতিবেগ যে কিমান বেছি--তোমালোকে জানানে? সূৰ্য্যৰ সৈতে তোমালোকৰ প্ৰতিযোগিতাৰ অৰ্থ হ'ব উপযাচি বিপদক চপাই লোৱাহে। এই বিপদৰ ফলত তোমালোকৰ জীৱনহানিও ঘটিব পাৰে। গতিকে--অনতিপলমে তোমালোকে এই বলিয়ালি এৰা।" এই বুলি কৈ ৰাজহাঁহে সৰু হাঁহ দুটাক যথোচিত সৎ উপদেশ দিলে।

কিন্তু সৰু হাঁহ দুটাই ৰাজহাঁহৰ এই কথাত মুঠেই ভাল নোপোৱা হ'ল। এনে উত্তৰ সিহঁতে আশা কৰা নাছিল। কিছুদিনৰ অন্তত, সিহঁত দুটাই পুনৰ ৰাজহাঁহক একেইবোৰ কথা ক'লেহি আৰু সিহঁতৰ কথা শুনি ৰাজহাঁহেও আগৰ দৰে ক'লে।

তাৰ পাছত, এদিন সৰু হাঁহ দুটাই সূৰ্য্যৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ ৰাজহাঁহৰপৰা অনুমতি প্ৰাৰ্থনা কৰিলে। সেইবাৰো ৰাজহাঁহে বিভিন্ন কথা আৰু কাহিনীৰ যোগেদি সিহঁতক এই অদ্ভুত আৰু অসম্ভৱ প্ৰতিযোগি-তাৰপৰা বিৰত হ'বলৈ দঢ়াই দঢ়াই ক'লে।

এইদৰে, তিনিবাৰলৈ উপেক্ষিত হোৱাৰ ফলত, সৰু হাঁহ দুটাই ৰাজহাঁহৰপৰা অনুমতি নোলোৱাকৈয়েই এদিন সূৰ্য্যৰ সৈতে প্ৰতিযোগিতা আৰম্ভ কৰিলে। উৰি উৰি সূৰ্য্যৰ ওচৰ চপাৰ বহু আগতেই সিহঁতৰ ডেউকা-বিলাক পুৰি একেবাৰে ভস্ম হ'ল আৰু সিহঁত তৎক্ষণাৎ তললৈ বাগৰি পৰিবলৈ ধৰিলে।

সিহঁতৰ মতিগতিৰ উমান পাই, ৰাজহাঁহে বিপদৰ আশংকা কৰি সিহঁতৰ গতিবিধিলৈ সদায় লক্ষ্য ৰাখিছিল। সেয়েহে, সূৰ্য্যৰ প্ৰতিযোগী সৰু হাঁহ দুটা মাটিত পৰাৰ আগতেই ৰাজহাঁহে সিহঁতক ধৰি পেলালে

আৰু সেৱা যত্ন কৰি কথমপি মৃত্যুৰ কবলৰ পৰা ৰক্ষা কৰিলে।

নব্বৈ হাজাৰ হাঁহৰ মাজত মাত্ৰ দুটা হাঁহে সূৰ্য্যৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ ওলাই ব্যৰ্থ হোৱাত ৰাজহাঁহ বৰ দুঃখিত হ'ল। এই পৰাজয়ক ৰাজহাঁহে নিজৰ পৰাজয় বুলি ভাবিলে। অতঃপৰ ৰাজহাঁহে নিজেই এদিন সূৰ্য্যৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ ওলাল। ৰাজহাঁহটোৱে মহাশূন্যলৈ উৰা মাৰিলে। তীব্ৰ গতিৰে উৰি উৰি, সূৰ্য্যকো পিছ পেলাই পুনৰ নামি আহিল পৃথিৱীৰ বুকুলৈ। এইদৰে ৰাজহাঁহে সৰু হাঁহ দুটাৰ পৰাজয়ৰ সেই গ্লানি মচিলে; কিন্তু জয়ৰ এই আনন্দৰ সময়তো ৰাজহাঁহে ভাবিলে: সূৰ্য্যৰ সৈতে ফেৰ মাৰি আমাৰ কি লাভ?

ব্ৰহ্মদত্তই উৎকণ্ঠাৰে বাট চাই আছিল ৰাজহাঁহলৈ। বহু সময়ৰ অন্তত তেওঁৰ এই উৎকণ্ঠাৰ অন্ত পৰিল। প্ৰতিযোগিতাৰ অন্তত ৰাজহাঁহটো উৰি উৰি পোনেই ৰজা ব্ৰহ্মদত্তৰ কাষ পালেহি।

কাশীৰাজ ব্ৰহ্মদত্তই সানন্দে ৰাজহাঁহক সোণৰ সিংহাসনত বহুৱাই, সোণৰ পাত্ৰত দুগ্ধ পায়সাদি সুখাদ্য খাবলৈ দিলে আৰু সোণৰ পাত্ৰত দিলে পৰিষ্কৃত পানী, খোৱা লোৱাৰ পাছত ৰজাৰ প্ৰশ্নৰ উত্তৰত ৰাজহাঁহটোৱে ৰজাক সকলো কথা ভাঙি পাতি ক'লে। সকলো কথা শুনাৰ পাছত ৰজাই ক'লে, "হে পক্ষীৰাজ, কণমানি হাঁহ দুটাৰ কথা শুনিলোঁ আৰু তোমাৰ বিজয়ৰ কথাও শুনিলোঁ। ঘটনাৱলী সঁচাকৈয়ে অত্যন্ত বিস্ময়কৰ সেই

কথাত মোৰ নামমাত্ৰও সন্দেহ নাই। পিছে এনে ঘটনা নিজ চকুৰে দেখা পোৱাহেঁতেন মই বৰ আনন্দ লভিলোহেঁতেন।"

ৰজাৰ এই বাসনাৰ কথা শুনি ৰাজহাঁহটোৱে ৰজাক ক'লে, "হে ৰজা, তুমি এটা কাম কৰা। তোমাৰ দেশৰ চাৰিজন তীব্ৰগতি-সম্পন্ন তীৰন্দাজক মতাই আনা। সেই তীৰন্দাজহঁতে নিক্ষেপ কৰা তীৰ মই পলকতে উৰি গৈ তোমাৰ হাতত আনি তুলি দিম।"

ৰাজহাঁহৰ কথা মতে চাৰিজন শ্ৰেষ্ঠ তীৰন্দাজক মতাই অনোৱা হ'ল। সিহঁতে একেলগে তীৰ নিক্ষেপ কৰিলে আৰু ৰাজহাঁহে বিজুলী গতিৰে উৰি গৈ সেই নিক্ষিপ্ত তীৰবিলাক ৰজাৰ ওচৰলৈ লৈ আহিল আৰু ক'লে, "এতিয়া মোৰ কথা বিশ্বাস হ'লনে, ৰজা?"

"নহয়, নহয়, অবিশ্বাসৰ প্ৰশ্ন নহয়। মই

এই আশ্চৰ্য্যজনক দৃশ্য নিজ চকুৰে চাবলৈহে হেঁপাহ কৰিছিলোঁ মাথোন।" ৰজা ব্ৰহ্মদত্তই ৰজা ব্ৰহ্মদত্তৰ সন্দেহ নোহোৱা কৰিবলৈ ক'লে।

"মোৰ এই গতিবেগ মোৰ সাধাৰণ গতি-তকৈ অলপমান বেছি। লাগিলে--মই পুনৰ এবাৰ সূৰ্য্যৰ ওচৰলৈ গৈ ঘূৰি আহিব পাৰোঁ।" ৰাজহাঁহে ক'লে।

"নালাগে, নালাগে হে পক্ষীৰাজ, মোৰ সংশয় গুচিল। সূৰ্য্যলৈ যাব নালাগে। এতিয়া মোৰ এটা প্ৰশ্ন, তোমাতকৈয়ো গতিসম্পন্ন আৰু কিবা, বা কোনো প্ৰাণী এই জগতত আছেনে।" ৰজাই ৰাজহাঁহক পৰম বিনয়েৰে সুধিলে।

ৰজাৰ এই প্ৰশ্নৰ উত্তৰত ৰাজহাঁহে সবিনয়ে ক'লে, "নাথাকিব কিয়, মোতকৈয়ো মহাশক্তিসম্পন্ন--মোতকৈ হাজাৰ হাজাৰ গুণে ক্ষমতাসম্পন্ন মহাশক্তি আছে। সেই মহাশক্তিৰ নাম হ'ল কালসাপ। সেই কালসাপে পৃথিৱীৰ অসংখ্য প্ৰাণী অনুক্ষণ বিনষ্ট কৰি আছে। তাৰ গতি ইমানেই অধিক, ইমানেই তাৰ ক্ষমতা যে--তাক নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা এই বিশাল পৃথিৱীত কাৰো নাই।" এই কথা কোৱাৰ পাছত ৰজা ব্ৰহ্মদত্তৰ চকুত আতংকৰ চিন আৰু হতাশাৰ ভাৱ ফুটি উঠালৈ ৰাজহাঁহে লক্ষ্য কৰিলে।

তেতিয়া ৰজা ব্ৰহ্মদত্তক অভয় দান কৰিবৰ মনেৰে ৰাজহাঁহে ৰজাক ক'লে, "হে ৰজা, এটা কালসৰ্পৰ কথাত তোমাৰ দৰে এজন ৰজাই ইমান ভয় কৰিবলগীয়া একো নাই। কিয় তুমি ভয় কৰিবা? তুমি যদি যিকোনো পৰিস্থিতিতে তোমাৰ নীতিত অটল থাকিব পাৰা, নিজৰ ধৰ্মপথ পৰিত্যাগ নকৰা, নিষ্ঠাৰে তোমাৰ ৰাজ্যত প্ৰজাপালন কৰা--তেনেহ'লে কোনো কালৰেপৰাই ভয় কৰিবলগীয়া একো নাই। তুমি আওবটীয়া নহ'লে, সঠিক সিদ্ধান্তত, ন্যায় পথত অচল অটল থাকিলে কোনো কালসৰ্পই তোমাক একো অনিষ্ট কৰিব নোৱাৰিব--এই কথা ধ্ৰুৱ।"

ৰাজহাঁহৰূপী বোধিসত্ত্বৰ কথা আখৰে আখৰে পালন কৰি কাশীৰ ৰজা ব্ৰহ্মদত্তই জগতত যথেষ্ট পৰিমাণে যশস্যা অৰ্জন কৰিব পাৰিছিল।



ৰামায়ণ

অচেতন হৈ পৰি যোৱা তাৰাক ৰামে দেখিলে। ইফালে ৰামক দেখি তাৰাই তেওঁৰ ওচৰলৈ আহি ক'লে, "ৰাম, যি বাণেৰে আপুনি মোৰ স্বামীক নিধন কৰিলে, সেই বাণেৰেই মোকো হত্যা কৰি মোক মোৰ স্বামীৰ ওচৰলৈ যাবলৈ দিয়ক। যিদৰে আপুনি সীতাৰ বাবে অস্থিৰ হৈ উঠিছে, সেইদৰে মোৰ অবিহনে মোৰ স্বামীও পৰলোকত মোৰ বাবে অস্থিৰ হৈ উঠিব।" এইবুলি কৈ তাৰাই ইনাই বিনাই কান্দিবলৈ ধৰিলে।

শোকসন্তপ্ত অংগদ আৰু সুগ্ৰীৱক ৰামে যথোচিত আশ্বাস দিলে। বালীৰ অন্ত্যেষ্টিক্ৰিয়া যথাযথ সন্মানেৰে সম্পন্ন কৰাৰ দায়িত্ব ৰামে লক্ষ্মণৰ হাতত ন্যস্ত কৰিলে। অংগদ কিষ্কিন্ধালৈ গৈ বালীৰ নশ্বৰ দেহ কঢ়িয়াই লৈ যাবলৈ এখন পাল্কী আনিলে। সুগ্ৰীৱ আৰু অংগদে বালীৰ অসাৰ দেহ পাল্কীত উঠাই দিলে। পাল্কীৰ পাছে পাছে কান্দি কান্দি গ'ল কিষ্কিন্ধাৰ স্ত্ৰীসকল। এখন নদীৰ পাৰৰ বালিত বালীৰ চিতা সাজু কৰা হ'ল। অংগদে বিধি অনুসাৰে পিতৃৰ চিতাত অগ্নি সংযোগ কৰিলে।

দহন ক্ৰিয়াৰ পাছত সুগ্ৰীৱে ভিজা কাপোৰ পিন্ধি মন্ত্ৰীসকলৰ সৈতে ৰামৰ ওচৰলৈ আহিল। তেতিয়া হনুমানে ৰামক ক'লে, "আপোনাৰ কৃপাতেই সুগ্ৰীৱে বান্দৰৰাজ্য প্ৰাপ্ত কৰিলে। এতিয়া তেওঁ ৰাজোচিত ধৰ্ম পালন কৰি ৰাজ্য শাসনৰ গধুৰ দায়িত্ব মূৰ পাতি ল'ব লাগিব। সেয়েহে আপুনি গৈ যথাযথ নিয়মৰ মাজেদি সুগ্ৰীৱৰ ৰাজঅভিষেক সম্পন্ন কৰক প্ৰভু।"

এই কথা শুনি ৰামে হনুমানক ক'লে, "হনুমান, পিতাৰ আজ্ঞা অনুসাৰে মই চৌধ্য

কিষ্কিন্ধা কাণ্ড-৪



বছৰলৈকে গাঁও বা নগৰত ভৰি থ'ব নোৱাৰো বা থোৱা উচিত নহয়। সেয়েহে তোমালোকে মিলি সুগ্ৰীৱক কিষ্কিন্ধালৈ লৈ যোৱা আৰু যথাৰীতি তেওঁৰ ৰাজঅভিষেক সম্পন্ন কৰাগৈ।" ৰামে লগতে সুগ্ৰীৱক এইবুলি পৰামৰ্শ দিলে যে অংগদক যাতে যুৱৰাজৰ সন্মান প্ৰদান কৰা হয়। এতিয়া যিহেতু বৰ্ষা ঋতু আহিবৰ সময় হৈছে সেয়ে বৰ্ষা শেষ নোহোৱালৈকে ৰামে ঋষ্যমূক পৰ্বতৰ এটা ডাঙৰ গুহাতে থকাৰ সিদ্ধান্ত ল'লে। কাৰ্ত্তিক মাহ আৰম্ভ হোৱাৰ লগে লগে ৰাৱণৰ ওপৰত আক্ৰমণ চলোৱাৰ বাবে সাজু হৈ থাকিবলৈ ৰামে সুগ্ৰীৱক পৰামৰ্শ দিলে।

ৰামৰ পৰামৰ্শ গ্ৰহণ কৰি সুগ্ৰীৱ কিষ্কিন্ধালৈ গ'ল। সুগ্ৰীৱৰ ৰাজঅভিষেক যথাৰীতি সম্পন্ন কৰা হ'ল। গজ, গৱাক্ষ, গৱয়, শ্বৰভ, গন্ধমাদন, মৈইন্দ, হনুমান, জাম্বৱন্ত আৰু নলে সোণৰ কলহত থোৱা পানীৰে সুগ্ৰীৱৰ অভিষেক কৰিলে। নিজৰ অভিষেক সম্পন্ন হোৱাৰ পাছত সুগ্ৰীৱে অংগদক যুৱৰাজ পদত অধিষ্ঠিত কৰিবৰ বাবে অভিষেক সম্পন্ন কৰিলে। ইয়াৰ পাছত সুগ্ৰীৱ ৰাম লক্ষ্মণৰ ওচৰলৈ গ'ল আৰু কিষ্কিন্ধাত কি ঘটি গ'ল সেই সকলো কথা জানিবলৈ দিলে। কিষ্কিন্ধালৈ উভতি গৈ সুগ্ৰীৱে নিজৰ পত্নী ৰুমাৰ সৈতে আৰামেৰে সময় কটাবলৈ ধৰিলে।

সুগ্ৰীৱ ৰজা হোৱাৰ পাছত, ৰাম, লক্ষ্মণে তেওঁলোকৰ নিবাস স্থল প্ৰসুণ পৰ্বতৰ এটা বিশাল গুহালৈ সলনি কৰিলে। এই গুহাত এটা অসুবিধাবিহীন জীৱনৰ বাবে প্ৰয়োজনীয় আটাইবোৰ সা-সুবিধা আছিল। ওচৰতে আছিল নদী। কেৱল সেয়াই নহয়, এই গুহাটো যিহেতু কিষ্কিন্ধাৰ ওচৰতে আছিল সেয়েহে তাত থাকি কিষ্কিন্ধাৰ বান্দৰসকলৰ সুমধুৰ বাদ্য আদি শুনিবলৈ পোৱা গৈছিল। এই গুহাত ৰামে দিনে নিশাই সীতাৰ কথা ভাবি এটা অস্থিৰ জীৱন কটালে। ৰামক এই সময়ত ভ্ৰাতৃ লক্ষ্মণে প্ৰবোধ দিছিল। দুয়ো ভ্ৰাতৃৰ মাজে সময়ে এইবুলিও সন্দেহ হৈছিল যে সুগ্ৰীৱে তেওঁলোকক বাৰু সহায় কৰিবনে নকৰে। তেওঁলোকে চাৰি মাহ শেষ হোৱালৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছিল। শৰৎৰ আগমনলৈ তেওঁলোক অস্থিৰ হৈ পৰিছিল।

বৰ্ষা ঋতু আহিল আৰু শেষও হ'ল। দিনে ৰাতিয়ে ভোগ বিলাসৰ কথা ভাবি সুগ্ৰীৱে ৰাজ্য শাসনৰ কাম কাজ নিজৰ মন্ত্ৰীগণৰ হাতত ন্যস্ত কৰিলে আৰু এই কথাও পাহৰি গ'ল যে ৰামক সহায় কৰাৰ সময় সমাগত।

তেতিয়া হনুমানে সুগ্ৰীৱৰ ওচৰলৈ আহি

কʼলে, "তুমিতো ৰাজ্য আৰু কীৰ্ত্তি দুয়োটাই পালা। তোমাৰ এতিয়া কোনো শত্ৰু ভয়ো নাই। কিন্তু মিত্ৰক সহায় কৰাৰ যি দায়িত্ব তুমি পালন কৰাৰ কথা আছিল, তাৰ কোনো উমঘামেই নাই। এই ধৰণৰ কৰ্ত্তব্যত গাফিলতি কৰা মুঠেই উচিত নহয়। এতিয়া ৰামে পৰম আকুলতাৰে তোমাৰ সহায়ৰ প্ৰতীক্ষাত আছে আৰু পত্নীৰ সান্নিধ্যৰপৰা বঞ্চিত হৈ তেওঁ নিজে শোকৰ সাগৰত ডুব গৈ আছে যদিও তেওঁ তোমাক তোমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়া নাই। তেওঁ আমাক আমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়াৰ আগতেই যদি আমি আমাৰ কাম আৰম্ভ কৰি দিওঁ তেন্তে আমি কৰ্ত্তব্যত গাফিলতি কৰাৰ দোষ মূৰ পাতি লʼবলগীয়া নহʼব। তেওঁ নিশ্চয় এই প্ৰতীক্ষাত আছে যে তুমি তোমাৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবা।"

হনুমানৰ এই কথা শুনি সুগ্ৰীৱৰ চেতনা আহিল। তেওঁ নীলক মাতি আনি বানৰ সেনাক একত্ৰিত কৰিবলৈ আদেশ দিলে। ৰজা সুগ্ৰীৱে এইবুলিও এটা ঘোষণা কৰোৱালে যে যিসকল বান্দৰ পোন্ধৰ দিনৰ ভিতৰতে কিষ্কিন্ধাত আহি উপস্থিত নহয়, তেওঁলোকক মৃত্যুদণ্ড বিহা হʼব। জাম্বৱন্তৰ দৰে নেতৃস্থানীয়-সকলৰ ওচৰলৈ অংগদক লগত লৈ নলক নিজে যাবলৈ কোৱা হʼল।

এদিন লক্ষ্মণে ফল মূলৰ সন্ধানত বহু ঠাই ঘূৰি যেতিয়া গুহালৈ ঘূৰি আহিল, তেতিয়া ৰাম গুহাৰ ভিতৰত অত্যন্ত দুখ মনেৰে বহি আছিল। শৰৎকাল অহাৰ লগে লগে ৰামৰ দুখ কুলাই পাচিয়ে নধৰা হৈছিল। ৰামক প্ৰবোধ দি লক্ষ্মণে কʼলে যে এনেকৈ দুখ কৰি থকাটো তেনেই অনাৱশ্যকীয়। কৰ্ত্তব্য সম্পাদনৰ বাবে আৱশ্যকীয় কথা হʼল ধৈৰ্য আৰু পৰিকল্পনা। ৰামে কʼলে, "ভ্ৰাতা লক্ষ্মণ! বৰ্ষা ঋতু শেষ হʼল। এতিয়া শৰৎকাল উপস্থিত হৈছেহি। এই চাৰিমাহ মই বহুত কষ্টৰে পাৰ কৰিলো। কিন্তু সুগ্ৰীৱৰ দেখিছো কোনো খবৰেই নাই। তেওঁ কিবা যা যোগাৰ কৰিছেনে নাই সেই বিষয়েও মই কোনো কথা নাজানো। ৰামৰ এতিয়া একোৱেই নাই। ৰাজ্য হেৰুৱালে। ৰাম এতিয়া বনত অনাই বনাই ঘূৰি ফুৰিছে। পত্নী সীতাক ৰাৱণে হৰণ কৰি লৈ গৈছে। সুগ্ৰীৱে নিশ্চয় ভাবিছে মৃতপ্ৰায় হৈহে আমি তেওঁৰ শৰণাপন্ন হৈছো। তেওঁৰ নিজৰ উদ্দেশ্য যেতিয়া সফল হৈছেই, তেওঁনো নিজৰ প্ৰতিশ্ৰুতিৰ কথা ভাবি মূৰ ঘমাব লাগে কিয়? তুমি কিষ্কিন্ধালৈ গৈ তেওঁক কোৱাগৈ যে নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱৰাজন অধম পুৰুষ। পৰোপকাৰ



কৰিব নজনাজনৰ শৰদেহ কাউৰী আৰু শগুণেও স্পৰ্শ নকৰে। তেওঁ সম্ভৱ পুনৰ বাণৰ শব্দ শুনিব খুজিছে। মই এই দিনটো চাবলৈকে সুগ্ৰীৱৰ লগত মিত্ৰতা স্থাপন কৰি বালীক বধ কৰিছিলোনে? মই এজন বালীকহে বধ কৰিছিলো, কিন্তু ইচ্ছা কৰিলে মই সুগ্ৰীৱক তেওঁৰ পৰিয়ালসহিতে বধ কৰিব পাৰো। সেয়েহে তুমি যি ভাল দেখা, সুগ্ৰীৱৰ সৈতে তাকে কৰা।"

সুগ্ৰীৱৰ ওপৰত লক্ষ্মণৰো ভীষণ খং উঠিছিল। তেওঁ ক'লে, "সুগ্ৰীৱে এই কথা-টোও পাহৰি গৈছে যে আপোনাৰ কৃপাতে তেওঁ ৰাজ্য লাভ কৰিলে। নিজৰ পত্নীক ঘূৰাই পালে। এতিয়া তেওঁ নিজৰ পত্নী, সুন্দৰীৰ সৈতে ভোগ বিলাসত মত্ত আছে। এন অকৃতজ্ঞ ব্যক্তিক ৰজা হৈ থাকিবলৈ দিয়া উচিত নহয়। মোৰ ভীষণ খং উঠিছে। এতিয়াই গৈ মই তেওঁক বালীৰ ওচৰলৈকে পঠিয়াই দিওঁ। আই সীতাক বিচাৰি যাবলৈ অংগদ আৰু আন বানৰ বীৰসকল আছেই।" হাতত ধনু আৰু বাণ লৈ লক্ষ্মণে কথাখিনি কৈ কৈ ওলাই অহাত ৰামে লক্ষ্মণক শান্ত কৰি ক'লে, "লক্ষ্মণ, খৰখেদা নকৰিবা। মিত্ৰক হত্যা কৰি অনাহকতে পাপ চপাই নল'বা। সময়মতে মোৰ ওচৰলৈ অহাৰ বাহিৰেনো সুগ্ৰীৱে কি অপৰাধ কৰিছে? তুমি গৈ তেওঁৰ সৈতে সহৃদয়তাৰে কথা পাতাগৈ।"

কিষ্কিন্ধাত উপস্থিত হৈ লক্ষ্মণ পোনে পোনে সুগ্ৰীৱৰ ওচৰলৈ গ'ল। তীব্ৰ বেগেৰে লক্ষ্মণক এনেকৈ গৈ থকা দেখি তেওঁক শত্ৰু বুলি ভাবি তেওঁৰ ওপৰত নিক্ষেপ কৰিবলৈ ডাঙৰ ডাঙৰ বানৰসকলে বিশাল বৃক্ষ ওভালি ল'লে। তাকে দেখি লক্ষ্মণে সেইসকল বান্দৰক চকু পকাই ধৰিলে। লক্ষ্মণৰ এই দৃষ্টি দেখি বান্দৰবোৰ সেই ঠাইৰপৰা গুচি গ'লগৈ। কিছুমান সুগ্ৰীৱৰ ঘৰলৈ গৈ ক'লে যে লক্ষ্মণ আহি আছে। কিন্তু তাৰাৰ সৈতে কথা পতাত ব্যস্ত সুগ্ৰীৱে এই কথা নুশুনিলে।

ইফালে সুগ্ৰীৱৰ মন্ত্ৰীসকলে কিছুমান বান্দৰক এইটো খবৰ কৰিবলৈ পঠিয়াইছিল যে লক্ষ্মণ আহিছেনে নাই। এই গোটটোত অংগদক দেখি লক্ষ্মণে ক'লে, "ভাই, সুগ্ৰীৱক গৈ কোৱাগৈ যে মই আহিছো। তৎক্ষণাৎ গৈ তুমি এই কথাৰ সন্দেহ লোৱাগৈ যে তেওঁ মোৰ সৈতে কথা পাতিব খোজে নে নোখোজে।" অংগদ ভয়ে ভয়ে সুগ্ৰীৱৰ ওচৰলৈ গ'ল। অংগদে সুগ্ৰীৱ আৰু নিজৰ মাকক প্ৰণাম কৰি লক্ষ্মণে যেনেকৈ কৈ পঠিয়াইছিল সেইখিনি কথাকে হুবহু সুগ্ৰীৱক ক'লে। সেই সময়ত সুগ্ৰীৱ নিচাগ্ৰস্ত হৈ থকাত অংগদে কোৱা কথাবোৰ তেওঁ

ভালকৈ নুশুনিলে। কিন্তু লক্ষ্মণৰ ৰৌদ্ৰ ৰূপ আৰু বান্দৰবোৰৰ কোলাহল শুনি সুগ্ৰীৱৰ নিচা কিছু কাটিলে।

যেতিয়া প্লক্ষ আৰু প্ৰভাৱ নামৰ দুজন মন্ত্ৰীক লগত লৈ অংগদ সুগ্ৰীৱৰ ওচৰলৈ আহিল তেতিয়া সুগ্ৰীৱ কিছু পৰিমাণে চেতন অৱস্থালৈ আহিল। লক্ষ্মণ যে সুগ্ৰীৱৰ লগ পাবলৈ আহিছে সেই কথা তেওঁলোকে সুগ্ৰীৱক জানিবলৈ দিলে। সুগ্ৰীৱে জানিব পাৰিলে যে লক্ষ্মণ খালী হাতে অহা নাই, বৰঞ্চ অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত হৈ আহিছে আৰু লক্ষ্মণ ক্ৰোধান্বিত হৈ আছে।

সুগ্ৰীৱে মন্ত্ৰীসকলক ক'লে, "মইতো কোনো ভুল কৰা নাই। তেনে অৱস্থাত লক্ষ্মণ মোৰ প্ৰতি ক্ৰোধান্বিত কিয়? মোৰ কোনোবা শত্ৰুৱে তেওঁক গৈ মোৰ বিৰুদ্ধে মিছাই কিবা কথা লগোৱা নাইতো! যিকোনো প্ৰকাৰে হ'লেও তোমালোকে তেওঁৰ ক্ৰোধৰ কাৰণ কি তাক জানি লোৱা। ৰাম লক্ষ্মণলৈ মই ভয় কৰো, কথাটো ঠিক তেনেকুৱাও নহয়। কিন্তু মিত্ৰৰ ক্ৰোধ দেখিলে চিন্তিত হোৱাৰ কথা, নহয় জানো? ৰামৰ উপকাৰৰ বিনিময়ত মই উপকাৰ কৰাটো পিছে মোৰ পক্ষে সম্ভৱ নহ'ব।"

তেতিয়া হনুমানে সুগ্ৰীৱক ক'লে, "ৰজা সুগ্ৰীৱ, তোমাৰ ওপৰত ৰামৰ নিশ্চয় সামান্য অভিমান হৈছে। তেওঁ এতিয়াও বোধকৰো ক্ৰোধান্বিত হৈ উঠা নাই। শৰৎ কালৰ আগমনৰ পাছতো তোমাৰ গাৰ নোমেই নলৰিল। সেয়েহে তোমাক তোমাৰ কৰ্ত্তব্যৰ কথা সোঁৱৰাই দিবলৈ লক্ষ্মণ ইয়ালৈ আহিছে। তেওঁ যদি কিবা কয় তেন্তে তুমি কোনো আপত্তি নকৰি কথাবোৰ শুনি যাবা। কাৰণ ভুল যদি হৈছে, সেই ভুল তুমিয়েই কৰিছা। ৰামক ক্ৰোধান্বিত কৰাটো কাৰো পক্ষেই শুভ নহয়,

আৰু তোমাৰ বাবে, যাক তেওঁ ইমান ডাঙৰ সহায় কৰিলে, সেই কম কৰাটোতে তেনেই অনুচিত।"

ইফালে লক্ষ্মণ সুগ্ৰীৱৰ অন্তেষপুৰৰ ওচৰলৈকে আহিল। ভিতৰত স্ত্ৰীসকলৰ শব্দ শুনি লক্ষ্মণ ৰৈ দিলে! লক্ষ্মণৰ ধনুৰ শব্দ শুনি সুগ্ৰীৱে তেওঁৰ সমুখলৈ যাবলৈ ভয় কৰিলে আৰু সুগ্ৰীৱে তাৰাক পঠিয়াই দিলে লক্ষ্মণৰ সৈতে কথা পাতিবলৈ।

সুগ্ৰীৱৰ আদেশ পাই তাৰা লক্ষ্মণৰ ওচৰলৈ আহিল। তৰাই ক'লে, "আপোনাক খুব ক্ৰোধান্বিত যেন ধাৰণা হৈছে। আপোনাৰ এই ক্ৰোধৰ কাৰণ কি জানিব পাৰোনে? কোনোবাই আপোনাৰ কথা শুনা নাই নেকি?" তাৰাই সুধিলে।

"সুগ্ৰীৱ সদায়ে নিচাগ্ৰস্ত হৈ থাকে আৰু তেওঁ ঠিকমতে ৰাজকাৰ্যও সম্পন্ন নকৰে। তেওঁ যে আমাৰ কথা মুঠেই চিন্তা নকৰে সেই কথা তুমি নাজানা নেকি? যুদ্ধৰ প্ৰস্তুতিৰ বাবে তেওঁ চাৰিমাহ সময় হ'লে। সময় শেষ হৈছে আৰু আমাৰ কাম আৰম্ভই হোৱা নাই। এনে অৱস্থাত আমি কি কৰা উচিত তুমিয়েই কোৱা।" লক্ষ্মণে তাৰাক ক'লে।

তাৰাই লক্ষ্মণক ক'লে, "সুগ্ৰীৱ ভোগ বিলাসত মত্ত আছে, সেই কথা লৈ আপোনালোকে সুগ্ৰীৱৰ ওপৰত ক্ৰোধ নকৰিব। তেওঁ আপোনালোকৰ কামৰ কথা পাহৰি যোৱা নাই। আপোনালোকৰ এই কামৰ বাবে তেওঁ বান্দৰক বিভিন্ন দায়িত্ব দি ইতিমধ্যেই নিয়োজিত কৰিছে। দূৰ দূৰণিৰ পৰ্বতৰপৰা লাখ, লাখ, কোটি কোটি বান্দৰ আহি আছে।" এইবুলি কৈ তাৰাই লক্ষ্মণক অন্তেষপুৰলৈ আগবঢ়াই নিলে।

যেতিয়া লক্ষ্মণ ভিতৰলৈ গ'ল, সেই সময়ত সুগ্ৰীৱ নিচাগ্ৰস্ত হৈ বহুত স্ত্ৰীৰ মাজত বহি আছিল। এই দৃশ্য দেখি লক্ষ্মণৰ খঙে মূৰৰ চুলিৰ আগ পালেগৈ। সুগ্ৰীৱক তেওঁ টান মাতেৰে ক'লে, "তুমি উপকাৰী মিত্ৰৰ আগত মিছা প্ৰতিজ্ঞা কৰিলা। পৰম পাপী, তুমি কৃতঘ্ন। তোমাকতো যিকোনো ব্যক্তিয়ে নিধন কৰিব পাৰে। ৰামৰ হতুৱাই তুমি তোমাৰ কাম কৰোৱাই ল'লা। কিন্তু তেওঁৰ বাবে কৰিবলগীয়া কাম তুমি কথা দিয়ো আৰম্ভই নকৰিলা। মনত ৰাখিবা, বালী যি পথে যাবলগীয়া হ'ল তোমাকো সেই একেটো পথৰেই যাবলৈ দিয়াৰ ব্যৱস্থা কৰোতে আমাৰ সৰহ সময় নালাগিব। তাকে যদি হোৱাটো কামনা নকৰা তেন্তে তুমি মাত্ৰ সীতাৰ সন্ধানত ওলাব লাগিব আৰু অধিক পলম নকৰাকৈ।" লক্ষ্মণে ক'লে।





দাড়িৱালা ৰামসিংহ

মন্দিৰৰপৰা ঘূৰি অহাৰ সময়ত কমলাই তেওঁৰ পিতৃ গোৰখপ্ৰসাদে দুজন অপৰিচিত ব্যক্তিৰ লগত কথা পাতি থকা দেখিলে। গোৰখপ্ৰসাদে তেওঁলোকৰ সৈতে কমলাক পৰিচয় কৰাই দিলে। তেওঁলোকক প্ৰণাম কৰি কমলা ভিতৰলৈ গ'ল।

গোৰখপ্ৰসাদে কথা পাতি থকা দুজন ব্যক্তি আছিল বাপেক আৰু পুতেক। সেইজন যুৱকক কমলাই তেওঁৰ এগৰাকী বান্ধৱীৰ বিয়াত দেখিছিল। তেওঁ আছিল দৰাৰ বন্ধু ৰবিকান্ত। ৰবিকান্তনো তেওঁৰ পিতাকক লৈ তেওঁলোকৰ ঘৰলৈ কিয় আহিছে সেই কথা কমলাই বুজি নাপালে।

সেই সময়তে গোৰখপ্ৰসাদ ঘৰৰ ভিতৰলৈ আহিল আৰু কমলাক ক'লে, "এওঁলোক বৰ ধনী মানুহ, সেই ডেকালৰাই তোমাক ক'ৰবাত দেখি পছন্দ কৰিলে, সেয়েহে নিজৰ পিতাকক লৈ আমাৰ ঘৰলৈ আহিছে। কিন্তু তেওঁৰ পিতাকে অতি কমেও দহ হেজাৰ টকাৰ যৌতুক বিচাৰিছে। আমিতো ইমানখিনি ধন গোটাব নোৱাৰিম। সেয়েহে তেওঁলোকক চাহ জলপান খুৱাই বিদায় দিম। কমলাই খৰখেদা কৰি তেওঁলোকক চাহ জলপান খুৱালে। ৰবিকান্তক বিয়া কৰিবলৈ কমলাই ভালেই পাব, কিন্তু দহ হেজাৰ টকাৰ যৌতুক আনে ক'ৰপৰা?

ইফালে গোৰখপ্ৰসাদে পৰিষ্কাৰকৈ কৈ দিলে যে তেওঁ দহ হেজাৰ টকা দিব নোৱাৰিব। তাৰপাছত তেওঁলোকক বিদায় দিবলৈ তেওঁ নিজে জপনামুখলৈকে গ'ল।

ঘূৰি আহি গোৰখপ্ৰসাদে কমলাক ক'লে, "আই, নিজে নিজেই অহা ইমান এটা ভাল প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাটো বৰ অবিবেচনাৰ কাম হ'ব। তুমি যদি ভাল বুলি ভাবিছা, তেন্তে মই তেওঁলোকক কথা দিব পাৰিম।"

"যৌতুক ক'ৰপৰা আনিব দেউতা?"

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

কমলাই সুধিলে। "যিকোনো প্ৰকাৰে হ'লেও মই তাৰ ব্যৱস্থা কৰিম। তোমাৰ মুখ চায়েই মই ধৰিব পাৰিছো যে এই প্ৰস্তাৱ তোমাৰ খুব পছন্দৰ হৈছে।" গোৰখপ্ৰসাদে ক'লে।

গোৰখপ্ৰসাদে বিয়াখনত সন্মতি দিলে আৰু পোন্ধৰ দিনৰ ভিতৰতে বিয়াৰ শুভ-মুহূৰ্ত্তও ঠিক কৰা হ'ল।

বিয়াৰ আগদিনা বৰযাত্ৰীৰ দল আহি পালেহি। পাটোৱাৰীৰ ঘৰত বৰযাত্ৰীসকল থকাৰ ব্যৱস্থা কৰা হ'ল।

কমলাক তেওঁৰ সখিয়েকসকলে সজাই পৰাই আছিল, তেনেতে তালৈ এজন বয়োজ্যেষ্ঠ মানুহ সোমাই আহি ক'লে, "মই আমাৰ ৰবিকান্তৰ পছন্দনো কেনেকুৱা তাকে চাবলৈ আহিলো। কইনা আছে ক'ত?" সেই মানুহজনৰ দীঘল দাড়ি গোঁফ আছিল আৰু চুলিও দীঘল আছিল। তেওঁ ক'লে, "মোৰ নাম দাড়িসিংহ। মই দৰাৰ দেউতাকৰ দৰে।"

কমলাই বয়োজ্যেষ্ঠ মানুহজনক প্ৰণাম কৰি তেওঁৰ আশীৰ্বাদ বিচাৰিলে। বৰপক্ষৰ বয়োজেষ্ঠ যিহেতু, সেয়েহে গোৰখপ্ৰসাদে তেওঁক যথাযথ আদৰ সৎকাৰ কৰিলে।

তাৰপাছত দাড়িৱালা পোনে পোনে বৰযাত্ৰীৰ শিবিৰলৈ গ'ল আৰু দৰাৰ দেউতাকক ক'লে, "মই কমলাৰ পছন্দনো কেনেকুৱা তাকে চাবলৈ আহিলো, দৰা আছে ক'ত? মোৰ নাম দাড়িসিংহ। মই কইনাৰ দেউতাকৰ দৰে।"

দৰাৰ দেউতাক ৰাজনাথে দাড়িনাথক বৰ আদৰ সাদৰ কৰিলে আৰু ৰবিকান্তক তেওঁৰ সৈতে চিনাকি কৰাই দি ক'লে, "এখেত তোমাৰ শহুৰেৰ ককায়েক।"

এনেদৰে দাড়িসিংহই কইনাৰ ঘৰ আৰু দৰাৰ শিবিৰলৈ অহা যোৱা কৰি থাকিল।

আবেলি দৰাপক্ষৰ বাহৰত যেতিয়া ৰাজনাথে তেওঁৰ আত্মীয়সকলৰ সৈতে কথা পাতি আছিল, তেতিয়া দাড়িসিংহই তালৈ আহি ক'লে, "মহাশয়, অলপ সময়ৰ বাবে বাহিৰলৈ আহিব পাৰেনে? যৌতুকৰ সম্পৰ্কে কিছু কথা পাতিবলৈ আছে।"

ৰাজনাথ উঠি আহিল। দাড়িসিংহই ৰাজনাথক ভিতৰলৈ লৈ গ'ল।

"মোৰ ভাইটোৱে যৌতুকৰ টকাখিনি" কথা শেষ নৌহওঁতেই দাড়িসিংহৰ উপৰ্যুপৰি কাহ আহিল। কাহি কাহি তেওঁ অলপ পানী বিচাৰি ইংগিত দিলে।

ৰাজনাথ বাহিৰলৈ আহিল, এটা লোটাত পানী লৈ কোঠাৰ ভিতৰলৈ আহিল।

দাড়িসিংহই পানী খাই ক'লে, "মোৰ ভাইটোৱে এইকথা সুধি পুঠিয়াইছিল যে যৌতুকৰ ধনখিনি এতিয়াই দি দিয়ক নেকি?"

"হয়, হয়, ধনখিনি আনিবলৈ কওক।" ৰাজনাথে উত্তৰ দিলে।

তাৰপৰা দাড়িসিংহ কইনাৰ ঘৰলৈ আহিল, নিজৰ আত্মীয়ৰ মাজত বহি থকা গোৰখপ্ৰসাদক ক'লে, "শুনকচোন! আপোনাৰ সৈতে এটা জৰুৰী কথা পাতিবলগীয়া আছে।"

গোৰখপ্ৰসাদে এবাৰ মানুহৰ ফালে চাই দাড়িসিংহক ভিতৰৰ এটা কোঠালৈ লৈ গ'ল।

অলপ সময়ৰ পাছত গোৰখপ্ৰসাদে এইবুলি কৈ কৈ বাহিৰলৈ আহিল যে, "খোৱা পানী আনা, খোৱা পানী আনা, কাহি কাহি দাড়িসিংহই ছটফটাব লাগিছে।" তাৰপাছত তেওঁ পানী লৈ ভিতৰৰ কোঠাটোলৈ গ'ল।



অলপ সময়ৰ পাছত দাড়িসিংহ কোঠাৰপৰা বাহিৰ ওলাল আৰু তাৰপৰা গুচি গ'ল। হঠাতে কোঠাৰ ভিতৰৰপৰা গোৰখপ্ৰসাদে চিঞৰা শুনা গ'ল।

গোৰখপ্ৰসাদে এটা চন্দুকৰ সমুখত বহি ভয়াৰ্ত হৈ কাপোৰ কানি আদি চন্দুকৰপৰা উলিয়াই বাহিৰলৈ দলিয়াই আছিল আৰু চিঞৰি চিঞৰি কৈ আছিল, "যৌতুকৰ ধনখিনি গ'ল ক'লৈ? এহাজাৰ দুহেজাৰ নহয়, পূৰা দহহেজাৰ টকা। আমাৰ বিয়েয়ে এতিয়া টকাখিনি খুজি পঠিয়াইছিল। দাড়িসিংহ গ'ল ক'লৈ? দাড়িসিংহৰ বাহিৰে আৰু কোনেও এই কোঠাত আহি ভৰি দিয়া নাই। কাহ অহাৰ অজুহাতত তেওঁ মোক কোঠাৰপৰা বাহিৰলৈ পঠিয়াই গোটেইখিনি ধন আত্মসাৎ কৰিলে। তেওঁ চোৰ। বদমাছ। তেওঁক ধৰহঁত, যা ধৰগৈ! যা যা!"

ঠিক সেই সময়তে চিঞৰি চিঞৰি অহা ৰাজনাথে ক'লে, "সেই দুষ্ট আছে ক'ত? মোৰ পাঁচ হাজাৰ টকা দিনে দুপৰে লুটি লৈ গ'ল। কাহ অহাৰ অজুহাতত মোক কোঠাৰপৰা উলিয়াই সেই দুষ্টই ধনখিনি আত্মসাৎ কৰিলে।"

"দাড়িসিংহই মোৰো দহ হাজাৰ টকা লুটি নিলে।" গোৰখপ্ৰসাদে চিঞৰি উঠিল।

তেতিয়াহে সকলোৰে মনত এটা প্ৰশ্ন উদয় হ'ল, "দাড়িসিংহনো আচলতে কোনটো পক্ষৰ? সোধ পোছ কৰি গম পোৱা গ'ল যে তেওঁ কোনোটো পক্ষৰে মানুহ নহয়। পিছে দাড়িসিংহক বিচাৰি পোৱা নগ'ল। ৰবিকান্তই দেউতাকক একাষৰীয়া কৰি বুজালে, "মই আপোনাক প্ৰথমতে কৈছিলো যে অনাহকতে যৌতুকৰ আহুকাল চপাই নল'ব, কিন্তু আপুনি মোৰ কথা নুশুনিলে। এতিয়া কেনে বিষম পৰিস্থিতিৰ সৃষ্টি হ'ল। আপোনাৰ যৌতুকৰ প্ৰতি থকা লোভৰ কথা গম পাই সেই দাড়িৱালাই যৌতুকৰ কথা পতাৰ অজুহাততে আপোনাক কোঠাৰ ভিতৰলৈ লৈ গ'ল আৰু

পাঁচ হাজাৰ টকা লৈ পলাল। ভাগ্য ভাল আছিল বুলি চোৰে কাপোৰৰ তলত থকা পঁচিছ হাজাৰ টকা আৰু গহনা নেদেখিলে। আমি এতিয়া মানুহৰ হাঁহিয়াতৰ পাত্ৰ হ'লো, এতিয়া আপুনি অনুগ্ৰহ কৰি যৌতুকৰ কথা নুলিয়াব।"

বিয়াৰ পাছত ঘোঁৰা গাড়ীত গৈ থাকোতে ৰবিকান্তক কমলাই ক'লে, "সেই দাড়িসিংহৰ নাটক কেনে আচৰিত? মোৰ দেউতাৰ টকাখিনিৰ লগতে শহুৰৰ চকুত ধূলি দিয়ো তেওঁৰ টকাখিনি নিলে। মোৰ হ'লে বৰ দুখ লাগিছে।"

ৰবিকান্তই হাঁহি মাৰি ক'লে, "কাৰো টকা চুৰি কৰা হোৱা নাই। এই গোটেইখন নাটক মই আৰু তোমাৰ দেউতাই মিলি কৰিলো। মোৰ দেউতাই পৰিষ্কাৰকৈ কৈ দিছিল যে যৌতুক অবিহনে এই বিয়া সম্ভৱ নহ'ব। তোমাৰ দেউতাই যেতিয়া আমাক আগবঢ়াই দিবলৈ আহিছিল তেতিয়া মোৰ দেউতাই ঘোঁৰাগাড়ীৰ চালকৰ লগত কথা পাতি আছিল। সুযোগ বুজি মই তোমাৰ দেউতাক একাষৰীয়া কৰি এই উপায় দিলো। প্ৰথমতে তোমাৰ দেউতাই ইয়াত সন্মতি দিব খোজা নাছিল। দাড়িসিংহ হ'ল মোৰ পৰিচিত ব্যক্তি। তেওঁ নিজৰ ছোৱালীৰ বাবে মোৰ দেউতাৰপৰা পাঁচ হেজাৰ টকা ধাৰলৈ খুজিছিল, কিন্তু মোৰ দেউতাই নিদিলে। মই ইয়াৰ আগতে চন্দুকৰপৰা গুপুতে পাঁচ হেজাৰ টকা উলিয়াই দাড়িসিংহক দিছিলো। দাড়িসিংহই তেওঁৰ ওপৰত সন্দেহ সৃষ্টি কৰিবলৈকে কাহ অহাৰ ভাও জুৰিলে। তোমাৰ দেউতাৰ ওচৰতনো যৌতুকৰ ধন আছিল ক'ত? মোৰ দেউতাৰ যেতিয়া পাঁচ হেজাৰ টকা চুৰি হ'ল তেতিয়া তেওঁ এই কথা বিশ্বাস কৰিলে যে যৌতুকৰ ধনখিনিও চুৰি হৈছে।"

"অহ, আপুনি কিযে সৰল মানুহ। বিনা যৌতুকেৰে আপুনি মোক বিয়া কৰালে ঠিকেই, কিন্তু দাড়িসিংহই অনাহকতে চোৰ বুলি অপবাদ ল'বলগীয়া হ'ল।" কমলাই নিজৰ চিন্তা ব্যক্ত কৰিলে।

"দাড়িসিংহ তেওঁৰ আচল নাম নহয়, তেওঁৰ আচল নাম ৰামসিংহ। তেওঁৰ দাড়ি, মোঁচ আৰু চুলি নকলী। তেওঁ নাটকত অভিনয় কৰে, সেয়ে সহজেই তেওঁ নিজৰ স্বৰ সলনি কৰি ল'লে। তেওঁৰ ল'ৰাটোৱে চাকৰি পালেই তেওঁ আমাৰ পাঁচ হাজাৰ টকা ঘূৰাই দিব।" ৰবিকান্তই কমলাক বুজালে।

চিত্ৰ : গান্ধী অয্যা 23
অপৰাজেয় গৰুড়
সূৰ্যপুৰীৰ সেনা আদিত্য আৰু ৰাজগুৰুক বন্দী কৰিবৰ কাৰণে মন্দিৰ স্থললৈ আহে। সেনাধ্যক্ষ ধীৰসেনে নিজৰ অভিজ্ঞতাৰে গম পালে যে আদিত্যৰ গাত দেৱী শক্তি আছে। সেয়েহে তেওঁ আত্মসমৰ্পণ কৰিলে।
নবেন্দ্ৰদেৱৰ সপোনৰ বিষয়ে শুনাৰ পিছত...
মহোদয়, তুমি নিজৰ পুত্ৰৰ বিষয়ে চিন্তিত, কিয়নো, তুমি তেওঁক চন্দ্ৰপুৰীৰ সিংহাসনত বহুৱাব খুজিছা। ধৈৰ্য ধৰা। সেই মহান বলিদানৰ কেৱল তিনি পূৰ্ণিমা বাকী আছেগৈ। তাৰ পিছত...
দৈৱ পুৰুষৰ কথা শেষ হোৱাৰ আগতে...
এই ভয়লগা কণ্ঠ কেনে আছিল?
হয়, ময়ো শুনিলো। এই কণ্ঠ মন্দিৰৰ পৰা আহিছে।
গৰুড়ৰ বলিদান চলি আছে। তাৰ ধোঁৱাৰ পৰা নাগবন্ধুৰ ছবি প্ৰকট হৈ পৰে।
দৈৱ পুৰুষ, নবেন্দ্ৰদেৱ আৰু বাকীবোৰ কক্ষলৈ দৌৰি আহে।
আমাৰ গুৰু!
তেওঁ কিবা কৈছে।

নবেন্দ্ৰদেৱে যি বৰ্ণনা দিছে, সেয়া সপোন নহয়। সেয়াই হ'বলৈ গৈ আছে। তাক সতৰ্কবাণী বুলি ভাৱা। গৰুড় পুনৰ শীঘ্ৰেই প্ৰকাশ হৈ পৰে। নিজৰ হিতৰ বাবে তাক শেষ কৰি দিয়া।
ধোঁৱা লাহে লাহে ছিন্ন ভিন্ন হৈ পৰে।
ৰবীন্দ্ৰ, বজ্ৰপুৰীত মোৰ মিত্ৰৰ ওচৰলৈ তুৰন্তে যোৱা। তেওঁ আদিত্যক নিশ্চয় বন্দী কৰিব লাগিব আৰু বলিদানৰ বাবে ইয়ালৈ আনিব লাগিব।
হয় পিতা, মই বজ্ৰপুৰীলৈ এতিয়াই যাওঁ।
ৰামসিংহ সূৰ্যনগৰ পায়গৈ। তেওঁক আদিত্যৰ কক্ষলৈ লৈ যোৱা হয়।
আদিত্য, ৰজাই অভিবাদন পঠিয়াইছে আৰু ৰাজকুমাৰী অৰুণাই কুশল মংগল সুধিছে।
সূৰ্যপুৰীৰ সেনাধ্যক্ষ ধীৰসেনক লগ কৰা।
আমাৰ সীমাত সুৰক্ষাৰ বাবে সৈনিক সাজু আছে।
সূৰ্যপুৰীয়ে চন্দ্ৰপুৰীক সহায় কৰিবৰ ইচ্ছা কৰিছে।
আমি আমাৰ ৰণনীতিৰ বিষয়ে আলোচনা কৰি আছো। যি কোনো সময়তে বজ্ৰপুৰীৰ বাবে কিবা কৰিব পাৰোঁ।
আমি প্ৰধানকৈ এই কথা সুনিশ্চিত কৰিম যে বজ্ৰপুৰীৰ সীমাৰ পৰা সৈনিক আঁতৰি যায়।
এতিয়া যিহেতু বজ্ৰপুৰীৰ মনোযোগ চন্দ্ৰপুৰীৰ ফালে গৈছে, আমি বজ্ৰপুৰী আক্ৰমণ কৰিব পাৰোঁ।
হয়, এয়া এক উত্তম কৌশল হ'ব।

ৰামসিংহ, মই যিকোনো ধৰণৰে ৰক্তপাতৰ পৰা বাচি থাকিব খোজো।
মনত আছেনে আমাৰ ৰাজগুৰুৱে কি কৈছিল?
কাইলৈ নক্ষত্ৰ নিজৰ স্থানৰ পৰা বিচ্যুত হ'ব আৰু বিজয় আমাৰ হ'ব। মই এতিয়া যাম।
ধীৰসেনে দুৰ্গৰ প্ৰৱেশ দ্বাৰলৈকে আগবঢ়াই দিয়ে।
সেনাধ্যক্ষ! অনুগ্ৰহ কৰি আদিত্যৰ ওপৰত চকু ৰাখিব।
পিছদিনা, সূৰ্যপুৰীৰ সেনাই ধীৰসেন আৰু আদিত্যৰ নেতৃত্বত বজ্ৰপুৰীৰ ফালে আগবাঢ়ে। যেতিয়া তেওঁলোক দুৰ্গৰ ওচৰ পায়গৈ...
তুমি দুৰ্গটো এফালৰপৰা ঘেৰি লোৱা আৰু মই আনফালে কিছুমান সৈনিকক লৈ গৈছোঁ।
আৰু আমি দুয়ো দুৱাৰত লগ হ'ম।
সূৰ্যপৰীৰ সেনা দুভাগত ভাগ হৈ বজ্ৰপুৰীৰ দুৰ্গ চাৰিওফালে পৰা ঘেৰি লয়।

দুৰ্গৰ দুৱাৰত...
মহোদয়, চন্দ্ৰপুৰীৰ ৰবীন্দ্ৰদেৱ আহিছে।
কাকো বাহিৰলৈ যাবলৈ নিদিবা।
ৰাজকুমাৰ! আপুনি প্ৰহৰীৰ কথা বতৰা শুনিলেনে?
দুৰ্গ নিজৰ অধীন কৰাৰ এয়া অন্য এক কাৰণ।
আদিত্য আৰু ধীৰসেন দুৱাৰৰ ওচৰত মিলিত হয়।
আচৰিত! কোনেও বাধা নিদিলে।
ৰাজকুমাৰ! এনে লাগিছে, আমাৰ আক্ৰমণৰ বিষয়ে সিহঁতে গম নাপায়।
মহলৰ ভিতৰত ৰবীন্দ্ৰদেৱ, ৰজা বিক্ৰমসিংহ আৰু মন্ত্ৰী পুষ্পৰাজৰ লগত থাকে।
আমি খবৰ পাইছো যে চন্দ্ৰপুৰীৰ চাৰিসীমাত চোকা পহৰা আছে।
মোৰ পিতাই আপোনাক সাৱধান কৰি দিব খুজিছে যে যদি চন্দ্ৰপুৰী আক্ৰমণ কৰাত বিলম্ব হয়, তেন্তে আদিত্য আমাৰ দুয়োৰে বাবে সন্ত্ৰাস হৈ পৰিব পাৰে।
আমাৰ সেনাই আক্ৰমণ তেতিয়া কৰিব যেতিয়া আমাৰ বিজয় সুনিশ্চিত হ'ব।
ৰবীন্দ্ৰদেৱে নিজৰ পিতাকৰ ব্যক্তিগত অভিজ্ঞতাৰ বিষয়ে জনায়।
আদিত্যক বন্দী কৰি বলিদানলৈ লৈ যোৱা হওক। তেওঁক হত্যা কৰিব লাগিব। তেতিয়াহে আমাৰ অন্য পৰিকল্পনা-বোৰ সফল হ'ব।
পুষ্পৰাজে ৰবীন্দ্ৰদেৱক আশ্বাস দিয়ে।
মোৰ বিশ্বাস যে আদিত্য এতিয়ালৈকে সূৰ্যপুৰীৰ সেনাৰ দ্বাৰা ধৰা পৰিছে নিশ্চয়। মোৰ মিত্ৰ ধীৰসেনে তেওঁক লৈ গুহালৈ গৈ আছে নিশ্চয়।
এজন প্ৰহৰী বেগাই ভিতৰলৈ সোমাই আহে।
মহাৰাজ, সূৰ্যপুৰীৰ সেনাই আমাৰ দুৰ্গ ঘেৰি লৈছে। চন্দ্ৰপুৰীৰ ৰাজকুমাৰ আদিত্য সেনাধ্যক্ষৰ লগত আছে।
আদিত্য দুৰ্গৰ দুৱাৰত!
ধীৰসেনে আমাক কেনেকৈ প্ৰতাৰণা কৰিব পাৰে?
এতিয়া আমাৰ বচাৰ কোনো উপায় নাই।
ক্ৰমশঃ

ভাৰতৰ ঐহিত্যমণ্ডিত স্থান

তিনিটা চোলা মন্দিৰ

বৃহদেশ্বৰ মন্দিৰ - তনজাভুৰ

বৃহদেশ্বৰ মন্দিৰ - গঙ্গাই কোন্দাচলিশ্বৰম

দাৰাচুৰম - ঐৰাৱতশ্বৰ মন্দিৰ

তনজাভুৰত থকা বৃহদেশ্বৰ মন্দিৰ, গঙ্গাই কোন্দা-চলিশ্বৰমত থকা আন এটা বৃহদেশ্বৰ মন্দিৰ আৰু দাৰাচুৰমত থকা ঐৰাৱতশ্বৰ মন্দিৰ--এই তিনিটা মন্দিৰক প্ৰায়েই 'জীৱন্ত' মন্দিৰ বোলা হয়। একাদশ আৰু দ্বাদশ শতিকাত দক্ষিণ ভাৰত আৰু কেই-টামান প্ৰতিবেশী দ্বীপৰ ওপৰত শাসন চলোৱা চোলা ৰজাসকলে এই মন্দিৰকেইটা নিৰ্মাণ কৰিছিল।

ৰজা ৰাজাৰাজ চোলাই দশম শতিকাত নিৰ্মাণ কৰা বৃহদেশ্বৰ মন্দিৰৰ আৰ্হি প্ৰস্তুত কৰিছিল স্থপতি শৰ্মা বাৰ্মাই। পেৰিয়া কৰিল (বৃহৎ মন্দিৰ) নামৰ মধ্য মন্দিৰটো আছে এটা দুৰ্গৰ ভিতৰত, যিটো দুৰ্গৰ বেৰবোৰ ষষ্ঠদশ শতিকাত, পিছত সজোৱা হৈছিল। ইয়াৰ স্তম্ভটো প্ৰায় ৬৫ মিটাৰ ওখ আৰু ই পৃথিৱীৰ ভিতৰত উচ্চতম। ইয়াৰ আৰ্হি এনেভাৱে প্ৰস্তুত কৰা হৈছিল যে বছৰৰ যিকোনো সময়তে দুপৰীয়া এই স্তম্ভৰ ছাঁ নপৰে, আৰু মন্দিৰটো একেটা শিলাখণ্ডৰপৰাই গঢ়ি তোলা হৈছিল।

ৰাজেন্দ্ৰ চোলা প্ৰথমে নিৰ্মাণ কৰা গঙ্গাইকোন্দাচলিশ্বৰমৰ বৃহদেশ্বৰ মন্দিৰটোৰ নিৰ্মাণ কাৰ্য সম্পন্ন হয় ১০৩৫ চনত। ইয়াৰ গৰ্ভগৃহৰ ওপৰত আছে ৫৩ মিটাৰ ওখ এটা স্তম্ভ। এই স্তম্ভত আছে দেখিবলৈ খুব ধুনীয়া ওপৰ মুখী বক্ৰতা, যিটো তাঞ্জোৰ মন্দিৰৰ সৰলৰৈখিক স্তম্ভত দেখা নাযায়। দাৰাচুৰমত থকা ঐৰৱতশ্বৰ মন্দিৰটো নিৰ্মাণ কৰায় ৰাজাৰাজ চোলা দ্বিতীয়ই। ইয়াৰ মূল বৈশিষ্ট্য হ'ল ২৪ মিটাৰ ওখ স্তম্ভটো।

এই তিনিওটা মন্দিৰ চোলা স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন আৰু ইহঁতে হাজাৰ বছৰীয়া তামিল সভ্যতাৰ পৰিচয় দাঙি ধৰে। ১৯৮৭ চনত তাঞ্জোৰত থকা বৃহদেশ্বৰ মন্দিৰটো বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত হয়। ইউনেস্কই' ২০০৮ চনত আন দুটা মন্দিৰকো এই তালিকাত অন্তৰ্ভুক্ত কৰে। তেতিয়াৰেপৰা তিনিওটা মন্দিৰ "মহান জীৱন্ত চোলা মন্দিৰ" নামেৰে জনাজাত হয়।

বাতৰিৰ শিৰোনামাত শিশু

ৰাষ্ট্ৰীয় পুৰস্কাৰ

যোৱা ১৪ নৱেম্বৰ, শিশুদিৱসৰ দিনা মাডুৰাইৰ সাত বছৰীয়া ছোৱালী এম.লাৱিনাশ্ৰীক ২০০৬ চনৰ বাবে অভাৱনীয় সফলতাৰ বাবে থকা ৰাষ্ট্ৰীয় শিশু বঁটা প্ৰদান কৰা হয়। মাত্ৰ তিনি বছৰ বয়সতে তেওঁ থিৰুক্কুৰালত থকা ১৩৩০টা শ্লোক মুখস্থ কৰি আবৃত্তি কৰাৰ বাবে লিমকা বুক অৱ ইণ্ডিয়ান ৰেকৰ্ডচত স্থান পায়। তাৰপাছৰেপৰা তেওঁ বিভিন্ন সাহিত্যিক মঞ্চত এই দক্ষতা প্ৰদৰ্শন কৰি পুৰস্কাৰ জয় কৰিছে। ইয়াৰ ভিতৰত আছে তামিলনাডু চৰকাৰৰ নগদ বঁটাও। লাৱিনাশ্ৰী বৰ্ত্তমান তৃতীয় শ্ৰেণীৰ ছাত্ৰী।

বিশ্ব খিতাপ

যোৱা ২৮ নৱেম্বৰত তুৰস্কৰ আনটাল্যত হোৱা প্ৰতিযোগিতাত জয়লাভ কৰি গোৱাৰ ইভানা মাৰিয়া ফুৰটাড'ৱে তেওঁৰ ৮ বছৰৰ তলৰ বিশ্ব ডবা খিতাপ অক্ষুন্ন ৰাখে। তেওঁ ফাইনেল ৰাউণ্ডত কাজাখাস্তানৰ জনচায়া আব্দুমালিকক পৰাভূত কৰে। কনেৰু হাম্পি আৰু দ্ৰুনাভাল্লি হাৰিকাৰ পাছত ডবাৰ বিশ্ব খিতাপ জয় কৰা তেওঁ ভাৰতৰ তৃতীয়গৰাকী ছোৱালী। তেওঁৰ এই সাফল্যত বিশ্ব চেম্পিয়ন বিশ্বনাথন আনন্দে সন্তুষ্টি প্ৰকাশ কৰিছে।

সংগীত পৰিচালক

খ্যাতনামা মালয়ালম গায়ক-গায়িকা, যেনে শ্ৰীনিবাস, মধু বালকৃষ্ণণ, বিধু প্ৰতাপ আৰু মিনমিনিয়ে কণ্ঠদান কৰা 'আদ্যৰাগম' নামৰ এলবামৰ সংগীত পৰিচালক হ'ল কেৰালাৰ কুইলনৰ চৈধ্য বছৰীয়া বৈশাখ বিজয়। ২০০৩ চনত প্ৰথমবাৰৰ বাবে কে.জে.য়ুদাসৰ লগত তেওঁলোকে একেলগে মঞ্চত গান গোৱা দেখা গৈছিল। চাৰি বছৰৰ ভিতৰতে তেওঁ সংগীত পৰিচালক হৈ উঠে। বিজয় এৰনাকুলামৰ এখন স্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ।

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা



টাটু

হাত, ভৰি, গাঁঠি বা শৰীৰৰ যি ঠাইতেই নহওক কিয় ছালৰ ভিতৰত চিয়াহী ভৰাই দি টাটুবোৰ ৰঙ কৰা হয়। হাতেৰে ধৰি থকা এটা যন্ত্ৰত লাগি থকা এটা বেজীয়ে আমাৰ ছালৰ ভিতৰত চিয়াহী ভৰাই দিয়ে যাৰ ফলত টাটুবোৰ শুকাই নাযায় বা বিয়পি নাযায়।

বহু পুৰণি কালৰেপৰা এই প্ৰথা চলি আহিছে। কিছুমান বিজ্ঞানীয়ে বিশ্বাস কৰে যে খ্ৰীষ্টপূৰ্ব ৩৩০০ চনত মামীৰ ৰূপত ৰখা আইচমেনৰ শৰীৰত দেখা চিনবোৰ এই কামৰ আটাইতকৈ পুৰণি জ্ঞাত প্ৰমাণ। খ্ৰীষ্টপূৰ্ব ২০০০ চনত ইজিপ্তৰ আৰু নিউবিয়ান মামীত থকা টাটুবোৰ বেছি সহজে চিনিব পাৰি।

আজিকালি পৃথিৱীৰ বিভিন্ন দেশৰ সেনাবাহিনীৰ মাজত এই প্ৰথা খুব জনপ্ৰিয় হৈ উঠিছে। কিয়নো ইয়াৰদ্বাৰা চিনাক্ত কৰিবলৈ সহজ হয়।

তোমাৰ পৰিৱেশ

নামতেই লুকাই আছে বহুত কথা

দক্ষিণ কোৰিয়াৰ উপকূলত অলপতে ভয়ংকৰ টাইফুন মেইমীয়ে আঘাত হানেহি। ইয়াৰ ফলত ধন জনৰ বিপুল ক্ষতি সাধন হয়। মেইমী নামটো স্ত্ৰীৰ নাম। ঘূৰ্ণী বতাহবোৰৰ নাম দিয়া নিয়মটো আৰম্ভ কৰে অষ্ট্ৰেলিয়াৰ বতৰ বিজ্ঞানী ক্লেমেণ্ট এল ৰেগেই। তেওঁ অৱশ্যে চাকাৰ, ৰাকেম আদি বাইবেলৰ শব্দবোৰ ব্যৱহাৰ কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আমেৰিকাৰ ৰেডিঅ'ত ধুমুহা আহিব বুলি এটা সাৱধানবাণী সম্প্ৰচাৰ কৰা হৈছিল। ৰেডিঅ' অপাৰেটৰ জনে এই সুৰটো সুহুৰিৰে বজাইছিল, "এভ্ৰি লিটল ব্ৰীজ চিম্‌চ টু হুইচপাৰ লুই।" তেতিয়াৰেপৰা, ঘূৰ্ণী বতাহবোৰৰ নাম মানুহৰ সাধাৰণ নামেৰে নামকৰণ কৰাৰ পৰম্পৰা আৰম্ভ হয়।

ফটো নামকৰণ প্ৰতিযোগিতা

MAHANTESH C. MORABAD

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

MAHANTESH C. MORABAD

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত: ।
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, জে ভি এল প্লাজা, ষষ্ঠ মহলা, ৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮. এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম এপ্ৰিল সংখ্যাত প্ৰকাশ কৰা হ'ব।

ডিচেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজেতা

হৰ্ষ বৰদলৈ
চুপাৰ ইনফ্ৰাটেক প্ৰাইভেট লিমিটেড
তৰুণৰাম ফুকন পথ
চিৰিংচাপৰি, ডিব্ৰুগড়-৭৮৬০০১
অসম

বিজয়ী প্ৰৱিষ্টি

পঢ়ি যাম খেলি যাম সবাৰে লগত।
দুখৰ ঠাইত আনি দিম হাঁহিহে মুখত॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ :

১.মাডাম ভিকাজী কামা, ষ্টুটগাৰ্ট, জাৰ্মানীত, ২.ড.সৰ্বপল্লী ৰাধাকৃষ্ণণ;
৩. ৰবীন্দ্ৰনাথ ঠাকুৰ, বিশ্ব ভাৰতী; ৪.আৰ. ভেংকটৰমণ
৫.শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিত, ইউনাইটেড প্ৰভিন্স।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

CALL IT A MAGAZINE PLUS!

JUNIOR CHANDAMAMA

ENTER 'MERA BHARAT MAHAN' CONTEST* AND WIN ATTRACTIVE PRIZES

MUCH MORE THAN A MAGAZINE FOR TINY-TOTS – TO KINDLE YOUR YOUNG ONE'S IMAGINATION

The young and the old react thus:

The info-park pages are very useful as they help us to know various facts about different topics. (January 2008)
- S. Athreya Uppili (8), Bangalore

The page for Parents and Teachers is a wonderful addition to the unique **Junior Chandamama.** Very often, I see my son poring over the pages when he runs to me for a meaning, explanation or clarification. (January 2008)
- Kamaljit Arora, Chandigarh

* Contest To Appear In The April, May And June Issues

JUNIOR CHANDAMAMA MAKES AN IDEAL BIRTHDAY GIFT FOR YOUR CHILD OR HIS/HER FRIEND.

Annual subscription (12 issues delivered at door) Rs. 170. Payment by Cheque / D.D. favouring Chandamama India Ltd.
(Please add Rs. 90 on non-Chennai cheques)

Please mail to : **Chandamama India Ltd.,** JVL Plaza, 6th floor, 626 Anna Salai, Teynampet, Chennai - 600 018
Tel : (044) 24334455 Telefax : 24322103 email : chandamama@chandamama.com web : www.chandamama.com

Write down the child's name, age, class, school, and complete residential address with PIN code. Allow 4 weeks for the first copy to arrive by post.

CHANDAMAMA (Assamese) Feb 2008 RNI No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08